रजिस्ट्री सं डी 221

Registered No. D 221
পঞ্জীয়ন নং ডি ২২১

सत्यमेव जयते

# भारत का राजपत्र
# THE GAZETTE OF INDIA
# ভাৰতৰ ৰাজপত্ৰ

असाधारण
EXTRA ORDINARY
অসাধাৰণ

भाग VI - अनुभाग 1
PART VI - Section 1
ভাগ ৬ -অনুভাগ ১

प्राधिकार से प्रकाशित
PUBLISHED BY AUTHORITY
প্ৰাধিকাৰৰ দ্বাৰা প্ৰকাশিত

No. 15 ] NEW DELHI, THURSDAY, JUNE 13, 2019 / 23 JAISTHA, 1941 (Saka) [ VOL : 5
নং ১৫ ] নতুন দিল্লী, বৃহস্পতিবাৰ, জুন ১৩, ২০১৯ / ২৩ জেঠ, ১৯৪১ (শক) [খণ্ড ঃ ৫

Separate paging is given to this part in order that it may be filed as a separate compilation

## বিধি আৰু ন্যায় মন্ত্ৰালয়
## (বিধান বিভাগ)

কেন্দ্ৰীয় বিশ্ববিদ্যালয় অধিনিয়ম, ২০০৯ (২০০৯ ৰ ২৫)

২০ মাৰ্চ, ২০০৯ তাৰিখে যথাবিদ্যমান

# কেন্দ্ৰীয় বিশ্ববিদ্যালয় অধিনিয়ম, ২০০৯

## ধাৰাসমূহৰ ক্ৰম


| ধাৰাসমূহ | | পৃষ্ঠা |
|---|---|---|
| ১। | সংক্ষিপ্ত নাম আৰু প্ৰাৰম্ভণ | ১ |
| ২। | পৰিভাষা | ১ |
| ৩। | বিশ্ববিদ্যালয়ৰ স্থাপন | ২ |
| ৪। | বিশ্ববিদ্যালয়ৰ স্থাপনৰ প্ৰভাৱ | ৩ |
| ৫। | বিশ্ববিদ্যালয়ৰ উদ্দেশ্য | ৪ |
| ৬। | বিশ্ববিদ্যালয়ৰ ক্ষমতা | ৫ |
| ৭। | বিশ্ববিদ্যালয়, সকলো জাতি, ধৰ্ম্মমত, প্ৰজাতি বা শ্ৰেণীৰ বাবে মুকলি থাকিব। | ৭ |
| ৮। | বিশ্ববিদ্যালয়ৰ কুলাধ্যক্ষ | ৭ |
| ৯। | বিশ্ববিদ্যালয়ৰ পদাধিকাৰী | ৯ |
| ১০। | আচাৰ্য্য | ৯ |
| ১১। | উপাচাৰ্য্য | ৯ |
| ১২। | প্ৰতি-উপাচাৰ্য্য | ১০ |
| ১৩। | বিদ্যালয়ৰ ডীন | ১০ |
| ১৪। | পঞ্জীয়ক | ১০ |
| ১৫। | বিত্ত পদাধিকাৰী | ১০ |
| ১৬। | পৰীক্ষা নিয়ন্ত্ৰক | ১০ |
| ১৭। | গ্ৰন্থাগাৰক | ১০ |
| ১৮। | আন পদাধিকাৰী | ১০ |
| ১৯। | বিশ্ববিদ্যালয়ৰ প্ৰাধিকৰণ | ১০ |
| ২০। | সভা | ১১ |
| ২১। | কাৰ্য্যনিৰ্ব্বাহক পৰিষদ | ১১ |
| ২২। | শৈক্ষিক পৰিষদ | ১১ |
| ২৩। | অধ্যয়ন বোৰ্ড | ১১ |
| ২৪। | বিত্ত সমিতি | ১১ |
| ২৫। | বিশ্ববিদ্যালয়ৰ আন প্ৰাধিকৰণ | ১২ |

পৃষ্ঠা

২৬। পৰিনিয়ম প্ৰণয়ন কৰা ক্ষমতা ১২

২৭। পৰিনিয়ম কেনেকৈ প্ৰণয়ন কৰা হয় ১৩

২৮ অধ্যাদেশ প্ৰণয়ন কৰাৰ ক্ষমতা ১৩

২৯। বিনিময়াৱলী ১৪

৩০। বাৰ্ষিক প্ৰতিবেদন ১৫

৩১। বাৰ্ষিক হিচাপ ১৫

৩২। প্ৰবিৱৰণ আৰু তথ্য ১৫

৩৩। কৰ্ম্মচাৰীবৃন্দ ইত্যাদিৰ, সেৱাৰ চৰ্ত্তাৱলী ১৫

৩৪। ছাত্ৰসকলৰ বিৰুদ্ধে অনুশাসনমূলক গোচৰত আপীল আৰু মধ্যস্থকাৰীৰ প্ৰক্ৰিয়া ১৬

৩৫। আপীলৰ অধিকাৰ ১৬

৩৬। ভৱিষ্য আৰু পেন্সন নিধি ১৬

৩৭। প্ৰাধিকৰণ আৰু নিকায়ৰ গঠনৰ বিষয়ে বিবাদ ১৭

৩৮। আকস্মিক ৰিক্তিৰ পূৰণ ১৭

৩৯। প্ৰাধিকৰণ বা নিকায়ৰ কাৰ্য্যবাহী, পদৰিক্তিৰ দ্বাৰা অবিধিমান্য নহব ১৭

৪০। সদ বিশ্বাসত লোৱা কাৰ্য্যব্যৱস্থাৰ সুৰক্ষা ১৭

৪১। বিশ্ববিদ্যালয় অভিলেখৰ প্ৰমানৰ পদ্ধতি ১৭

৪২। জটিলতা দূৰীকৰণৰ ক্ষমতা ১৭

৪৩। পৰিনিয়ম, অধ্যাদেশ আৰু বিনিয়মাৱলী চৰকাৰী ৰাজপত্ৰত প্ৰকাশিত কৰা হ'ব আৰু সংসদত উত্থাপিত কৰা হ'ব। ১৮

৪৪। অৰ্ন্তৱৰ্ত্তীকালীন উপৱন্ধ ১৮

৪৫। মধ্যপ্ৰদেশ অধিনিয়ম, ১৯৭৩ ৰ ২২ ৰ সংশোধন ১৯

৪৬। ৰাষ্ট্ৰপতি অধিনিয়ম, ১৯৭৩ ৰ ১০ৰ সংশোধন ১৯

৪৭। নিৰসন আৰু ব্যাবৃত্তি ২০

প্ৰথম অনুসূচী ২২

## দ্বিতীয় অনুসূচী
## বিশ্ববিদ্যালয়ৰ পৰিনিয়ম


| | | পৃষ্ঠা |
|---|---|---|
| ১। | আচাৰ্য্য | ২৩ |
| ২। | উপাচাৰ্য্য | ২৩ |
| ৩। | উপাচাৰ্য্য ক্ষমতা আৰু কৰ্ত্তব্য | ২৫ |
| ৪। | প্ৰতি-উপাচাৰ্য্য | ২৫ |
| ৫। | বিদ্যালয়সমূহৰ ডীন | ২৬ |
| ৬। | পঞ্জীয়ক | ২৭ |
| ৭। | বিত্ত পদাধিকাৰী | ২৮ |
| ৮। | পৰীক্ষাৰ নিয়ন্ত্ৰক | ২৯ |
| ৯। | গ্ৰন্থাগাৰক | ৩০ |
| ১০। | সভাৰ বৈঠক | ৩০ |
| ১১। | কাৰ্য্যনিৰ্ব্বাহক পৰিষদৰ বৈঠকৰ থূল | ৩০ |
| ১২। | কাৰ্য্যনিৰ্ব্বাহক পৰিষদৰ ক্ষমতা আৰু কৃত্য | ৩০ |
| ১৩। | শৈক্ষিক পৰিষদৰ বৈঠকৰ থূল | ৩২ |
| ১৪। | শৈক্ষিক পৰিষদৰ ক্ষমতা আৰু কৃত্য | ৩২ |
| ১৫। | অধ্যয়ন কেন্দ্ৰ আৰু বিভাগ | ৩২ |
| ১৬। | অধ্যায়ন বোৰ্ড | ৩৩ |
| ১৭। | বিত্ত সমিতি | ৩৪ |
| ১৮। | বাচনি সমিতি | ৩৪ |
| ১৯। | নিয়োজনৰ বিশেষ পক্ৰম | ৩৭ |
| ২০। | নিৰ্দ্ধাৰিত অৱধিৰ বা নিযুক্তি | ৩৭ |
| ২১। | সমিতি সমূহ | ৩৭ |
| ২২। | শিক্ষক ইত্যাদিৰ সেৱাৰ নিৰন্ধন আৰু চৰ্ত্তাৱলী আৰু আচৰণ বিধি | ৩৭ |
| ২৩। | আন কৰ্ম্মচাৰীৰ সেৱাৰ নিৰন্ধন আৰু চৰ্ত্তাৱলী আৰু আচৰণ বিধি | ৩৮ |
| ২৪। | জ্যেষ্ঠতাৰ তালিকা | ৩৮ |
| ২৫। | বিশ্ববিদ্যালয়ৰ কৰ্ম্মচাৰীকসকলৰ অপসাৰণ | ৩৮ |

পৃষ্ঠা


| | | |
|---|---|---|
| ২৬। | সন্মানিক উপাধি | ৩৯ |
| ২৭। | উপাধি ইত্যাদিৰ, প্রত্যাহাৰ | ৩৯ |
| ২৮। | বিশ্ববিদ্যালয়ৰ ছাত্রসকলৰ মাজত অনুশাসন ৰক্ষা কৰা | ৪০ |
| ২৯। | সমাৱৰ্তন | ৪১ |
| ৩০। | বৈঠকৰ কাৰ্য্যকৰী চেয়াৰমেন | ৪১ |
| ৩১। | পদত্যাগ | ৪১ |
| ৩২। | অনৰ্হতা | ৪১ |
| ৩৩। | সদস্যপদ আৰু পদৰ বাবে আবাস গৃহৰ চৰ্ত | ৪১ |
| ৩৪। | আন নিকায়ৰ সদস্যপদৰ বলত প্ৰাধিকাৰীৰ সদস্যপদ | ৪১ |
| ৩৫। | পূৰ্বছাত্ৰ সংগঠন | ৪১ |
| ৩৬। | ছাত্ৰ পৰিষদ | ৪২ |
| ৩৭। | অধ্যাদেশসমূহ কেনেকৈ প্রণয়ন কৰা হ'ব | ৪২ |
| ৩৮। | বিনিয়মাৱলী | ৪৩ |
| ৩৯। | ক্ষমতাৰ আৰোপন। | ৪৩ |

# কেন্দ্ৰীয় বিশ্ববিদ্যালয় অধিনিয়ম, ২০০৯

২০০৯ ৰ সংখ্যা ২৫

[২০ মাৰ্চ, ২০০৯]

বিভিন্ন ৰাজ্যত শিক্ষণ আৰু গৱেষনাৰ বাবে বিশ্ববিদ্যালয় স্থাপন আৰু সংঘবদ্ধ কৰিবলৈ আৰু ইয়াৰ সৈতে জড়িত বা ইয়াৰ আনুষঙ্গিক বিষয়সমূহৰ বাবে উপবন্ধ কৰিবলৈ এখনি অধিনিয়ম।

ইয়াক ভাৰত গণৰাজ্যৰ ষাঠিতম বৰ্ষত সংসদৰ দ্বাৰা নিম্নলিখিত ৰূপে অধিনিয়মিত কৰা হওঁক ঃ -

*সংক্ষিপ্ত নাম আৰু প্ৰাৰম্ভণ।*

১। (১) এই অধিনিয়মখন কেন্দ্ৰীয় বিশ্ববিদ্যালয় অধিনিয়ম, ২০০৯ নামেৰে অভিহিত হ'ব।

(২) ইয়াক, ২০০৯ৰ ১৫ জানুৱাৰী তাৰিখত বলবৎ হোৱা বুলি গন্য কৰা হ'ব।

*পৰিভাষা*

২। এই অধিনিয়মত আৰু ইয়াৰ অধীনত প্ৰণীত সকলো পৰিনিয়মত, প্ৰসঙ্গত অন্যথা অপেক্ষিত নহলে—

(ক) "শৈক্ষিক পৰিষদ" মানে বিশ্ববিদ্যালয়ৰ শৈক্ষিক পৰিষদ ;

(খ) "শৈক্ষিক কৰ্ম্মচাৰীবৃন্দ" মানে অধ্যাদেশৰ দ্বাৰা শৈক্ষিক কৰ্ম্মচাৰীবৃন্দ ৰূপে পদাভিহিত কৰ্ম্মচাৰীবৃন্দৰ এনে শ্ৰেণী;

(গ) "অধ্যয়ন বোৰ্ড" মানে বিশ্ববিদ্যালয়ৰ এটা বিভাগৰ অধ্যয়ন বোৰ্ড ;

(ঘ) "মহাবিদ্যালয়" মানে বিশ্ববিদ্যালয়ৰ দ্বাৰা পৰিচালিত এখন মহাবিদ্যালয় ;

(ঙ) "আচাৰ্য্য" উপাচাৰ্য্য আৰু "প্ৰতি উপাচাৰ্য্য" মানে যথাক্ৰমে বিশ্ববিদ্যালয়ৰ আচাৰ্য্য, উপাচাৰ্য্য আৰু প্ৰতি উপাচাৰ্য্য ;

(চ) "সভা" মানে বিশ্ববিদ্যালয়ৰ সভা ;

(ছ) "বিভাগ" মানে অধ্যয়নৰ এটা বিভাগ আৰু ই এটা অধ্যয়নকেন্দ্ৰক অন্তৰ্ভুক্ত কৰে ;

(জ) "দূৰৱৰ্ত্তী শিক্ষা ব্যৱস্থা" মানে সম্প্ৰচাৰ, প্ৰচাৰ, ইনটাৰনেট, প্ৰত্ৰাচাৰ পাঠ্যক্ৰম, অধ্যয়ন চক্ৰ, সংযোগী কাৰ্য্যক্ৰম বা এনে প্ৰকাৰৰ দুই বা ততোধিক এনে ব্যৱস্থাৰ সংযোজকৰ দৰে যোগাযোগৰ কোনো ব্যৱস্থাৰ জৰিয়তে শিক্ষা প্ৰদান কৰা ব্যৱস্থা ;

(ঝ) "কৰ্ম্মচাৰী" মানে বিশ্ববিদ্যালয়ৰ দ্বাৰা নিয়োজিত কোনো ব্যক্তি আৰু ই বিশ্ববিদ্যালয়ৰ শিক্ষক আৰু আন কৰ্ম্মীবৃন্দক অৰ্ন্তভূক্ত কৰে ;

(ঞ) "কাৰ্য্যনিৰ্ব্বাহক পৰিষদ" মানে বিশ্ববিদ্যালয়ৰ কাৰ্য্যনিৰ্ব্বাহক পৰিষদ ;

(ট) "ছাত্ৰবাস" মানে বিশ্ববিদ্যালয়ৰ বা বিশ্ববিদ্যালয়ৰ দ্বাৰা পৰিচালিত এখন মহাবিদ্যালয় বা এখন শিক্ষা প্ৰতিষ্ঠানৰ ছাত্ৰৰ বাবে আবাস গৃহ বা সামুহিক জীৱনৰ এটা গোট ;

(ঠ) "শিক্ষা প্ৰতিষ্ঠান" মানে বিশ্ববিদ্যালয়ৰ দ্বাৰা পৰিচালিত, এখন মহাবিদ্যালয় নোহোৱা এখন শৈক্ষিক প্ৰতিষ্ঠান ;

(ড) “অধ্যক্ষ” মানে বিশ্ববিদ্যালয়ৰ দ্বাৰা পৰিচালিত এখন মহাবিদ্যালয় বা এখন শিক্ষা প্ৰতিষ্ঠানৰ মূৰব্বী আৰু ই য'ত কোনো অধ্যক্ষ নাথাকে, তৎসময়ৰ বাবে অধ্যক্ষ ৰূপে কাৰ্য্য কৰিবলৈ সম্যকৰূপে নিয়োজিত ব্যক্তিক আৰু অধ্যক্ষ বা কাৰ্য্যকৰী অধ্যক্ষৰ অনুপস্থিতিত, এনেদৰে সম্যকৰূপে নিয়োজিত এজন উপাধ্যক্ষক অৰ্ন্তভুক্ত কৰে ;

(ঢ) “বিনিময়াৱলী” মানে তৎসময় বলবৎ এই অধিনিয়মৰ অধীনত বিশ্ববিদ্যালয়ৰ কোনো প্ৰাধিকাৰীৰ দ্বাৰা প্ৰণীত বিনিয়মাৱলী ;

(ণ) “বিদ্যালয়” মানে বিশ্ববিদ্যালয়ৰ এখন অধ্যয়ন কেন্দ্ৰ ;

(ত) “পৰিনিয়ম” আৰু “অধ্যাদেশ” মানে যথাক্ৰমে তৎসময় বলবৎ বিশ্ববিদ্যালয়ৰ পৰিনিয়ম আৰু অধ্যাদেশ ;

(থ) “বিশ্ববিদ্যালয়ৰ শিক্ষক” মানে বিশ্ববিদ্যালয়ৰ দ্বাৰা পৰিচালিত আৰু অধ্যাদেশৰ দ্বাৰা শিক্ষকৰূপে পদভিহিত হোৱাত বিশ্ববিদ্যালয় বা কোনো মহাবিদ্যালয় বা শিক্ষা প্ৰতিষ্ঠানত শিক্ষা প্ৰদান কৰাৰ বাবে বা গৱেষণা চলোৱাৰ বাবে নিয়োজিত হোৱা অধ্যাপক, সহযোগী অধ্যাপক, সহকাৰী অধ্যাপক আৰু এনে আন ব্যক্তি ; আৰু

(দ) “বিশ্ববিদ্যালয়” মানে এই অধিনিয়মৰ অধীনত এখন বিশ্ববিদ্যালয়ৰূপে স্থাপিত আৰু সংঘবদ্ধ এখন বিশ্ববিদ্যালয়।

*বিশ্ববিদ্যালয়ৰ স্থাপন মধ্যপ্ৰদেশ অধিনিয়ম ১৯৭৩ ৰ ২২ ৰাষ্টপতিৰ অধিনিয়ম ১৯৭৩ ৰ ১০*

৩। (১) মধ্যপ্ৰদেশ বিশ্ববিদ্যালয় অধিনিয়ম ১৯৭৩ ৰ অধীনত স্থাপিত ছত্তিশগড় ৰাজ্যৰ গুৰু ঘাচিদাস বিশ্ববিদ্যালয় আৰু মধ্যপ্ৰদেশ ৰাজ্যৰ ডক্টৰ হৰিসিং গৌড় বিশ্ববিদ্যালয় আৰু উত্তৰ প্ৰদেশ ৰাজ্যিক বিশ্ববিদ্যালয় অধিনিয়ম, ১৯৭৩ ৰ অধীনত স্থাপিত উত্তৰাখণ্ড ৰাজ্যৰ হেমৱতী নন্দন বহুগুনা গাড়ৱাল বিশ্ববিদ্যালয়, যথাক্ৰমে “গুৰু ঘাচিদাস বিশ্ববিদ্যালয়”, “ডক্টৰ হৰিসিং “গৌড় বিশ্ববিদ্যালয়” আৰু হেমৱতী নন্দন বহুগুনা গাড়ৱাল বিশ্ববিদ্যালয়ক একেই নামেৰে এই অধিনিয়মৰ অধীনত নিগমিত নিকায়ৰূপে স্থাপিত কৰা হ'ব।

(২) গুৰু ঘাচিদাস বিশ্ববিদ্যালয় ডক্টৰ হৰিসিং গৌড় বিশ্ববিদ্যালয় আৰু হেমৱতী নন্দন বহুগুনা গাড়ৱাল বিশ্ববিদ্যালয়ৰ মুখ্যকাৰ্য্যালয়, যথাক্ৰমে বিলাশপুৰ, সাগৰ আৰু শ্ৰীনগৰত থাকিব।

(৩) গুৰু ঘাচিদাস বিশ্ববিদ্যালয়, ডক্টৰ হৰিসিং গৌড় বিশ্ববিদ্যালয় আৰু হেমৱতী নন্দন বহুগুনা গাড়ৱাল বিশ্ববিদ্যালয়ৰ অধিকাৰিতা যথাক্ৰমে ছত্তিশগড় ৰাজ্যৰ বিলাশপুৰ, ৰাইগড় আৰু চোৰগোজা জিলা মধ্যপ্ৰদেশ ৰাজ্যৰ জিলা সাগৰ, টিকমগড় চাত্তাৰপুৰ,পান্না, চিন্দৱড়া আৰু দামোহ জিলা আৰু উত্তৰখণ্ড ৰাজ্যৰ চাম'লি, ডেৰাদুন গড়ৱাল, হৰিদ্বাৰ, ৰুদ্ৰপ্ৰয়াগ, টেহৰি গাড়ৱাল আৰু উত্তৰকালীৰ জিলালৈ বিস্তাৰিত হ'ব।

(৪) এই অধিনিয়মৰ প্ৰথম অনুসূচীত বিনিৰ্দ্দিষ্ট কৰা দৰে এনে নাম আৰু প্ৰাদেশিক অধিকাৰিতাৰ দ্বাৰা নিগমিত নিকায় ৰূপে বিভিন্ন ৰাজ্যত বিশ্ববিদ্যালয় স্থাপন কৰা হ'ব।

(৫) উপ-ধাৰা (৪)ত নিৰ্দ্দেশিত প্ৰত্যেক বিশ্ববিদ্যালয়ৰ মুখ্যকাৰ্য্যালয়, কেন্দ্ৰীয় চৰকাৰে চৰকাৰী ৰাজপত্ৰত অধিসূচনাৰ দ্বাৰা বিনিৰ্দ্দিষ্ট কৰা দৰে এনে হ'ব।

(৬) সভাৰ প্ৰথম আচাৰ্য্য, প্ৰথম উপাচাৰ্য্য আৰু প্ৰথম সদস্য প্ৰত্যেক বিশ্ববিদ্যালয়ৰ কাৰ্য্যনিৰ্ব্বাহিক পৰিষদ আৰু শৈক্ষিক পৰিষদ আৰু সকলো ব্যক্তি যিয়ে ইয়াৰ পিচত এনে পদাধিকাৰী বা সদস্য হব যি পৰ্য্যন্ত তেওঁলোকে এনে পদ বা সদস্যপদ ধাৰণ কৰি থাকে, তেওঁলোকক ইয়াৰ দ্বাৰা বিশ্ববিদ্যালয়ৰ নামেৰে এটা নিগমিত নিকায় গঠন কৰিব।

(৭) বিশ্ববিদ্যালয়ৰ শ্বাশ্বত উত্তৰাধিকাৰী আৰু এটা সাধাৰণ মোহৰ থাকিব আৰু উক্ত নামেৰে বাদ কৰিব আৰু বাদযুক্ত হ'ব।

*বিশ্ববিদ্যালয়ৰ স্থাপনৰ প্ৰভাৱ।*

৪। এই অধিনিয়মৰ প্ৰাৰম্ভণৰ তাৰিখত আৰু তাৰিখৰ পৰা—

(ক) কোনো সংবিদা বা আন লেখ্যত গুৰু ঘাচিদাস বিশ্ববিদ্যালয়, ডক্টৰ হৰিসিং গৌড় বিশ্ববিদ্যালয় বা হেমৱতী নন্দন বহুগুনা গাড়ৱাল বিশ্ববিদ্যালয়ৰ কোনো প্ৰসঙ্গ নিৰ্দেশক এই অধিনিয়মৰ অধীনত স্থাপিত, যথাক্ৰমে গুৰু ঘাচিদাস বিশ্ববিদ্যালয়, ডক্টৰ হৰিসিং গৌড় বিশ্ববিদ্যালয় আৰু হেমৱতী নন্দন বহুগুনা গাড়ৱাল বিশ্ববিদ্যালয়ৰ এটা প্ৰসঙ্গ নিৰ্দ্দেশৰূপে গন্য কৰা হ'ব ;

(খ) গুৰু ঘাচিদাস বিশ্ববিদ্যালয়, ডক্টৰ হৰিসিং গৌড় বিশ্ববিদ্যালয়ৰ আৰু হেমৱতী নন্দন বহুগুনা গাড়ৱাল বিশ্ববিদ্যালয়ৰ অস্থাৱৰ আৰু স্থাৱৰ সকলো সম্পত্তি বা সম্পদ এই অধিনিয়মৰ অধীনত স্থাপিত, গুৰু ঘাচিদাস বিশ্ববিদ্যালয়, ডক্তৰ হৰিসিং গৌড় বিশ্ববিদ্যালয় বা যথাস্থিতি, হেমৱতী নন্দন বহুগুনা গাড়ৱাল বিশ্ববিদ্যালয়ত ন্যস্ত হ'ব।

(গ) গুৰু ঘাচিদাস বিশ্ববিদ্যালয়, ডক্টৰ হৰিসিং গৌড় বিশ্ববিদ্যালয় আৰু হেমৱতী নন্দন বহুগুনা গাড়ৱাল বিশ্ববিদ্যালয়ৰ সকলো অধিকাৰ আৰু দায়িত্ব, এই অধিনিয়মৰ অধীনত স্থাপিত যথাক্ৰমে, গুৰু ঘাচিদাস বিশ্ববিদ্যালয় ডক্টৰ হৰিসিং গৌড় বিশ্ববিদ্যালয় আৰু হেমৱতী নন্দন বহুগুনা গাড়ৱাল বিশ্ববিদ্যালয়লৈ অন্তৰিত কৰা হ'ব আৰু অধিকাৰ আৰু দায়িত্ব থাকিব ;

(ঘ) এই অধিনিয়মৰ প্ৰাৰম্ভণৰ অব্যৱহিত পূৰ্ব্বে গুৰু ঘাচিদাস বিশ্ববিদ্যালয়, ডক্টৰ হৰিসিং গৌড় বিশ্ববিদ্যালয় আৰু হেমৱতী নন্দন বহুগুনা গাড়ৱাল বিশ্ববিদ্যালয়ৰ দ্বাৰা নিয়োজিত প্ৰত্যেক ব্যক্তিয়ে, এই অধিনিয়মৰ অধীনত স্থাপিত যথাক্ৰমে, গুৰু ঘাচি দাস বিশ্ববিদ্যালয়ৰ, ডক্টৰ হৰিসিং গৌড় বিশ্ববিদ্যালয় আৰু হেমৱতী নন্দন বহুগুনা গাড়ৱাল বিশ্ববিদ্যালয়ত একে পদাৱধিত, একে পাৰিশ্ৰমিকত আৰু একে নিৱন্ধন আৰু চৰ্ত্তাৱলীৰ ওপৰত আৰু পেন্সন, ছুটী, পাৰিতোষিক, ভৱিষ্যনিধি আৰু আন বিষয়ৰ বিষয়ে এনে অধিকাৰ আৰু বিশেষাধিকাৰ সহ তেওঁৰ পদধাৰণ কৰিব বা সেৱাত থাকিব যিদৰে তেওঁ একেবোৰ ধাৰণ কৰিলেহেতেঁন যদি এই অধিনিয়মৰ প্ৰণীত নহ'লহেতেন আৰু এনেদৰে কৰি থাকিব যি পৰ্য্যন্ত তেওঁৰ নিয়োজন সমাপ্ত নহয় বা যি পৰ্য্যন্ত এনে পদাবধি, পাৰিশ্ৰমিক আৰু নিৱন্ধন আৰু চৰ্তাৱলী পৰিনিয়মৰ দ্বাৰা সম্যকৰূপে পৰিৱৰ্ত্তিত নহয় ঃ

পৰন্তু যদিহে এনেদৰে প্ৰণীত পৰিবৰ্ত্তন এনে কৰ্ম্মচাৰীলৈ গ্ৰহনযোগ্য নহয়, তেওঁৰ

নিয়োজন কৰ্ম্মচাৰীৰ সৈতে চুক্তিৰ নিবন্ধনৰ অনুসৰণত বিশ্ববিদ্যালয়ৰ দ্বাৰা সমাপ্ত কৰিব পাৰে বা যদিহে এই মৰ্ম্মে তাত কোনো উপবন্ধ কৰা হোৱা নাই স্থায়ী কৰ্ম্মচাৰীৰ ক্ষেত্ৰত তিনিমাহৰ পাৰিশ্ৰমিক আৰু আন কৰ্ম্মচাৰীৰ ক্ষেত্ৰত এমাহৰ পাৰিশ্ৰমিকৰ সমানুপাতিক এটা ক্ষতিপূৰণ বিশ্ববিদ্যালয়ৰ দ্বাৰা তেওঁলৈ আদায় দিয়া হ'ব ঃ

উপৰোক্ত এই অধিনিয়মৰ প্ৰাৰম্ভণৰ পূৰ্ব্বে নিয়োজিত প্ৰত্যেক ব্যক্তিক ধাৰা ৩৩ৰ অধীনত এটা সংবিদাৰ কাৰ্য্যকৰী কৰালৈকে এই অধিনিয়ম আৰু পৰিনিয়মৰ উপাৱন্ধাৱলীৰ সৈতে সুসঙ্গঁত এটা সংবিদাৰ উপৰন্ধাৱলীৰ অনুসৰণত নিয়োজিত হোৱা বুলি গণ্য কৰা হ'ব।

অধিকন্তু তৎসময় বলবৎ কোনো বিধিত বা কোনো লেখ্যত বা আন দস্তাৱেজত, গুৰু ঘাচিদাস বিশ্ববিদ্যালয়, ডক্টৰ হৰিসিং গৌড় বিশ্ববিদ্যালয় বা হেমৱতী নন্দন বহুগুনা গাড়ৱাল বিশ্ববিদ্যালয়ৰ উপাচাৰ্য্য আৰু প্ৰতি উপাচাৰ্য্যলৈ শব্দৰ যিৰূপেই নহওঁক কিয় কোনো প্ৰসঙ্গত নিৰ্দ্দেশক, এই অধিনিয়মৰ অধীনত স্থাপিত গুৰু ঘাচিদাস বিশ্ববিদ্যালয়, ডক্টৰ হৰিসিং গৌড় বিশ্ববিদ্যালয় বা যথাস্থিতি হেমৱতী নন্দন বহুগুনা গাড়ৱাল বিশ্ববিদ্যালয়ৰ উপাচাৰ্য্য আৰু প্ৰতি উপাচাৰ্য্যৰ প্ৰতি এটা প্ৰসঙ্গ নিৰ্দ্দেশৰূপে অৰ্থ হ'ব ;

*মধ্যপ্ৰদেশ অধিনিয়ম ১৯৭৩ৰ ২২*
*প্ৰেসিডেন্স অধিনিয়ম ১৯৭৩ৰ ১০*

(ঙ) মধ্যপ্ৰদেশ বিশ্ববিদ্যালয় অধিনিয়ম, ১৯৭৩ৰ উপৰন্ধাৱলীৰ অধীনত নিয়োজিত গুৰু ঘাচিদাস বিশ্ববিদ্যালয় আৰু ডক্টৰ হৰিসিং গৌড় বিশ্ববিদ্যালয়ৰ উপাচাৰ্য্য আৰু উত্তৰ প্ৰদেশ ৰাজ্যিক বিশ্ববিদ্যালয় অধিনিয়ম ১৯৭৩ৰ উপৰন্ধাৱলীৰ অধীনত নিয়োজিত হেমৱতী নন্দন বহুগুনা গাড়ৱাল বিশ্ববিদ্যালয়ৰ উপাচাৰ্য্যক, এই অধিনিয়মৰ অধীনত উপাচাৰ্য্যৰূপে নিয়োজিত হোৱা বুলি গন্য কৰা হ'ব আৰু তিনিমাহৰ এটা অৱধিৰ বাবে বা এই অধিনিয়মৰ ধাৰা ৪৪ৰ অধীনত প্ৰথম উপাচাৰ্য্য নিয়োজিত হোৱা এনে সময়লৈকে পদধাৰণা কৰিব যিটোৱেই আগতেই হয় ; আৰু

(চ) গুৰু ঘাচিদাস বিশ্ববিদ্যালয়, ডক্টৰ হৰিসিং গৌড় বিশ্ববিদ্যালয় আৰু হেমৱতী নন্দন বহুগুনা গাড়ৱাল বিশ্ববিদ্যালয়ৰ শাখাভূক্ত হোৱা বা বিশেষাধিকালৈ গৃহীত হোৱা বা পৰিচালিত সকলো মহাবিদ্যালয়, শিক্ষা প্ৰতিষ্ঠান, বিদ্যালয় বা শিক্ষা বিভাগ আৰু বিভাগ বোৰ, এই অধিনিয়মৰ অধীনত স্থাপিত, যথাক্ৰমে, গুৰু ঘাচিদাস বিশ্ববিদ্যালয়, ডক্টৰ হৰিসিং গৌড় বিশ্ববিদ্যালয়ৰ শাখাভূক্ত হৈ থাকিব বা বিশেষাধিকাত গৃহীত বা পৰিচালিত হৈ থাকিব।

*বিশ্ববিদ্যালয়ৰ উদ্দেশ্য।*

৫। বিশ্ববিদ্যালয়ৰ উদ্দেশ্যসমূহ হব ই উচিত গন্য কৰা দৰে শিক্ষনৰ এনে শাখাত শিক্ষা আৰু গৱেষণা সুবিধাসমূহৰ উপবন্ধ কৰি প্ৰচাৰ আৰু জ্ঞান বুদ্ধি কৰা ; ইয়াৰ শৈক্ষিক কাৰ্য্যক্ৰমত কলাশাস্ত্ৰ, সমাজ বিজ্ঞান, বিজ্ঞান আৰু প্ৰযুক্তি বিদ্যাৰ একীকৃত পাঠ্যক্ৰমৰ বাবে বিশেষ উপাৱন্ধাৱলী প্ৰণয়ন কৰা ; শিক্ষা, শিক্ষণ প্ৰক্ৰিয়া আৰু আন্তঃআনুশাসনিক অধ্যয়ন আৰু গৱেষণাত নৱ প্ৰৱৰ্ত্তনৰ উন্নীতকৰণৰ বাবে সমূচিত ব্যৱস্থা গ্ৰহণ কৰা ; দেশৰ উন্নয়নৰ বাবে মানৱ শক্তিক শিক্ষা আৰু প্ৰশিক্ষণ দিয়া ; বিজ্ঞান আৰু প্ৰযুক্তি বিদ্যাৰ উন্নয়নৰ বাবে উদ্যোগৰ সৈতে সংযোগ স্থাপন কৰা ; আৰু জনসাধাৰণৰ সামাজিক আৰু অৰ্থনৈতিক অৱস্থাৰ উন্নতি আৰু কল্যাণ, তেওঁলোকৰ বৌদ্ধিক, শৈক্ষিক আৰু সাংস্কৃতিক উন্নয়নত বিশেষ মনোযোগ দিয়া।

## কেন্দ্ৰীয় বিশ্ববিদ্যালয় অধিনিয়ম, ২০০৯

*বিশ্ববিদ্যালয়ৰ ক্ষমতা।*

৬। (১) বিশ্ববিদ্যালয়ৰ নিম্নলিখিত ক্ষমতা সমূহ থাকিব, অৰ্থাৎ ঃ-

(i) বিশ্ববিদ্যালয়ে সময়ে সময়ে নিৰ্দ্ধাৰণ কৰা দৰে প্ৰাকৃতিক বিজ্ঞান, সমাজ বিজ্ঞান, কলাশাস্ত্ৰ, অভিযান্ত্ৰিক, প্ৰযুক্তিবিদ্যান আৰু চিকিৎসা শাস্ত্ৰৰ দৰে শিক্ষণৰ এনে শাখাত শিক্ষাৰ উপৰন্ধ কৰা আৰু গৱেষণাৰ বাবে আৰু জ্ঞানৰ বৃদ্ধি আৰু প্ৰসাৰৰ বাবে উপৰন্ধ কৰা ;

(ii) বিশ্ববিদ্যালয়ে নিৰ্দ্ধাৰণ কৰা দৰে এনে চৰ্তাৱলীৰ সাপেক্ষে পৰীক্ষণ, মূল্যায়ন বা পৰীক্ষাৰ কোনো আন পদ্ধতিৰ আধাৰত, ব্যক্তিসমূহক উপাধি বা প্ৰমাণপত্ৰ মঞ্জুৰ কৰা ডিগ্ৰী বা আন শৈক্ষিক সন্মান প্ৰদান কৰা আৰু সজ আৰু পৰ্য্যাপ্ত কাৰণৰ বাবে কোনো এনে উপাধি, প্ৰমাণপত্ৰ, ডিগ্ৰী বা আন শৈক্ষিক সন্মান প্ৰত্যাহাৰ কৰা ;

(iii) বহিৰ্বৰ্ত্তী অধ্যয়ন, প্ৰশিক্ষণ আৰু বিস্তাৰিত সেৱাৰ ব্যৱস্থা কৰা আৰু গ্ৰহণ কৰা;

(iv) পৰিনিয়মৰ দ্বাৰা বিহিত ৰীতিত সন্মানিত ডিগ্ৰী বা আন সন্মান প্ৰদান কৰা ;

(v) ই নিৰ্দ্ধাৰণ কৰা দৰে এনে ব্যক্তিসমূহৰ দূৰৱৰ্ত্তী শিক্ষা ব্যৱস্থাৰ যোগেদি সুবিধাসমূহৰ উপৰন্ধ কৰা ;

(vi) বিশ্ববিদ্যালয়ৰ দ্বাৰা অপেক্ষিত অধ্যক্ষ পদ, অধ্যাপক পদ, সহযোগী অধ্যাপকপদ, সহকাৰী অধ্যাপকপদ আৰু আন শিক্ষণ বা শৈক্ষিক পদমৰ্যদা সংস্থিত কৰা আৰু এনে অধ্যক্ষপদ, অধ্যাপকপদ, সহযোগী অধ্যাপকপদ, সহকাৰী অধ্যাপকপদ বা আন শিক্ষণ বা শৈক্ষিক পদমৰ্য্যদাৰ ব্যক্তিৰ নিযুক্তি দিয়া ;

(vii) বিশ্ববিদ্যালয়ে নিৰ্দ্ধাৰণ কৰা দৰে এনে প্ৰয়োজনৰ বাবে উচ্চ শিক্ষাৰ এখন শিক্ষা প্ৰতিষ্ঠানৰ স্বীকৃতি দিয়া আৰু এনে স্বীকৃতি প্ৰত্যাহাৰ কৰা ;

(viii) দেশৰ বাহিৰত অৱস্থিত বোৰক অৰ্ন্তভূক্ত কৰি এটা বিনিৰ্দিষ্ট অৱধিৰ বাবে বিশ্ববিদ্যালয়ৰ শিক্ষকৰূপে কোনো আন বিশ্ববিদ্যালয় বা শৈক্ষিক প্ৰতিষ্ঠানৰ কৰ্মৰত ব্যক্তিসমূহক নিযুক্তি দিয়া ;

(ix) প্ৰশাসনিক, মন্ত্ৰালয়িক আৰু আন পদসমূহৰ সৃষ্টি কৰা আৰু তালৈ নিযুক্তি দিয়া ;

(x) বিশ্ববিদ্যালয়ে নিৰ্দ্ধাৰণ কৰা দৰে এনে ৰীতিত আৰু এনে প্ৰয়োজনৰ বাবে দেশৰ বাহিৰত অৱস্থিত বোৰক অন্তভূক্ত কৰি কোনো আন বিশ্ববিদ্যালয় বা প্ৰাধিকাৰ বা উচ্চ শিক্ষাৰ প্ৰতিষ্ঠানৰ সৈতে সহযোগ বা সহযোগিতা বা সহযুক্ত কৰা ;

(xi) বিশ্ববিদ্যালয়ৰ মতত ইয়াৰ উদ্দেশ্যৰ অগ্ৰসৰৰ বাবে আৱশ্যকীয় হোৱা গৱেষণা আৰু শিক্ষণৰ বাবে এনে কেন্দ্ৰ আৰু বিশেষজ্ঞ গৱেষনাগাৰ বা আন গোট স্থাপন কৰা ;

(xii) বৃত্তিক সদস্যপদ, জ্ঞানবৃত্তি, ছাত্ৰবৃত্তি, মেদেল আৰু পুৰস্কাৰ সংস্থিত কৰা আৰু প্ৰদান কৰা;

(xiii) মহাবিদ্যালয়, শিক্ষা প্ৰতিষ্ঠান আৰু ছাত্ৰবাস স্থাপন আৰু পৰিচালনা কৰা;

(xiv) বিশ্ববিদ্যালয়ে আৱশ্যকীয় গন্য কৰা দৰে গৱেষণা আৰু পৰামৰ্শ সেৱাৰ বাবে উপৰন্ধ কৰা আৰু সেই প্ৰয়োজনৰ বাবে আন প্ৰতিষ্ঠান, উদ্যোগিক আৰু আন সংগঠনৰ সৈতে এনে ব্যৱস্থা গ্ৰহণ কৰা ;

(xv) শিক্ষক, মূল্যয়নকাৰী আৰু আন শৈক্ষিক কৰ্ম্মচাৰীবৃন্দৰ বাবে উন্নয়ন পাথ্যক্ৰম, কৰ্মশালা, আলোচনা চক্ৰ আৰু আন কাৰ্য্যক্ৰমৰ ব্যৱস্থা আৰু পৰিচালনা কৰা ;

(xvi) বিশ্ববিদ্যালয়ৰ উদ্দেশ্যৰ অগ্ৰসৰতাঁলৈ অৱদান যুগোৱা অভ্যাগত অধ্যাপক, প্ৰতিষ্ঠিত অধ্যাপক, পৰামৰ্শকাৰী আৰু এনে আন ব্যক্তিসমূহক চুক্তিত বা অন্যথা নিযুক্তি দিয়া ;

(xvii) পৰিনিয়মৰ অনুসৰণত, এখন মহাবিদ্যালয় বা এখন শিক্ষা প্ৰতিষ্ঠান বা যথাস্থিতি এটা বিভাগত শ্বতন্ত্ৰ স্থিতি প্ৰদান কৰা।

(xviii) বিশ্ববিদ্যালয়ৰ নামভৰ্ত্তিৰ মানদণ্ডৰ নিৰ্দ্ধাৰণ কৰা যিয়ে পৰীক্ষা, মূল্যাঙ্কন, বা পৰীক্ষাৰ কোনো আন পদ্ধতিক অৰ্ন্তভূক্ত কৰে ;

(xix) মাচুল আৰু আন প্ৰভাৱৰ আদায় বিচৰা আৰু গ্ৰহণ কৰা ;

(xx) বিশ্ববিদ্যালয়ৰ ছাত্ৰসকলৰ আবাসগৃহ পৰ্য্যবেক্ষণ কৰা আৰু তেওঁলোকৰ স্বাস্থ্য আৰু সাধাৰণ কল্যাণৰ উন্নতিকৰণৰ বাবে ব্যৱস্থা কৰা ;

(xxi) তেওঁলোকৰ আচৰণ বিধিক অৰ্ন্তভূক্ত কৰি সকলো শ্ৰেণীৰ কৰ্ম্মচাৰীবৃন্দৰ সেৱাৰ চৰ্ত্তাৱলী প্ৰণয়ন কৰা;

(xxii) বিশ্ববিদ্যালয়ে আৱশ্যকীয় বুলি গন্য কৰা দৰে ছাত্ৰ আৰু কৰ্ম্মচাৰীসকলৰ মাজত অনুশাসন বিনিয়মিত আৰু বলবৎ কৰা ছাত্ৰ এই সম্বন্ধত এনে অনুশাসনমূলক ব্যৱস্থা গ্ৰহণ কৰা;

(xxiii) কৰ্ম্মচাৰীসকলৰ স্বাস্থ্য আৰু সাধাৰণ কল্যাণ উন্নীতকৰণৰ বাবে ব্যৱস্থা কৰা;

(xxiv) উপকাৰ, দান আৰু উপহাৰ গ্ৰহণ কৰা আৰু কেন্দ্ৰীয় চৰকাৰৰ পূৰ্ব্ব সংমোদন সহ বিশ্ববিদ্যালয়ৰ প্ৰয়োজনাৰ্থে, ন্যাস আৰু স্থায়ী নিধি সম্পত্তি অৰ্ন্তভূক্ত কৰি, অস্থাৱৰ বা স্থাৱৰ কোনো সম্পত্তি অৰ্জন, ধাৰণ আৰু পৰিচালনা কৰা আৰু নিস্পত্তি কৰা;

(xxv) বিশ্ববিদ্যালয়ৰ প্ৰয়োজনাৰ্থে, বিশ্ববিদ্যালয়ৰ সম্পত্তিৰ প্ৰতিভূতিৰ ওপৰত কেন্দ্ৰীয় চৰকাৰৰ পূৰ্ব্ব সংমোদনসহ ধন ধাৰ লোৱা আৰু

(xxvi) ইয়াৰ উদ্দেশ্য সমূহৰ সকলো বা যি কোনোটোৰ প্ৰাপ্তিত আৱশ্যকীয়, আনুসঙ্গিক বা সহায়ক হোৱা এনে আন সকলো কাৰ্য্য আৰু কৰ্ম্ম কৰা;

(২) উপ-ধাৰা (১) ত নিৰ্দ্দেশিত ইয়াৰ ক্ষমতাৰ প্ৰয়োগত, শিক্ষণ, আৰু গৱেষণাৰ সৰ্ব্বভাৰতীয় চৰিত্ৰ আৰু উন্নত মানদণ্ড বজাই ৰাখিবলৈ বিশ্ববিদ্যালয়ৰ প্ৰয়াস হ'ব আৰু বিশ্ববিদ্যালয়ে উক্ত প্ৰয়োজনৰ বাবে আৱশ্যকীয় হোৱা আন ব্যৱস্থাসমূহৰ মাজৰ পৰা বিশেষতঃ নিম্নলিখিত ব্যৱস্থা সমূহ গ্ৰহণ কৰিব অৰ্থাৎ ঃ-

(i) ছাত্ৰসকলৰ নামভৰ্ত্তিকৰণ আৰু শিক্ষা বিভাগৰ ভৰ্ত্তিকৰণ সৰ্ব্বভাৰয়ীয় আধাৰত কৰা হ'ব;

(ii) ছাত্ৰসকলৰ নাম ভৰ্ত্তিকৰণ যোগ্যতাত কৰা হ'ব, বিশ্ববিদ্যালয়ৰ বা আন বিশ্ববিদ্যালয়ৰ সহযোগত ব্যক্তিগত ভাৱে পৰিচালিত সাধাৰণ প্ৰবেশিকা পৰীক্ষাৰ জৰিয়তে বা এনে পাঠ্যক্ৰমত পৰীক্ষা অৰ্হতাত প্ৰাপ্ত নম্বৰৰ আধাৰত কৰা হ'ব য'ত ছাত্ৰসকলৰ পৰিমাণ কম হয় ;

(iii) লঘু পেঞ্চন আৰু জেষ্ঠতাৰ সুৰক্ষা সহ আন্তঃবিশ্ববিদ্যালয় শিক্ষা বিভাগক অনুপ্ৰাৰিত কৰা হ'ব ;

(iv) ষান্মাসিক ব্যৱস্থা, নিৰন্তৰ মূল্যাঙ্কন আৰু বাচনিৰ আধাৰত স্বীকৃতিৰ ব্যৱস্থা প্ৰবৰ্ত্তন কৰা হ'ব আৰু বিশ্ববিদ্যালয়ে জমা অন্তৰণ আৰু যুটীয়া ডিগ্ৰী কাৰ্য্যক্ৰমৰ বাবে আন বিশ্ববিদ্যালয় আৰু শৈক্ষিক প্ৰতিষ্ঠানৰ সৈতে চুক্তিত প্ৰবিষ্টি হ'ব;

(v) নৱপ্ৰৱৰ্ত্তণমূলক পাঠ্যক্ৰম আৰু অধ্যয়নৰ কাৰ্য্যক্ৰম, সাময়িক পুনৰীক্ষণ আৰু পুনৰ গঠনৰ বাবে এটা উপবন্ধ প্ৰৱৰ্ত্তন কৰা হ'ব ;

(vi) ছাত্ৰসকলৰ সক্ৰিয় অংশগ্ৰহণক, শিক্ষকৰ মূল্যাঙ্কণক অৰ্ন্তভূক্ত কৰি বিশ্ববিদ্যালয়ৰ সকলো শৈক্ষিক কাৰ্য্যকলাপ সুনিশ্চিত কৰা হ'ব ;

(vii) প্ৰত্যায়ণ, ৰাষ্ট্ৰীয় নিৰ্দ্ধাৰণ আৰু প্ৰত্যায়ণ পৰিক্ষণ বা ৰাষ্ট্ৰীয় স্তৰত কোনো আন প্ৰত্যায়ণ এজেন্সি পৰা প্ৰাপ্ত কৰা হ'ব ; আৰু

(viii) ই শাসন, এটা প্ৰভাৱী পৰিচালন তথ্য ব্যৱস্থাসহ প্ৰৱৰ্তণ কৰা হ'ব।

*বিশ্ববিদ্যালয়, সকলো জাতি, ধৰ্মমত, প্ৰজাতি বা শ্ৰেণীৰ বাবে মুকলি থাকিব।*

৭। বিশ্ববিদ্যালয়, উভয় লিঙ্গঁৰ ব্যক্তিলৈ আৰু জাতি, ধৰ্ম্মমত, প্ৰজাতি বা শ্ৰেণীৰ যিয়েই নহওঁক, ব্যক্তিসকললৈ মুকলি থাকিব আৰু বিশ্ববিদ্যালয়ৰ এজন শিক্ষকৰূপে নিয়োজিত হোৱা বুলি তেওঁক হক্‌দাৰ কৰিবলৈ বা তাত কোনো আন পদধাৰণ কৰিবলৈ বা বিশ্ববিদ্যালয়ত এজন শিক্ষাৰ্থীৰূপে নামভৰ্ত্তি কৰিবলৈ বা স্নাতক হবলৈ বা তাৰ কোনো বিশেষাধিকাৰ উপভোগ বা কাৰ্য্যকৰী কৰিবলৈ, ধৰ্ম্মীয় বিশ্বাস বা বৃত্তিৰ যিয়েই নহওক কোনো পৰীক্ষণ কোনো ব্যক্তিৰ ওপৰত গ্ৰহণ বা আৰোপন কৰাটো বিধিপূৰ্ণ নহব ঃ

পৰন্তু এই ধাৰাৰ কোনো কথাই, মহিলা, অক্ষম ব্যক্তি বা সমাজৰ দুৰ্ব্বল শ্ৰেণীৰ ব্যক্তি আৰু বিশেষত ঃ অনুসুচিত জাতি, অনুসুচিত জনজাতি আৰু আন সামাজিক ভাবে আৰু শিক্ষাগত ভাবে পিচপৰা ভাবে নগৰিকৰ শ্ৰেণীৰ নিয়োজন বা নামভৰ্তিকৰণৰ বাবে বিশেষ উপবন্ধাৱলীৰ প্ৰণয়ন কৰাৰ পৰা বিশ্ববিদ্যালয়ক বাধা দিবলৈ গন্য নকৰিব;

উপৰোক্ত বাসস্থানৰ আধাৰত কোনো এনে বিশেষ উপবন্ধ প্ৰণয়ন কৰা নহব।

*বিশ্ববিদ্যালয়ৰ কুলাধ্যক্ষ।*

৮। (১) ভাৰতৰ ৰাষ্ট্ৰপতি বিশ্ববিদ্যালয়ৰ কুলাধ্যক্ষ হ'ব।

(২) কুলাধ্যক্ষই, সময়ে সময়ে, ইয়াৰ দ্বাৰা পৰিচালিত মহাবিদ্যালয়ত আৰু শিক্ষা প্ৰতিষ্ঠানক অৰ্ন্তভূক্ত কৰি বিশ্ববিদ্যালয়ৰ কৰ্ম্ম আৰু প্ৰগতিক পুনৰীক্ষণ কৰিবলৈ আৰু তাৰ ওপৰত এখন প্ৰতিবেদন দাখিল কৰিবলৈ এজন বা ততোধিক ব্যক্তি নিযুক্তি দিব পাৰে আৰু সেঁই প্ৰতিবেদনৰ প্ৰাপ্তিত কুলাধ্যক্ষই উপাচাৰ্য্যৰ যোগেদি ইয়াৰ ওপৰত কাৰ্য্যনিৰ্ব্বাহক পৰিষদৰ মতামত প্ৰাপ্ত কৰাৰ পিচত প্ৰতিবেদনৰ সৈতে সংব্যৱহৃত বিষয় সমূহৰ যিকোনোটোৰ সম্বন্ধত তেওঁ আৱশ্যকীয় বিবেচনা কৰা দৰে এনে কাৰ্য্য ব্যৱস্থা গ্ৰহণ কৰিব পাৰে আৰু এনে নিৰ্দ্দেশনাৱলী জাৰী কৰিব পাৰে আৰু বিশ্ববিদ্যালয়ে এনে কাৰ্য্যব্যৱস্থা মানি চলিব আৰু এনে নিৰ্দ্দেশনাৱলী পালন কৰিবলৈ বাধ্য হ'ব।

(৩) কুলাধ্যক্ষৰ, তেওঁ নিৰ্দ্দেশ দিয়া দৰে, এনে ব্যক্তি বা ব্যক্তিসমূহৰ দ্বাৰা বিশ্ববিদ্যালয় ইয়াৰ ভৱন, গ্ৰন্থাগাৰ, গৱেষণাগাৰ আৰু সা-সজুলি আৰু বিশ্ববিদ্যালয়ৰ দ্বাৰা পৰিচালিত

কোনো মহাবিদ্যালয় বা শিক্ষা প্ৰতিষ্ঠান ; আৰু বিশ্ববিদ্যালয়ৰ দ্বাৰা পৰিচালিত বা কৰা পৰীক্ষা, শিক্ষণ আৰু আন কাৰ্য্যৰো পৰিদৰ্শন কৰিবলৈ আৰু বিশ্ববিদ্যালয়, মহাবিদ্যালয় বা শিক্ষা প্ৰতিষ্ঠানৰ প্ৰশাসনিক বা বিত্তৰ সৈতে জড়িত কোনো বিষয়ৰ সম্বন্ধত সদৃশ ৰীতিত এটা অনুসন্ধান কৰাৰ অধিকাৰ থাকিব।

(৪) কুলাধ্যক্ষই উপ- ধাৰা (৩) ত নিৰ্দ্দেশিত প্ৰত্যেক বিষয়ত এটা পৰিদৰ্শন বা অনুসন্ধান কৰাৰ তেওঁৰ অভিপ্ৰায়ৰ কথা বিশ্ববিদ্যালয়ক সূচিত কৰিব আৰু বিশ্ববিদ্যালয়ৰ, ই আৱশ্যকীয় বিবেচনাকৰা দৰে, কুলধ্যক্ষলৈ এনে নিবেদন কৰাৰ অধিকাৰ থাকিব।

(৫) বিশ্ববিদ্যলয়ৰ দ্বাৰা নিৱেদন বিবেচনা কৰাৰ পিচত যদি কিবা থাকে, কুলাধ্যক্ষই উপ-ধৰা (৩) ত নিৰ্দ্দেশিত কৰা দৰে এনে পৰিদৰ্শন বা অনুসন্ধান কৰিবলৈ কাৰিত কৰিব পাৰে।

(৬) য'ত কুলধ্যক্ষৰ দ্বাৰা কোনো পৰিদৰ্শন বা অনুসন্ধান কৰা বুলি কাৰিত হৈছে, বিশ্ববিদ্যালয়ে এজন প্ৰতিনিধি নিয়োগ কৰিবলৈ হকদ্বাৰ হ'ব, যাৰ এনে পৰিদৰ্শন বা অনুসন্ধানত উপস্থিত থাকিবলৈ আৰু শুনানি লোৱাৰ অধিকাৰ থাকিব।

(৭) যদি বিশ্ববিদ্যালয় বা ইয়াৰ দ্বাৰা পৰিচালিত কোনো মহাবিদ্যালয় বা শিক্ষা প্ৰতিষ্ঠানৰ সম্বন্ধত পৰিদৰ্শন বা অনুসন্ধান কৰা হয়, কুলাধ্যক্ষই, এনে মতসহ এনে পৰিদৰ্শন বা অনুসন্ধানৰ ফলাফলৰ সন্দৰ্ভত উপাধ্যক্ষক সম্বোদ্ধন কৰিব পাৰে আৰু ইয়াৰ ওপৰত লবলগীয়া কাৰ্য্যব্যৱস্থাৰ সম্বন্ধত উপদেশ দিব পাৰে যিদৰে কুলাধ্যক্ষই প্ৰস্তাৱ দিবলৈ আৰু কুলাধ্যক্ষৰ দ্বাৰা কৰা সম্বোদ্ধনৰ প্ৰাপ্তিত সন্তুষ্ট হয় কুলাধক্ষই ইয়াৰ ওপৰত লবলগীয়া কাৰ্য্যব্যৱস্থাৰ ওপৰত প্ৰস্তাৱ দিয়া দৰে এনে উপদেশসহ কুলাধ্যক্ষৰ মতামতক উপাচাৰ্য্যই কাৰ্য্যনিৰ্বাহক পৰিষদলৈ যোগাযোগ কৰিব।

(৮) কাৰ্য্যনিৰ্বাহক পৰিষদে, এনে কাৰ্য্যব্যৱস্থা যদি কিবা থাকে, কুলাধ্যক্ষলৈ উপাচাৰ্য্যৰ জৰিয়তে যোগাযোগ কৰিব, যিদৰে ই এনে পৰিদৰ্শন বা অনুসন্ধানৰ ফলাফলৰ ওপৰত ল'বলৈ প্ৰস্তাৱ কৰে বা লয়।

(৯) য'ত কাৰ্য্যনিৰ্বাহক পৰিষদে এটা যুক্তিসন্মত সময়ৰ ভিতৰত কুলাধ্যক্ষৰ সন্তুষ্টিলৈ কাৰ্য্যব্যৱস্থা নলয়, তেতিয়া কুলাধ্যক্ষই কাৰ্য্যনিৰ্বাহক পৰিষদৰ দ্বাৰা দিয়া কোনো স্পষ্টীকৰণ বা কৰা নিবেদন বিবেচনা কৰাৰ পিচত এনে নিৰ্দ্দেশনা জাৰী কৰিব পাৰে, যিদৰে তেওঁ উচিত বুলি ভাবে আৰু কাৰ্য্যনিৰ্ব্বাহক পৰিষদে এনে নিৰ্দেশনা পালন কৰিব।

(১০) এই ধাৰাৰ পূৰ্ব্বগামী উপবন্ধৰ প্ৰতিকুল নোহোৱাকৈ কুলধ্যক্ষই, লিখিত আদেশৰ দ্বাৰা, বিশ্ববিদ্যালয়ৰ কোনো কাৰ্য্যবাহী ৰদ্ কৰিব পাৰে যিটো এই অধিনিয়ম, পৰিনিয়ম, বা অধ্যাদেশৰ সুসঙ্গত নহয়ঃ

পৰন্তু এনে কোনো আদেশ কৰাৰ পূৰ্বে, তেওঁ, কিয় এনে এটা আদেশ কৰা নহব তাৰ কাৰণ দৰ্শাবলৈ পঞ্জীয়কক আহ্বান কৰিব তাৰ যদিহে কোনো এটা যুক্তি সঙ্গত সময়ৰ ভিতৰত কোনো কাৰণ দেখুৱা হয়, তেওঁ সেই একে বোৰক বিবেচনা কৰিব।

(১১) কুলাধ্যক্ষৰ, পৰিনিয়মৰ দ্বাৰা বিহিত কৰা এনে আন ক্ষমতাসমূহ থাকিব।

*বিশ্ববিদ্যালয়ৰ পদাধিকাৰী।*

৯। নিম্নলিখিত সমূহ বিশ্ববিদ্যালয়ৰ পদাধিকাৰী হ'ব, অৰ্থাৎ ঃ-

(১) আচাৰ্য্য ;

(২) উপাচাৰ্য্য ;

(৩) প্ৰতি উপাচাৰ্য্য ;

(৪) বিদ্যালয়ৰ ডীন ;

(৫) পঞ্জীয়ক ;

(৬) বিত্ত পদাধিকাৰী ;

(৭) পৰীক্ষা নিয়ন্ত্ৰক ;

(৮) গ্ৰন্থাগাৰক ; আৰু

(৯) পৰিনিয়মৰ দ্বাৰা বিশ্ববিদ্যালয়ৰ পদাধিকাৰী বুলি ঘোষণা কৰা এনে আন পদাধিকাৰী।

*আচাৰ্য্য*

১০। (১) আচাৰ্য্যক পৰিনিয়মৰ দ্বাৰা বিহিত কৰা এনে ৰীতিত কুলাধ্যক্ষৰ দ্বাৰা নিয়োজিত কৰা হ'ব।

(২) আচাৰ্য্যই, তেওঁৰ পদৰ বলত বিশ্ববিদ্যালয়ৰ মুৰব্বী হ'ব আৰু যদি উপস্থিত থাকে, ডিগ্ৰী প্ৰদানৰ বাবে অনুস্থিত বিশ্ববিদ্যালয়ৰ সমাবৰ্ত্তন আৰু সাদৰ বৈঠকত সভাপতিত্ব কৰিব।

*উপাচাৰ্য্য*

১১। (১) উপাচাৰ্য্য, পৰিনিয়মৰ দ্বাৰা বিহিত কৰা এনে ৰীতিত কুলাধ্যক্ষৰ দ্বাৰা নিয়োজিত কৰা হ'ব।

(২) উপাচাৰ্য্য, বিশ্ববিদ্যালয়ৰ মুখ্য কাৰ্য্যনিৰ্ব্বাহক আৰু শৈক্ষিক পদাধিকাৰী হ'ব আৰু বিশ্ববিদ্যালয়ৰ কাৰ্য্যকলাপৰ ওপৰত সাধাৰণ পৰ্য্যবেক্ষণ আৰু নিয়ন্ত্ৰণ কাৰ্য্যকৰী কৰিব আৰু বিশ্ববিদ্যালয়ৰ সকলো প্ৰাধিকাৰীৰ বিনিশ্চয়ক প্ৰভাৱী কৰিব।

(৩) উপাচাৰ্য্যই, যদিহে তেওঁ কোনো বিষয়ৰ ওপৰত তৎকালিক কাৰ্য্যব্যৱস্থা লোৱাতো আৱশ্যকীয় বুলি মত পোষণ কৰে এই অধিনিয়মৰ দ্বাৰা বা অধীনত বিশ্ববিদ্যালয়ৰ কোনো প্ৰাধিকাৰীৰ ওপৰত প্ৰদত্ত কোনো ক্ষমতা কাৰ্য্যকৰী কৰিব পাৰে আৰু এনে বিষয়ৰ ওপৰত তেওঁৰ দ্বাৰা লোৱা কাৰ্য্যব্যৱস্থা ইয়াৰ পৰবৰ্ত্তী সভাত এনে প্ৰাধিকাৰীলৈ প্ৰতিবেদন দিবঃ

পৰন্তু যদিহে সংশ্লিষ্ট প্ৰাধিকাৰীৰ এই মত হয় যে এনে কাৰ্য্যব্যৱস্থা লোৱাটো উচিত হোৱা নাই'ই, বিষয়টো কুলাধ্যক্ষলৈ প্ৰেৰণ কৰিব পাৰে ইয়াৰ ওপৰত যাৰ বিনিশ্চয় চুড়ান্ত হ'বঃ

উপৰন্তু এই উপ-ধাৰাৰ অধীনত উপাচাৰ্য্যৰ দ্বাৰা লোৱা কাৰ্য্যব্যৱস্থাৰ দ্বাৰা ব্যথিত বিশ্ববিদ্যালয়ৰ সেৱাত থকা কোনো ব্যক্তিৰ, এনে কাৰ্য্যব্যৱস্থাৰ ওপৰত লোৱা বিনিশ্চয় তেওঁক জনোৱা তাৰিখৰ পৰা তিনিমাহৰ ভিতৰত কাৰ্য্যনিৰ্ব্বাহক পৰিষদলৈ এনে কাৰ্য্যব্যৱস্থাৰ বিৰুদ্ধে প্ৰতিবেদন দিয়াৰ অধিকাৰ থাকিব আৰু ইয়াৰ ওপৰত কাৰ্য্যনিৰ্ব্বাহক পৰিষদে, উপাচাৰ্য্যৰ দ্বাৰা লোৱা কাৰ্য্যব্যৱস্থাৰ দৃঢ় ৰূপান্তৰ বা প্ৰত্যাবৰ্ত্তণ কৰিব পাৰে।

**কেন্দ্ৰীয় বিশ্ববিদ্যালয় অধিনিয়ম, ২০০৯**

(৪) উপাচাৰ্য্যই, যদিহে তেওঁৰ এই মত হয় যে বিশ্ববিদ্যালয়ৰ কোনো প্ৰাধিকাৰীৰ কোনো বিনিশ্চয়, এই অধিনিয়মৰ উপাৱন্ধাৱলী, পৰিনিয়ম বা অধ্যাদেশৰ দ্বাৰা প্ৰদত্ত ক্ষমতাৰ বাহিৰত হয় বা লোৱা কোনো বিনিশ্চয় বিশ্ববিদ্যালয়ৰ হিতত নহয়, এনে বিনিশ্চয়ৰ ষাঠিদিনৰ ভিতৰত ইয়াৰ বিনিশ্চয়ৰ পুনৰীক্ষণ কৰিবলৈ সংশ্লিষ্ঠ প্ৰাধিকাৰীক বিচাৰিব পাৰে আৰু যদিহে উক্ত ষাঠিদিন কালৰ ভিতৰত প্ৰাধিকাৰীয়ে বিনিশ্চয় সম্পূৰ্ণ বা আংশিকভাবে পুনৰীক্ষণ কৰিবলৈ প্ৰত্যাখ্যান কৰে বা কোনো বিনিশ্চয় লোৱা নহয়, তেতীয়া বিষয়টো কুলাধ্যক্ষলৈ প্ৰেৰণ কৰা হ'ব ইয়াৰ ওপৰত যাৰ বিনিশ্চয় চুড়ান্ত হ'ব।

(৫) উপাচাৰ্য্যই, পৰিনিয়ম বা অধ্যাদেশৰ দ্বাৰা বিহিত কৰা এনে আন ক্ষমতাসমূহ কাৰ্য্যকাৰী কৰিব আৰু এনে আন কৰ্ত্তব্যসমূহ সম্পাদন কৰিব।

*প্ৰতি উপাচাৰ্য্য*

১২। প্ৰতি উপাচাৰ্য্যক পৰিনিয়মৰ দ্বাৰা বিহিত কৰা এনে ৰীতিত আৰু সেৱাৰ এনে নিবন্ধন আৰু চৰ্ত্তাৱলীত নিয়োজিত কৰা হ'ব আৰু এনে ক্ষমতা কাৰ্য্যকৰী কৰিব আৰু এনে কৰ্ত্তব্য সম্পাদন কৰিব।

*বিদ্যালয়ৰ ডীন*

১৩। বিদ্যালয়ৰ প্ৰত্যেক ডীনক পৰিনিয়মত বিহিত কৰা এনে ৰীতিত নিয়োজিত কৰা হ'ব আৰু এনে ক্ষমতা কাৰ্য্যকৰী কৰিব আৰু এনে কৰ্ত্তব্য সম্পাদন কৰিব।

*পঞ্জীয়ক*

১৪। (১) পঞ্জীয়ক পৰিনিয়মৰ দ্বাৰা বিহিত কৰা এনে ৰীতিত আৰু সেৱাৰ এনে নিৰন্ধন আৰু চৰ্ত্তাৱলীৰ ওপৰত নিয়োজিত কৰা হ'ব।

(২) পঞ্জীয়কৰ, বিশ্ববিদ্যালয়ৰহকে চুক্তিত প্ৰবিষ্ট হোৱাৰ দস্তাবেজ স্বাক্ষৰ কৰাৰ আৰু নথি অধিপ্ৰমানিত কৰাৰ ক্ষমতা থাকিব আৰু পৰিনিয়মৰ দ্বাৰা বিহিত কৰা এনে ক্ষমতা কাৰ্য্যকৰী কৰিব আৰু এনে কৰ্ত্তব্য সম্পাদন কৰিব।

*বিত্ত পদাধিকাৰী*

১৫। বিত্ত পদাধিকাৰীক পৰিনিয়মৰ দ্বাৰা বিহিত কৰা এনে ৰীতিত নিয়োজিত কৰা হ'ব আৰু এনে ক্ষমতা কাৰ্য্যকৰী কৰিব আৰু এনে কৰ্ত্তব্য সম্পাদন কৰিব।

*পৰীক্ষা নিয়ন্ত্ৰক*

১৬। পৰীক্ষা নিয়ন্ত্ৰকক পৰিনিয়মৰ দ্বাৰা বিহিত কৰা এনে ৰীতিত নিয়োজিত কৰা হ'ব আৰু এনে ক্ষমতা কাৰ্য্যকৰী কৰিব আৰু এনে কৰ্ত্তব্য সম্পাদন কৰিব।

*গ্ৰন্থাগাৰক*

১৭। গ্ৰন্থাগাৰকক পৰিনিয়মৰ দ্বাৰা বিহিত কৰা এনে ৰীতিত আৰু সেৱাৰ এনে নিৰন্ধন আৰু চৰ্ত্তাবলীত নিয়োজিত কৰা হ'ব আৰু এনে ক্ষমতা কাৰ্য্যকৰী কৰিব আৰু এনে কৰ্ত্তব্য সম্পাদন কৰিব।

*আন পদাধিকাৰী*

১৮। বিশ্ববিদ্যালয়ৰ আন পদাধিকাৰীৰ নিযুক্তিৰ ৰীতি আৰু ক্ষমতা আৰু কৰ্ত্তব্য পৰিনিয়মৰ দ্বাৰা বিহিত কৰা হ'ব।

*বিশ্ববিদ্যালয়ৰ প্ৰাধিকৰণ*

১৯। নিম্নলিখিত সমূহ বিশ্ববিদ্যালয়ৰ প্ৰাধিকৰণ হ'ব

অৰ্থাৎঃ-

(১) সভা ;

(২) কাৰ্য্যনিৰ্ব্বাহক পৰিষদ ;

(৩) শৈক্ষিক পৰিষদ ;

(৪) অধ্যয়ন বোৰ্ড ;

(৫) বিত্ত সমিতি ; আৰু

(৬) পৰিনিয়মৰ দ্বাৰা বিশ্ববিদ্যালয়ৰ প্ৰাধিকৰণ বুলি ঘোষিত হোৱা এনে আন প্ৰাধিকৰণ

*সভা*

২০। (১) সভাৰ গঠন আৰু ইয়াৰ সদস্যসমূহৰ পদাবিধি পৰিনিয়মৰ দ্বাৰা বিহিত কৰা হ'ব ঃ

পৰন্তু পৰিনিয়মৰ দ্বাৰা বিহিত কৰা এনে সংখ্যক সদস্যক, বিশ্ববিদ্যালয়ৰ শিক্ষক কৰ্মচাৰীবৃন্দ আৰু ছাত্ৰ সকলৰ মাজৰ পৰা নিৰ্বাচিত কৰা হ'ব।

(২) এই অধিনিয়মৰ উপৰন্ধাৱলীৰ সাপেক্ষে, সভাৰ নিম্নলিখিত ক্ষমতা আৰু কৃত্য হ'ব অৰ্থাৎ ঃ-

(ক) সময়ে সময়ে বিশ্ববিদ্যালয়ৰ বোৰ্ড নীতি আৰু কাৰ্য্যক্ৰমৰ পুনৰীক্ষণ কৰা আৰু বিশ্ববিদ্যালয়ৰ উন্নতি আৰু উন্নয়নৰ বাবে ব্যৱস্থাৰ পৰামৰ্শ দিয়া।

(খ) বিশ্ববিদ্যালয়ৰ বাৰ্ষিক প্ৰতিবেদন আৰু বাৰ্ষিক হিচাপ আৰু এনে হিচাপৰ ওপৰত হিচাপ পৰীক্ষা প্ৰতিবেদনৰ প্ৰস্তাৱৰ বিবেচনা আৰু পাৰিত কৰা ঃ

(গ) কোনো বিষয়ৰ সম্বন্ধত কুলাধ্যক্ষক পৰামৰ্শ দিয়া যাক পৰামৰ্শৰ বাবে ইয়ালৈ প্ৰেৰণ কৰা হয় ঃ আৰু

(ঘ) পৰিনিয়মৰ দ্বাৰা বিহিত কৰা এনে আন কৃত্য সম্পাদন কৰা।

*কাৰ্য্য নিৰ্বাহক পৰিষদ।*

২১। (১) কাৰ্য্যনিৰ্ব্বাহক পৰিষদ, বিশ্ববিদ্যালয়ৰ মুখ্য কাৰ্য্যনিৰ্ব্বাহক নিকায় হ'ব ।

(২) কাৰ্য্যনিব্বাহক পৰিষদৰ গঠন, ইয়াৰ সদস্যসমূহৰ পদাবধি আৰু ইয়াৰ ক্ষমতা আৰু ইয়াৰ ক্ষমতা আৰু কৃত্য পৰিনিয়মৰ দ্বাৰা বিহিত কৰা হ'ব ঃ

পৰন্তু পৰিনিয়মৰ দ্বাৰা বিহিত কৰা এনে সংখ্যক সদস্যক সভাৰ নিৰ্ব্বাচিত সদস্যসমূহৰ মাজৰ পৰা লোৱা হ'ব।

*শৈক্ষিক পৰিষদ*

২২। (১) শৈক্ষিক পৰিষদ, বিশ্ববিদ্যালয়ৰ মুখ্য শৈক্ষিক নিকায় হ'ব আৰু এই অধিনিয়মৰ উপৰন্ধাৱলী পৰিনিয়ম আৰু অধ্যাদেশৰ সাপেক্ষে বিশ্ববিদ্যালয়ৰ শৈক্ষিক নীতিসমূহৰ ওপৰত সমন্বয় আৰু সাধাৰণ পৰ্য্যবেক্ষণ কাৰ্য্যকৰী কৰিব।

(২) শৈক্ষিক পৰিষদৰ গঠন, ইয়াৰ সদস্যসমূহৰ পদবধি আৰু ইয়াৰ ক্ষমতা আৰু কৃত্য পৰিনিয়মৰ দ্বাৰা বিহিত কৰা হ'ব।

পৰন্তু পৰিনিয়মৰ দ্বাৰা বিহিতকৰা এনে সমখ্যক সম্যক সভাৰ নিৰ্বাচিত সদস্যসমূহৰ মাজৰ পৰা লোৱা হ'ব ;

*অধ্যয়ন বোৰ্ড*

২৩। অধ্যয়ন বোৰ্ডৰ গঠন, ক্ষমতা আৰু কৃত্য পৰিনিয়মৰ দ্বাৰা বিহিত কৰা হ'ব।

*বিত্তসমিতি*

২৪। বিত্ত সমিতিৰ গঠন, ক্ষমতা আৰু কৃত্য পৰিনিয়মৰ দ্বাৰা বিহিত কৰা হ'ব।

*বিশ্ববিদ্যালয়ৰ আন প্ৰাধিকৰণ*

২৫। পৰিনিয়মৰ দ্বাৰা বিশ্ববিদ্যালয়ৰ প্ৰাধিকৰণ বুলি ঘোষিত আন প্ৰাধিকৰণ সমূহৰ গঠন, ক্ষমতা আৰু কৃত্য পৰিনিয়মৰ দ্বাৰা বিহিত কৰা হ'ব।

*পৰিনিয়ম প্ৰণয়ন কৰাৰ ক্ষমতা*

২৬। এই অধিনিয়মৰ উপৱন্ধাৱলীৰ সাপেক্ষে, পৰিনিয়মে নিম্নলিখিত বিষয়সমূহৰ সকলো বা যি কোনোটোৰ বাবে উপৱন্ধ কৰিব পাৰে, অৰ্থাৎ ঃ-

(ক) সময়ে সময়ে গঠিত হোৱা বিশ্ববিদ্যালয়ৰ প্ৰাধিকৰণ আৰু আন নিকায়ৰ গঠন, ক্ষমতা আৰু কৃত্য;

(খ) উক্ত প্ৰাধিকৰণ আৰু নিকায় সদস্যসমূহৰ নিযুক্তি আৰু পদৰ নিৰন্তৰতা, সদস্যসমূহৰ পদৰিক্তিৰ পূৰণ আৰু সেই প্ৰাধিকৰণ আৰু আন নিকায়ৰ সম্পৰ্কিত আন সকলো বিষয়সমূহ যাৰ বাবে ই উপবন্ধ কৰাটো আৱশ্যকীয় বা বাঞ্চনীয় হয় ;

(গ) বিশ্ববিদ্যালয়ৰ পদাধিকাৰীৰ নিযুক্তি, ক্ষমতা আৰু কৰ্ত্তব্য আৰু তেওঁলোকৰ পৰিভূতি ;

(ঘ) বিশ্ববিদ্যালয়ৰ শিক্ষক, শৈক্ষিক কৰ্ম্মীবৃন্দ আৰু আন কৰ্ম্মচাৰীৰ নিযুক্তি, তেওঁলোকৰ পৰিভূতি আৰু সেৱাৰ চৰ্ত্তাৱলী ;

(ঙ) এটা যুটীয়া প্ৰকল্প গ্ৰহণ কৰাৰ বাবে এটা বিনিৰ্দ্দিষ্ট সময়ৰ বাবে কোনো আন বিশ্ববিদ্যালয় বা সংগঠনত কৰ্ত্তব্যত শিক্ষক আৰু শৈক্ষিক কৰ্ম্মীবৃন্দৰ নিযুক্তি ;

(চ) পেঞ্চন, বীমা, ভবিষ্যনিধিৰ উপৱন্ধ, সেৱাৰ সমাপ্তিৰ ৰীতি আৰু অনুশাসনিক কাৰ্য্য ব্যৱস্থাক অন্তভূক্ত কৰি কৰ্ম্মচাৰীবৃন্দৰ সেৱাৰ চৰ্ত্তাৱলী ;

(ছ) বিশ্ববিদ্যালয়ৰ কৰ্ম্মচাৰীবৃন্দৰ সেৱাৰ জ্যেষ্ঠতা পৰিচালিত কৰা নীতি ;

(জ) কৰ্ম্মচাৰী বা ছাত্ৰ আৰু বিশ্ববিদ্যালয়ৰ মাজত বিবাদৰ ক্ষেত্ৰত মধ্যস্থতাৰ বাবে প্ৰক্ৰিয়া ;

(ঝ) বিশ্ববিদ্যালয়ৰ কোনো পদাধিকাৰী বা প্ৰাধিকাৰীৰ কাৰ্য্য ব্যৱস্থাৰ বিৰুদ্ধে কোনো কৰ্ম্মচাৰী বা ছাত্ৰৰ দ্বাৰা কাৰ্য্যনিৰ্ব্বাহক পৰিষদলৈ আপীল কৰা প্ৰক্ৰিয়া ;

(ঞ) এখন মহাবিদ্যালয় বা এখন শিক্ষা প্ৰতিষ্ঠান বা এটা বিভাগত স্বায়ত্ত্ব স্থিতিৰ প্ৰদান কৰা ;

(ট) বিদ্যালয়, বিভাগ, কেন্দ্ৰ, ছাত্ৰবাস, মহাবিদ্যালয় আৰু শিক্ষা প্ৰতিষ্ঠানৰ স্থাপন আৰু বাতিল কৰণ ;

(ঠ) সন্মানিক ডিগ্ৰী প্ৰদান কৰা ;

(ড) ডিগ্ৰী, উপাধিপত্ৰ, প্ৰমাণপত্ৰ আৰু আন শৈক্ষিক বিদ্যা সম্বন্ধীয় উপাধিৰ প্ৰত্যাহাৰ ;

(ঢ) বিশ্ববিদ্যালয়ৰ দ্বাৰা স্থাপিত মহাবিদ্যালয় আৰু শিক্ষা প্ৰতিষ্ঠানৰ পৰিচালনা ;

(ণ) বিশ্ববিদ্যালয়ৰ প্ৰাধিকাৰী বা পদাধিকাৰী সকলত ন্যস্ত হোৱা ক্ষমতাৰ আৰোপণ ;

(ত) কৰ্ম্মচাৰী আৰু ছাত্ৰসকলৰ মাজত অনুশাসন ৰক্ষা কৰা ; আৰু

(থ) এই অধিনিয়মৰ দ্বাৰা আন সকলো বিষয় যাক পৰিনিয়মৰ দ্বাৰা উপবন্ধিত কৰা হয় বা কৰিব পাৰে ।

*পৰিনিয়ম কেনেকৈ প্ৰণয়ন কৰা হ'ব*

২৭। (১) এই অধিনিয়মৰ দ্বিতীয় অনুসূচীত বৰ্নিত কৰা বোৰ প্ৰথম অনুসূচী ।

(২) কাৰ্য্যনিৰ্ব্বাহক পৰিষদে, সময়ে সময়ে, নতুন বা অতিৰিক্ত পৰিনিয়ম প্ৰণয়ন কৰিব পাৰে বা উপ-ধাৰা (১) ত নিৰ্দেশিত পৰিনিয়ম সংশোধন বা নিৰসন কৰিব পাৰে ঃ

পৰন্তু কাৰ্য্যনিৰ্ব্বাহক পৰিষদে, বিশ্ববিদ্যালয়ৰ কোনো প্ৰাধিকৰণৰ স্থিতি, ক্ষমতা বা গঠনক প্ৰভাৱী কৰা কোনো পৰিনিয়ম প্ৰণয়ন, সংশোধন বা নিৰসন নকৰিব যি পৰ্যন্ত এনে প্ৰাধিকাৰীক প্ৰস্তাবিত পৰিবৰ্ত্তনৰ ওপৰত লিখিত ভাবে এটা অভিমত অভিব্যক্ত কৰাৰ এটা সুযোগ দিয়া নহয় আৰু এনেদৰে অভিব্যক্ত কৰা কোনো অভিমতক কাৰ্য্যনিৰ্ব্বাহক পৰিষদৰ দ্বাৰা বিবেচনা কৰা হ'ব।

(৩) প্ৰত্যেক নতুন পৰিনিয়ম বা পৰিনিয়মৰ অতিৰিক্ত বা এটা পৰিনিয়মৰ কোনো সংশোধন বা নিৰসনে কুলাধ্যক্ষৰ সন্মতিক অপেক্ষা কৰিব যিয়ে তাত সন্মতি প্ৰদান কৰিব পাৰে বা সন্মতি প্ৰত্যাহাৰ কৰিব পাৰে বা পুনৰ বিবেচনাৰ বা কাৰ্য্যনিৰ্ব্বাহক পৰিষদলৈ প্ৰেৰণ কৰিব পাৰে।

(৪) এটা নতুন পৰিনিয়ম বা এটা বিদ্যমান পৰিনিয়মক সংশোধন বা নিৰসন কৰা এটা পৰিনিয়মৰ কোনো বৈধ্যতা নাথাকিব যিপৰ্য্যন্ত ই, কুলাধ্যক্ষৰ দ্বাৰা সন্মতি প্ৰাপ্ত নহয়।

(৫) পূৰ্বগামী উপ-ধাৰাত কোনো কথা থকা স্বত্বেও, কুলাধ্যক্ষই এই অধিনিয়মৰ প্ৰাৰম্ভৰ তৎকালীন পশ্চাৎ তিনি বছৰৰ এটা কালৰ ভিতৰত উপ-ধাৰা (১) ত নিৰ্দ্দেশিত এটা নতুন বা অতিৰিক্ত পৰিনিয়ম প্ৰণয়ন কৰিব পাৰে বা পৰিনিয়ম সংশোধন বা নিৰসন কৰিব পাৰে ঃ

পৰন্তু কুলাধ্যক্ষই, তিনিবছৰ উক্ত অবসানত, এনে অবসানৰ তাৰিখৰ পৰা এবছৰৰ ভিতৰত তেওঁ আৱশ্যকীয় বিবেচনা কৰা দৰে এনে সবিশেষ পৰিনিয়মক সংসদৰ উভয় সদনত উত্থাপিত কৰা হ'ব।

(৬) এই ধাৰাত কোনো কথা থকা সত্বেও, কুলাধ্যক্ষই তেওঁৰ দ্বাৰা বিনিৰ্দ্দিষ্ট কৰা কোনো বিষয়ৰ সম্বন্ধত পৰিনিয়মৰ উপৰন্ধাবলীৰ প্ৰনয়ণ কৰিবলৈ বিশ্ববিদ্যালয়ক নিৰ্দ্দেশ দিব পাৰে আৰু যদি কাৰ্য্যনিৰ্ব্বাহক পৰিষদে ইয়াৰ প্ৰাপ্তিৰ ষাঠি দিনৰ ভিতৰত এনে নিৰ্দ্দেশনা প্ৰয়োগ কৰিবলৈ অসমৰ্থ হয়, তেতিয়া কুলাধ্যক্ষই, এনে নিৰ্দ্দেশনা পালনৰ ইয়াৰ অসমৰ্থতা কাৰ্য্যনিৰ্ব্বাহক পৰিষদৰ দ্বাৰা সূচিত কৰা কাৰণ সমূহ যদি কিবা থাকে, তাক বিবেচনা কৰাৰ পিচত উচিত ভাবে পৰিনিয়মৰ প্ৰনয়ণ বা সংশোধন কৰিব পাৰে ।

*অধ্যাদেশ প্ৰণয়ন কৰাৰ ক্ষমতা*

২৮। (১) এই অধিনিয়ম আৰু পৰিনিয়মৰ উপৰন্ধাৱলীৰ সাপেক্ষে অধ্যাদেশ সমূহ নিম্নলিখিত বিষয়সমূহৰ সকলো বা যিকোনোটোৰ বাবে উপবন্ধ কৰিব পাৰে, অৰ্থাৎ ঃ

(ক) বিশ্ববিদ্যালয়ত ছাত্ৰসকলৰ ভৰ্ত্তিকৰণ আৰু এনেদৰে তেওঁলোকৰ নাম ভৰ্ত্তিকৰণ;

(খ) 'বিশ্ববিদ্যালয়ৰ সকলো ডিগ্ৰী, উপাধিপত্ৰ আৰু প্ৰমাণপত্ৰৰ বাবে ব্যৱস্থা কৰা পাঠ্যক্ৰম ;

(গ). শিক্ষাৰ মাধ্যম আৰু পৰীক্ষা ;

(ঘ) ডিগ্ৰী, উপাধিপত্ৰ, প্ৰমাণপত্ৰ আৰু আন বিদ্যাসম্বন্ধীয় উপাধিৰ প্ৰদান সেইবোৰৰ বাবে অৰ্হতা আৰু সেইবোৰৰ মঞ্জুৰী আৰু প্ৰাপ্তিৰ সম্পৰ্কিত লবলগীয়া ব্যৱস্থা ;

(ঙ) বিশ্ববিদ্যালয়ত পাঠ্যক্ৰমৰ বাবে আৰু বিশ্ববিদ্যালয়ৰ পৰীক্ষা ডিগ্ৰী আৰু উপাধিপত্ৰৰ ভৰ্ত্তিকৰণৰ বাবে প্ৰভাবিত মাচুল ;

(চ) বৃত্তিভোগী সদস্যপদ, জ্ঞানবৃত্তি, ছাত্ৰবৃত্তি, মেদেল আৰু পুৰস্কাৰৰ বাবে চৰ্ত্তাৱলী;

(ছ) পৰীক্ষা নিকায়, পৰীক্ষক আৰু পৰীক্ষা নিয়ন্ত্ৰকৰ পদৱধি, নিযুক্তিৰ ৰীতি আৰু কৰ্ত্তব্য সমূহক অন্তভূক্ত কৰি পৰীক্ষা পৰিচালনা কৰা ;

(জ) বিশ্ববিদ্যালয়ৰ ছাত্ৰসকলৰ ছাত্ৰবাসৰ চৰ্ত্তাৱলী ;

(ঝ) আবাস গৃহৰ বাবে বিশেষ ব্যৱস্থা, যদি কিবা থাকে আৰু মহিলা ছাত্ৰীৰ শিক্ষণ আৰু তেওঁলোকৰ বাবে বিশেষ পাঠ্যক্ৰম বিহিত কৰা ;

(ঞ) অধ্যয়ন কেন্দ্ৰ, অধ্যয়ন বোৰ্ড, বিশেষজ্ঞ গবেষণাগাৰ আৰু সমিতিৰ স্থাপন ;

(ট) বিদ্বৎ নিকায় বা সংস্থাসমূহক অন্তৰ্ভূক্ত কৰি আন বিশ্ববিদ্যালয়, শিক্ষা প্ৰতিস্থান আৰু আন এজেঞ্চিসমূহৰ সৈতে সহযোগিতা আৰু সহযোগৰ ৰীতি ;

(ঠ) বিশ্ববিদ্যালয়ৰ শৈক্ষিক জীৱনৰ উন্নতিৰ বাবে আৱশ্যকীয় বুলি বিবেচিত হোৱা কোনো আন নিকায়ৰ সৃষ্টি, গঠন আৰু কৃত্য ;

(ড) বৃত্তভোগী সদস্যপদ, জ্ঞানবৃত্তি, ছাত্ৰবৃত্তি, মেদেল আৰু পুৰস্কাৰৰ শিক্ষা প্ৰতিষ্ঠান;

(ঢ) কৰ্ম্মচাৰী আৰু ছাত্ৰসকলৰ অভিযোগৰ প্ৰতিকাৰৰ বাবে এটা কাৰ্য্যসিদ্ধিৰ উপায় ব্যৱস্থা কৰা ; আৰু

(ণ) এই অধিনিয়মৰ বা পৰিনিয়মৰ দ্বাৰা আন সকলো বিষয় যাক অধ্যাদেশৰ বাবে উপবন্ধিত কৰা হয় বা কৰিব পাৰে।

(২) প্ৰথম অধ্যাদেশ, কাৰ্য্যনিৰ্ব্বাহক পৰিষদৰ পূৰ্ব্ব অনুমোদনসহ উপাচাৰ্য্যৰ দ্বাৰা প্ৰণয়ন কৰা হ'ব আৰু এনে দৰে প্ৰণীত অধ্যাদেশ পৰিনিয়মৰ দ্বাৰা বিহিত কৰা ৰীতিত কাৰ্য্যনিৰ্ব্বাহক পৰিষদৰ দ্বাৰা যিকোনো সময়তে সংশোধিত, নিৰসিত বা সংযোগ হ'ব পাৰে ঃ

*মধ্যপ্ৰদেশ অধিনিয়ম ১৯৭৩ৰ ২২ ৰ ৰাষ্ট্ৰপতিৰ অধিনিয়ম, ১৯৭৩ ৰ ১০*

পৰন্তু গুৰু ঘাচিদাস বিশ্ববিদ্যালয় আৰু ডক্টৰ হৰিসিং গৌড় বিশ্ববিদ্যালয়, আৰু হেমৱতী নন্দন বহুগুনা গাড়ৱাল বিশ্ববিদ্যালয়ৰ ক্ষেত্ৰত এই অধিনিয়ম আৰু পৰিনিয়মৰ অধীনত অধ্যাদেশৰ দ্বাৰা উপৱন্ধিত হবলগীয়া বিষয়সমূহৰ সম্বন্ধত প্ৰথম অধ্যাদেশ এনেদৰে প্ৰণীত নোহোৱা এনে সময়লৈকে যথাক্ৰমে মধ্যপ্ৰদেশ বিশ্ববিদ্যালয় অধিনিয়ম, ১৯৭৩ আৰু উত্তৰ প্ৰদেশ ৰাজ্যিক বিশ্ববিদ্যালয় অধিনিয়ম ১৯৭৩ ৰ উপন্ধাৱলীৰ অধীনত এই অধিনিয়মৰ অব্যৱহিত পূৰ্বে প্ৰণীত পৰিনিয়ম আৰু অধ্যাদেশৰ সুসঙ্গত উপন্ধাৱলী প্ৰয়োগযোগ্য নহব য'ত সেইবোৰ এই অধিনিয়ম আৰু পৰিনিয়মৰ উপৱন্ধাৱলীত অনুসাঙ্গিক নহয়।

**কেন্দ্ৰীয় বিশ্ববিদ্যালয় অধিনিয়ম, ২০০৯**

*বিনিয়মাৱলী।* ২৯। বিশ্ববিদ্যালয়ৰ প্ৰাধিকাৰীসমূহে তেওঁলোকৰ নিজা ব্যৱসায়ৰ আৰু পৰিনিয়মৰ দ্বাৰা বিহিত কৰা ৰীতিত তেওঁলোকৰ দ্বাৰা নিয়োজিত আৰু এই অধিনিয়ম পৰিনিয়ম বা অধ্যাদেশৰ দ্বাৰা উপৰন্ধিত নোহোৱা সমিতি, যদি কিবা থাকে, পৰিচালনাৰ বাবে এই অধিনিয়ম, পৰিনিয়ম আৰু অধ্যাদেশৰ সুসঙ্গত হোৱা বিনিয়মাৱলী প্ৰনয়ণ কৰিব পাৰে।

*বাৰ্ষিক প্ৰতিবেদন* ৩০। (১) বিশ্ববিদ্যালয়ৰ বাৰ্ষিক প্ৰতিবেদন কাৰ্য্যনিৰ্ব্বাহক পৰিষদৰ নিৰ্দ্দেশাধীনত প্ৰস্তুত কৰা হ'ব যিয়ে আন বিষয় বোৰৰ মাজৰ পৰা ইয়াৰ বিষয়বস্তুৰ পূৰণৰ দিশে বিশ্ববিদ্যালয়ৰ দ্বাৰা লোৱা ব্যৱস্থা অন্তৰ্ভূক্ত কৰিব আৰু পৰিনিয়মৰ দ্বাৰা বিহিত কৰা দৰে এনে তাৰিখত বা তাৰিখৰ পূৰ্ব্বে সভাত দাখিল কৰা হ'ব আৰু সভাই ইয়াৰ বাৰ্ষিক বৈঠকত প্ৰতিবেদন বিবেচনা কৰিব।

(২) সভাই ইয়াৰ মতামত যদি কিবা থকে একেলগে কুলাধ্যক্ষলৈ বাৰ্ষিক প্ৰতিবেদন দাখিল কৰিব।

(৩) উপ-ধাৰা (১) ৰ অধীনত প্ৰস্তুত কৰা বাৰ্ষিক প্ৰতিবেদনৰ এটা প্ৰতিলিপিও কেন্দ্ৰীয় চৰকাৰলৈ দাখিল কৰা হ'ব যিয়ে যথাশীঘ্ৰে সেইবোৰক সংসদৰ উভয় সদনত উত্থাপিত কৰিবলৈ কাৰিত কৰিব।

*বাৰ্ষিক হিচাপ* ৩১। (১) বিশ্ববিদ্যালয়ৰ বাৰ্ষিক হিচাপ আৰু উদ্ধৃত পত্ৰ কাৰ্য্যনিৰ্ব্বাহক পৰিষদৰ নিৰ্দ্দেশনাধীনত প্ৰস্তুত কৰাহ'ব আৰু প্ৰত্যেক বছৰত কমেও এবাৰ আৰু পোন্ধৰ মাহৰ অনধিক এটা অবসানত ভাৰতৰ নিয়ন্ত্ৰক আৰু মহালেখা পৰীক্ষকৰ দ্বাৰা বা এই মৰ্ম্মে তেওঁ প্ৰাধিকৃত কৰা এনে ব্যক্তিৰ দ্বাৰা হিচাপ পৰীক্ষা কৰা হ'ব।

(২) ইয়াৰ ওপৰত হিচাপ পৰীক্ষাৰ প্ৰতিবেদনৰ সৈতে একেলগে বাৰ্ষিক প্ৰতিবেদনৰ এটা প্ৰতিলিপি, কাৰ্য্যনিৰ্ব্বাহক পৰিষদৰ পৰ্য্যবেক্ষন সহ একেলগে সভা আৰু কুলাধ্যক্ষলৈ দাখিল কৰা হ'ব।

(৩) বাৰ্ষিক হিচাপসমূহৰ ওপৰত কুলাধ্যক্ষৰ দ্বাৰা কৰা কোনো পৰ্য্যবেক্ষন সভাৰ দৃষ্টিলৈ অনা হ'ব আৰু সভাৰ পৰ্য্যবেক্ষন সমূহ, যদি কিবা থাকে কাৰ্য্যনিৰ্ব্বাহক পৰিষদৰ দ্বাৰা বিবেচিত হোৱাৰ পিছত, কুলাধ্যক্ষলৈ দাখিল কৰিব।

(৪) কুলাধ্যক্ষলৈ দাখিল কৰা হিচাপ পৰীক্ষাৰ প্ৰতিবেদনসহ একেলগে বাৰ্ষিক হিচাপৰ এটা প্ৰতিলিপি, কেন্দ্ৰীয় চৰকাৰলৈও দাখিল কৰা হ'ব, যিটো যথাশীঘ্ৰে সংসদৰ উভয় সদনত উত্থাপিত কৰিবলৈ কাৰিত কৰিব।

(৫) হিচাপ পৰীক্ষা কৰা বাৰ্ষিক হিচাপসমূহক, সংসদৰ উভয় সদনত উত্থাপিত কৰাৰ পিছত ভাৰতৰ চৰকাৰী ৰাজপত্ৰত প্ৰকাশিত কৰা হ'ব।

*প্ৰবিৱৰণ আৰু তথ্য* ৩২। বিশ্ববিদ্যালয়ে, কেন্দ্ৰীয় চৰকাৰৰ দ্বাৰা বিনিৰ্দ্দিষ্ট কৰা দৰে এনে কালৰ ভিতৰত কেন্দ্ৰীয় চৰকাৰে সময়ে সময়ে অপেক্ষিত কৰা দৰে ইয়াৰ সম্পত্তি বা কাৰ্য্যকালৰ সম্বন্ধত এনে প্ৰবিৱৰণ বা আন তথ্য কেন্দ্ৰীয় চৰকাৰক প্ৰদান কৰিব।

*কৰ্মচাৰীবৃন্দ ইত্যাদিৰ সেৱাৰ চৰ্ত্তাৱলী।* ৩৩। (১) বিশ্ববিদ্যালয়ৰ প্ৰত্যেক কৰ্ম্মচাৰীক এটা লিখিত সংবিদাৰ অধীনত নিযুক্তি দিয়া হ'ব, যাক বিশ্ববিদ্যালয়ত দাখিল কৰা হ'ব আৰু যাৰ এটা প্ৰতিলিপি সংশ্লিষ্ট কৰ্ম্মচাৰীক প্ৰদান কৰা হ'ব।

(২) বিশ্ববিদ্যালয় আৰু কোনো কৰ্ম্মচাৰীৰ মাজত সংবিদাৰ পৰা উদ্ভৱ হোৱা কোনো বিবাদক, কৰ্ম্মচাৰীৰ অনুৰোধত, কাৰ্য্যনিৰ্ব্বাহক পৰিষদৰ দ্বাৰা নিয়োজিত এজন সদস্য, সংশ্লিষ্ট কৰ্ম্মচাৰীৰ দ্বাৰা মনোনীত এজন সদস্য আৰু কুলাধ্যক্ষৰ দ্বাৰা নিয়োজিত এজন নিৰ্ণায়েকৰে গঠিত এখন মধ্যস্থকাৰীৰ ন্যায়াধিকৰণলৈ প্ৰেৰণ কৰা হ'ব।

(৩) ন্যায়াধিকৰণৰ বিনিশ্চয় চূড়ান্ত হ'ব আৰু কোনো ন্যায়াধিকৰণৰ দ্বাৰা বিনিশ্চিত বিষয়সমূহৰ সম্বন্ধত কোনো চিভিল ন্যায়ালয়ত কোনো বাদ নচলিব ঃ

পৰন্তু এই উপধাৰাত কোনো কথাই সংবিধানৰ অনুচ্ছেদ ৩২ আৰু ২২৬ ৰ অধীনত সহজলভ্য ন্যায়িক প্ৰতিকাৰৰ উপভোগৰ পৰা কৰ্মচাৰীক নিবাৰণ নকৰিব।

১৯৯৬ ৰ ২৬

(৪) উপ-ধাৰা (২) ৰ অধীনত কৰ্মচাৰীৰ দ্বাৰা প্ৰত্যেক অনুৰোধক, মধ্যস্থতা আৰু চালিচী অধিনিয়ম, ১৯৯৬ অৰ্থৰ ভিতৰত এই ধাৰাৰ নিৰন্ধনৰ ওপৰত মধ্যস্থতাকাৰীলৈ কৰা এটা উপস্থাপন বুলি গণ্য কৰা হ'ব।

(৫) ন্যায়াধিকৰণৰ কামৰ বিনিময়ৰ প্ৰক্ৰিয়াক পৰিনিয়মৰ দ্বাৰা বিহিত কৰা হ'ব ।

*ছাত্ৰসকলৰ বিৰুদ্ধে অনুশাসনমূলক গোচৰত আপীল আৰু মধ্যস্থকাৰীৰ প্ৰক্ৰিয়া।*

৩৪। (১) এটা পৰীক্ষাৰ বাবে কোনো ছাত্ৰ বা পৰীক্ষাৰ্থীক যাৰ নাম কুলাধক্ষ্য,অনুশাসন সমিতি বা যথাস্থিতি পৰীক্ষা সমিতিৰ আদেশ বা প্ৰস্তাবৰ দ্বাৰা বিশ্ববিদ্যালয়ৰ নামাৱলীৰ পৰা অপসাৰিত কৰা হৈছে, আৰু যাক এবছৰতকৈ অধিক কালৰ বাবে বিশ্ববিদ্যালয়ৰ পৰীক্ষাত বহাৰ পৰা বাৰণ কৰা হৈছে, তেওঁৰ দ্বাৰা এনে প্ৰস্তাবৰ এনে আদেশ বা প্ৰতিলিপিৰ প্ৰাপ্ত কৰা তাৰিখৰ পৰা দহ দিনৰ ভিতৰত কাৰ্য্যনিৰ্বাহক পৰিষদলৈ আপীল কৰিব পাৰে আৰু কাৰ্যনিৰ্বাহক পৰিষদে উপাচাৰ্য্য বা যথাস্থিতি সমিতিৰ বিনিশ্চয় দৃঢ়, সালসলনি বা প্ৰত্যাৱৰ্তিত কৰিব পাৰে ঃ

(২) এজন ছাত্ৰৰ বিৰুদ্ধে বিশ্ববিদ্যালয়ৰ দ্বাৰা লোৱা কোনো অনু-শাসনমূলক ব্যৱস্থাৰ পৰা উদ্ভৱ হোৱা কোনো বিবাদক, এনে ছাত্ৰৰ অনুৰোধত, এখন মধ্যস্থ ন্যায়াধিকৰণলৈ প্ৰেৰণ কৰা হ'ব আৰু ধাৰা ৩৩ৰ উপ-ধাৰা (২), (৩), (৪) আৰু (৫) ৰ উপৰন্ধাৱলী যিমান দুৰ পাৰি এই উপ-ধাৰাৰ অধীনত প্ৰণীত এটা প্ৰসঙ্গ নিৰ্দ্দেশলৈ প্ৰযোজ্য হ'ব।

*আপীলৰ অধিকাৰ*

৩৫। বিশ্ববিদ্যালয়ৰ বা বিশ্ববিদ্যালয়ৰ দ্বাৰা পৰিচালিত এখন মহাবিদ্যালয় বা শিক্ষা প্ৰতিস্থানৰ প্ৰত্যেক কৰ্মচাৰী বা ছাত্ৰৰ, এই অধিনিয়মত কোনো কথা থকা সত্ত্বেও, পৰিনিয়মৰ দ্বাৰা বিহিত কৰা এনে সময়ৰ ভিতৰত, বিশ্ববিদ্যালয়ৰ কোনো পদাধিকাৰী বা প্ৰাধিকাৰী বা অধ্যক্ষ বা কোনো মহাবিদ্যালয় বা যথাস্থিতি শিক্ষা প্ৰতিষ্ঠানৰ ব্যৱস্থাপনৰ বিনিশ্চয়ৰ বিৰুদ্ধে কাৰ্য্যনিৰ্বাহক পৰিষদলৈ আপীল কৰাৰ অধিকাৰ থাকিব আৰু ইয়াৰ ওপৰত কাৰ্য্যনিৰ্বাহক পৰিষদে আপীলৰ বিৰুদ্ধে দিয়া বিনিশ্চয় দৃঢ় বা সালসলনি বা প্ৰত্যাৱৰ্তিত কৰিব পাৰে।

*ভবিষ্য আৰু পেঞ্চন নিধি।*

৩৬। (১) বিশ্ববিদ্যালয়ে ইয়াৰ কৰ্মচাৰীবৃন্দৰ সুবিধাৰ বাবে পৰিনিয়মৰ দ্বাৰা বিহিত কৰা এনে ৰীতিত আৰু এনে চৰ্ত্তাৱলীৰ সাপেক্ষে ই উচিত গণ্য কৰা দৰে এনে ভবিষ্যৎ বা পেঞ্চন নিধি গঠন কৰিব বা এনে বীমা আচঁনিৰ উদ্ভাৱন কৰিব।

*১৯২৫ ৰ ১৯*

(২) য'ত এনে ভৱিষ্য নিধি বা পেঞ্চন নিধি এনেদৰে গঠন কৰা হৈছে কেন্দ্ৰীয় চৰকাৰে ভবিষ্য নিধি অধিনিয়ম, ১৯২৫ৰ উপৰন্ধাৱলী এনে নিধিলৈ প্ৰযোজ্য হব বুলি ঘোষণা কৰিব পাৰে যেনিবা ই এখন চৰকাৰী ভবিষ্য নিধিহে আছিল।

*প্ৰাধিকৰণ আৰু নিকায়ৰ গঠনৰ বিষয়ে বিবাদ।*

৩৭। কোনো এজন ব্যক্তি, বিশ্ববিদ্যালয়ৰ কোনো প্ৰাধিকৰণ বা আন নিকায়ৰ এজন সদস্য ৰূপে সম্যক ভাবে নিৰ্বাচিত বা নিয়োজিত হৈছে নে নাই বা সদস্য হবলৈ হকদাৰ হয়নে নহয় সেই বিষয়ে যদিহে কোনো প্ৰশ্নৰ অবতাৰণা হয় বিষয়টো কুলধক্ষ্যলৈ প্ৰেৰণ কৰা হ'ব ইয়াৰ ওপৰত যাৰ বিনিশ্চয় চূড়ান্ত হ'ব।

*আকস্মিক ৰিক্তিৰ পূৰণ।*

৩৮। বিশ্ববিদ্যালয়ৰ কোনো প্ৰাধিকৰণ বা আন নিকায়ৰ (পদেন সদস্যসমূহৰ ব্যতিৰেকে) সদস্যসমূহৰ মাজত হোৱা সকলো আকস্মিক পদৰিক্তি ব্যক্তি বা নিকায়ৰ দ্বাৰা যথাশীঘ্ৰে পূৰণ কৰা হ'ব যিয়ে সদস্যসকলক নিযুক্তি, নিৰ্বাচন বা সহনিযুক্তি দিছিল যাৰ স্থান ৰিক্ত হৈছে আৰু এটা আকস্মিক ৰিক্তিলৈ নিয়োজিত, নিৰ্বাচিত বা সহনিযুক্ত ব্যক্তি, অৱশিষ্ট কালৰ বাবে এনে প্ৰাধিকৰণ বা নিকায়ৰ এজন সদস্য হ'ব যাৰ বাবে এনে ব্যক্তি যাৰ স্থান তেওঁ পূৰণ কৰে; তাৰ এজন সদস্য হ'লহেতেন।

*প্ৰাধিকৰণ বা নিকায়ৰ কাৰ্য্যবাহী পদৰিক্তিৰ দ্বাৰা অৱধিমান্য নহব।*

৩৯। বিশ্ববিদ্যালয়ৰ কোনো প্ৰাধিকৰণ বা আন নিকায়ৰ কোনো কাৰ্য্য বা কাৰ্য্যবাহীক ইয়াৰ সদস্যসমূহৰ মাজত এটা পদ ৰিক্তি বা পদৰিক্তি সমূহৰ কেৱল বিদ্যমান তাৰ কাৰত অবিধিমান্য কৰা নহব।

*সদবিশ্বাসত লোৱা কাৰ্য্যব্যৱস্থাৰ সুৰক্ষা।*

৪০। এই অধিনিয়ম, পৰিনিয়ম বা অধ্যাদেশৰ উপন্ধাৱলীৰ যিকোনোটোৰ অনুসৰণত সদ বিশ্বাসত কৰা বা কৰিবলৈ অভিপ্ৰেত কোনো কাৰ্য্যৰ বাবে বিশ্ববিদ্যালয়ৰ কোনো পদাধিকাৰী বা আন কৰ্মচাৰীৰ বিৰুদ্ধে কোনো বাদ বা আন কাৰ্যবাহী নচলিব।

*বিশ্ববিদ্যালয়ৰ অভিলেখৰ প্ৰমাণৰ পদ্ধতি ১৮৭২ ৰ১।*

৪১। ভাৰতীয় সাক্ষ্য অধিনিয়ম, ১৮৭২ বা তৎসময় বলবৎ কোনো আন বিধিত কোনো কথা থকা স্বত্বেও, বিশ্ববিদ্যালয়ৰ কোনো প্ৰাধিকৰণ বা আন নিকায়ৰ কোনো ৰচিদ, আবেদন, জাননী, আদেশ, কাৰ্য্যবাহী, বা প্ৰস্তাবৰ প্ৰতিলিপি বা বিশ্ববিদ্যালয়ৰ দখলত থকা কোনো আন দস্তাবেজ বা বিশ্ববিদ্যালয়ৰ দ্বাৰা সম্যকৰূপে সংৰক্ষিত কোনো পঞ্জীৰ প্ৰবিষ্টি, যদিহে পঞ্জীয়কৰ দ্বাৰা প্ৰমানিত হয়, এনে ৰচিদ, আবেদন, জাননী, আদেশ, কাৰ্য্যবাহী, প্ৰস্তাৱ বা দস্তাবেজ বা পঞ্জীত প্ৰবিষ্টিৰ বিদ্যামানতাক প্ৰথম দৃষ্টিত সাক্ষ্যৰূপে প্ৰাপ্ত কৰা হ'ব আৰু তাত থকা বিষয় আৰু আদান প্ৰদানৰ সাক্ষ্যৰূপে গ্ৰহণযোগ্য হ'ব য'ত ইয়াৰ মূল যদি উপস্থাপিত হ'লহেতেন সাক্ষ্যত গ্ৰহণযোগ্য হ'লহেতেন।

*জটিলতা দূৰীকৰণৰ ক্ষমতা।*

৪২। (১) এই অধিনিয়মৰ উপৰন্ধাৱলীৰ প্ৰভাৱী কৰোতে যদিহে কোনো জটিলতাৰ উদ্ভৱ হয়, কেন্দ্ৰীয় চৰকাৰে চৰকাৰী ৰাজপত্ৰত প্ৰকাশিত আদেশৰ দ্বাৰা এই অধিনিয়মৰ উপৰন্ধাৱলীৰ অসঙ্গত নোহোৱাকৈ এনে উপন্ধাৱলী প্ৰণয়ন কৰিব পাৰে, যিদৰে জটিলতা দূৰিকৰণৰ বাবে আৱশ্যকীয় বা সমীচীন বুলি ইয়াৰ প্ৰতীত হয় ঃ

পৰন্তু এই অধিনিয়মৰ প্ৰাৰম্ভৰ পৰা তিনিবছৰৰ অৱসানৰ পিছত এই ধাৰাৰ অধীনত এনে কোনো আদেশ প্ৰণয়ন কৰা নহব।

(২) উপ-ধৰা (১) ৰ অধীনত প্ৰণীত প্ৰত্যেক আদেশ, ইয়াৰ প্ৰণয়ন কৰাৰ পিছত যথাশীঘ্ৰে অধিবেশন চলি থকা সময়ত এখন অধিবেশন বা দুখন বা ততোধিক ক্ৰমাগত অধিৱেশনৰে গতিত হব পৰা মুঠ ত্ৰিশ দিন কালৰ বাবে সংসদৰ প্ৰত্যেক সদনত উত্থাপন কৰা হ'ব আৰু যদিহে উপৰোক্ত অধিবেশনৰ অব্যৱহিত পৰবৰ্ত্তী অধিবেশন বা ক্ৰমাগত অধিৱেশনৰ অবসানৰ পূৰ্বে উভয় সদনে আদেশৰ কোনো সালসলনি কৰিবলৈ সন্মত হয় বা উভয় সদনে সন্মত হয় যে আদেশ প্ৰণয়ন কৰিব নালাগে তেন্তে তাৰ পিছত আদেশ কেৱল এনে সালসলনি ৰূপত প্ৰভাৱী হব বা যথাস্থিতি প্ৰভাৱহীন হব ; সেয়ে হলেও এনে সালসলনি বা ৰদ্‌কৰণ সেই আদেশৰ অধীনত পূৰ্বেকৃত কোনো কাৰ্য্যৰ বিধিমান্যতাৰ ওপৰত প্ৰতিকুল প্ৰভাব নেপেলোৱাকৈ হব।

*পৰিনিয়ম, অধ্যাদেশ আৰু বিনিময়াৱলী চৰকাৰী ৰাজপত্ৰত প্ৰকাশিত কৰা হ'ব আৰু সংসদত উত্থাপিত কৰা হ'ব।*

৪৩। (১) এই অধিনিয়মৰ অধীনত প্ৰণীত প্ৰত্যেক পৰিনিয়ম, অধ্যাদেশ বা বিনিময় চৰকাৰী ৰাজপত্ৰত প্ৰকাশিত কৰা হ'ব।

(২) এই অধিনিয়মৰ অধিনত প্ৰণীত প্ৰত্যেক পৰিনিয়ম, অধ্যাদেশ বা বিনিময়, ইয়াক প্ৰণয়ন কৰাৰ পিছত যথাশীঘ্ৰে অধিবেশন চলি থকা সময়ত এখন অধিবেশন বা দুখন বা ততোধিক ক্ৰমাগত অধিবেশনেৰে গঠিত হব পৰা মুঠ ত্ৰিশদিন কালৰ বাবে সংসদৰ প্ৰত্যেক সদনত উত্থাপন কৰা হ'ব আৰু যদিহে উপৰোক্ত অধিবেশনৰ অব্যবহিত পৰবৰ্তী অধিবেশন বা ক্ৰমাগত অধিবেশনৰ অবসানৰ পূৰ্বে, উভয় সদনে সেই পৰিনিয়ম, অধ্যাদেশ বা বিনিময়ত কোনো সালসলনি কৰিবলৈ সন্মত হয় বা উভয় সদন সন্মত হয় যে পৰিনিয়ম, অধ্যাদেশ বা বিনিময় প্ৰণয়ন কৰিব নালাগে তেন্তে তাৰ পিছত পৰিনিয়ম, অধ্যাদেশ বা বিনিময় কেৱল এনে সালসলনি ৰূপত প্ৰভাৱী হ'ব বা যথাস্থিতি প্ৰভাৱহীন হব; সেয়ে হলও এনে সালসলনি বা ৰদ্‌কৰণ সেই পৰিনিয়ম, অধ্যাদেশ বা বিনিময়ৰ অধীনত পূৰ্বকৃত কোনো কাৰ্য্যৰ বিধিমান্যতাৰ ওপৰত প্ৰতিকুল প্ৰভাব নেপেলোৱাকৈ হব।

(৩) পৰিনিয়ম, অধ্যাদেশ বা বিনিময়মাৱলী প্ৰণয়নৰ ক্ষমতাই এই অধিনিয়মৰ প্ৰাৰম্ভৰ পূৰ্বে নোহোৱা কোনো তাৰিখৰ পৰা পৰিনিয়ম, অধ্যাদেশ বা বিনিময়ৱালী বা সেইবোৰৰ যি কোনোটোক ভূতলক্ষী প্ৰভাব দিয়াৰ ক্ষমতাক অৰ্ন্তভুক্ত কৰিব কিন্তু এনে পৰিনিয়ম, অধ্যাদেশ বা বিনিময়ৱালী প্ৰযোজ্য হোৱা কোনো ব্যক্তিৰ হিতৰ প্ৰতিকূলভাবে প্ৰভাৱী কৰাৰ বিষয়ত কোনো পৰিনিয়ম অধ্যাদেশ বা বিনিময়াৱলীলৈ কোনো ভূতলক্ষী প্ৰভাব দিয়া নহব।

*অৰ্ন্তৱৰ্তীকালীন উপৰন্ধ।*

৪৪। এই অধিনিয়ম আৰু পৰিনিয়মত কোনো কথা থকা স্বত্বেও,

(ক) প্ৰথম আচাৰ্য্য আৰু প্ৰথম উপাচাৰ্য্যক উচিত গন্য কৰা দৰে এনে ৰীতিত আৰু এনে চৰ্ত্তাৱলীত আৰু উক্ত পদাধিকাৰী সকলৰ প্ৰত্যেকেই কুলাধ্যক্ষৰ দ্বাৰা বিনিৰ্দ্দিষ্ট কৰা দৰে, পাচবছৰৰ অনধিক এনে অবধিৰ বাবে পদ ধাৰণ কৰিব।

(খ) প্ৰথম পঞ্জীয়ক আৰু প্ৰথম বিত্তীয় পদাধিকাৰীক কুলাধ্যক্ষকৰ দ্বাৰা নিয়োজিত কৰা হ'ব আৰু উক্ত পদাদিকাৰী সকলৰ প্ৰত্যেকেই তিনিবছৰত এটা অবধিৰ বাবে পদ ধাৰণ কৰিব।

(গ) প্ৰথম সভা আৰু প্ৰথম কাৰ্য্যনিৰ্বাহক পৰিষদ, একত্ৰিশজন সদস্যৰ অনধিকেৰে গঠিত হ'ব আৰু এঘাৰজন সদস্যক যথাক্ৰমে কেন্দ্ৰীয় চৰকাৰৰ দ্বাৰা মনোনীত কৰা হ'ব আৰু তিনিবছৰৰ এটা অবধিৰ বাবে পদ ধাৰণ কৰিব ; আৰু

(ঘ) প্ৰথম শৈক্ষিক পৰিষদ একৈশজন সদস্যৰ অনধিকেৰে গঠিত হ'ব, যাক কেন্দ্ৰীয় চৰকাৰৰ দ্বাৰা মনোনীত কৰা হ'ব আৰু তাৰ তিনিবছৰৰ এটা অবধিৰ বাবে পদ ধাৰণ কৰিবঃ

পৰন্তু যদিহে উপৰোক্ত কাৰ্য্যালয় বা প্ৰাধিকৰণত কোনো পদৰিক্তি হয় সেইবোৰক কুলাধ্যক্ষই নিযুক্তিৰ দ্বাৰা বা যথাস্থিতি কেন্দ্ৰীয় চৰকাৰে মনোনয়নৰ দ্বাৰা পূৰণ কৰা হ'ব আৰু এনেদৰে নিয়োজিত বা মনোনীত ব্যক্তিয়ে সিমান দিনলৈ পদ ধাৰণ কৰিব সিমানদিনলৈ পদাধিকাৰী বা সদস্যই যাৰ স্থানত তেওঁ নিয়োজিত বা মনোনীত হৈছিল পদ ধাৰণ কৰিলেহেতেঁন যদিহে এনে পদৰিক্তি নহলহেতেঁন ঃ

*মধ্যপ্ৰদেশ অধিনিয়ম ১৯৭৩ ৰ ২২ ৰ সংশোধন।*

৪৫। (১) মধ্যপ্ৰদেশ বিশ্ববিদ্যালয় অধিনিয়ম, ১৯৭৩ ৰ, দ্বিতীয় অনুসূচীত, গুৰু ঘাচিদাস বিশ্ববিদ্যালয় আৰু ডক্টৰ হৰসিং গৌড় বিশ্ববিদ্যালয়ৰ সম্পকিত প্ৰবিষ্টি লোপ কৰা হ'ব।

(২) এনে লোপকৰণ সত্বেওঁ -

(ক) মধ্যপ্ৰদেশ বিশ্ববিদ্যালয় অধিনিয়ম, ১৯৭৩ ৰ অধীনত কৰা সকলো নিয়োজন, জাৰীকৃত, আদেশ, প্ৰদত্ত ডিগ্ৰী আৰু আন শৈক্ষিক উপাধি প্ৰদান কৰা উপাধি পত্ৰ আৰু প্ৰমাণপত্ৰ মঞ্জুৰীকৃত বিশেষাধিকাৰ বা কৰা আন কাৰ্য্য এই অধিনিয়মৰ তদনুৰূপ উপৱন্ধাৱলীৰ অধীনত যথাক্ৰমে কৰা জাৰীকৃত, প্ৰদত্ত, প্ৰদান কৰা মঞ্জুৰীকৃত বা কৰা হৈছে বুলি গণ্য কৰা হ'ব আৰু এই অধিনিয়ম বা পৰিনিয়মৰ দ্বাৰা অন্যথা উপবন্ধিত ব্যতিৰেকে বলবৎ হৈ থাকিব আৰু যিপৰ্য্যন্ত সেইবোৰৰ এই অধিনিয়ম বা পৰিনিয়মৰ অধীনত প্ৰণীত কোনো আদেশৰ দ্বাৰা প্ৰতিষ্ঠিত কৰা নহয় ; আৰু

(খ) এই অধিনিয়মৰ প্ৰাৰম্ভৰ পূৰ্বে শিক্ষকসকলৰ নিযুক্তি ৰায় পদোন্নতি অনুষ্ঠিতকৰণৰ বাবে বাচনি সমিতিৰ সকলো কাৰ্য্যবাহী আৰু এনে বাচনি সমিতিৰ চুপাৰিছৰ সম্বন্ধত কাৰ্য্যনিৰ্বাহক পৰিষদৰ সকলো কাৰ্য্য ব্যৱস্থা, য'ত সেইবোৰৰ আধাৰাত নিযুক্তিৰ কোনো আদেশ এই অধিনিয়মৰ প্ৰাৰম্ভৰ পূৰ্বে পাৰিত হোৱা নাছিল, বাচনিৰ প্ৰক্ৰিয়াৰ এই অধিনিয়মৰ দ্বাৰা সালসলনি কৰা সত্বেও, বৈধ বুলি গণ্য কৰা হ'ব কিন্তু এনে লম্বিত বাচনিৰ সৈতে জড়িত অতিৰিক্তি কাৰ্য্যবাহী, এই অধিনিয়মৰ উপবন্ধাৱলীৰ অনুসৰণত লোৱা হব আৰু যদিহে সংশ্লিষ্ট প্ৰাধিকৰণে কুলাধ্যক্ষৰ অনুমোদন সহ প্ৰতিকুল হোৱা এটা বিনিশ্চয় গ্ৰহণ কৰে, এনে প্ৰাৰম্ভৰ অব্যৱহিত পূৰ্বে সেইবোৰ যি স্তৰত আছিল তাত থাকিব।

*ৰাষ্ট্ৰপতি অধিনিয়ম ১৯৭৩ ৰ ১০ ৰ সংশোধন।*

৪৬। (১) উত্তৰ প্ৰদেশ ৰাজ্যিক বিশ্ববিদ্যালয় অধিনিয়ম, ১৯৭৩ ত -

(ক) ধাৰা ৪ ৰ উপ-ধাৰা (১) ত থকা আৰু গাড়ৱালৰ এখন বিশ্ববিদ্যালয়, যিখনক ১৯৮৯ ৰ ২৫ এপ্ৰিলৰ পৰা শ্ৰীনগৰৰ (গাড়ৱালা জিলা) হেমৱতী নন্দন বহুগুণা গাড়ৱাল বিশ্ববিদ্যালয় নামেৰে অভিহিত হ'ব এই শব্দ, সংখ্যা আৰু বন্ধনী লোপ কৰা হ'ব ;

(খ) ধাৰা ২০ৰ উপ-ধাৰা (১) ৰ খণ্ড (ঘ) ত থকা "হেমৱতী নন্দন বহুগুণা গাড়ৱাল বিশ্ববিদ্যালয়" শব্দসমূহ লোপ কৰা হ'ব ;

(গ) ধাৰা ৫২ৰ উপ-ধাৰা (২) ত থকা "কুমাউন আৰু গাড়ৱাল বিশ্ববিদ্যালয়" এই শব্দসমূহৰ স্থানত "কুমাউন বিশ্ববিদ্যালয়" শব্দসমূহক প্ৰতিস্থাপিত কৰা হ'ব ;

(ঘ) ধাৰা ৭২ৰ লোপ কৰা হ'ব ;

(ঙ) অনুসূচীত, ক্ৰমিক সংখ্যা ৮ আৰু ইয়াৰ সম্পৰ্কিত প্ৰবিষ্টিসমূহক লোপ কৰা হ'ব।

(২) উপ-ধাৰা (১)ত নিৰ্দেশিত লোপকৰণ আৰু প্ৰতিস্থাপন সত্বেও -

*ৰাষ্ট্ৰপতি অধিনিয়ম, ১৯৭৩ ৰ ১০*

(ক) উত্তৰ প্ৰদেশ ৰাজ্যিক বিশ্ববিদ্যালয় অধিনিয়ম, ১৯৭৩ৰ অধীনত কৰা সকলো নিয়োজন, জাৰীকৃত আদেশ, প্ৰদত্ত ডিগ্ৰী আৰু আন শৈক্ষিক উপাধি, প্ৰদান কৰা উপাধিপত্ৰ আৰু প্ৰমাণপত্ৰ মঞ্জুৰীকৃত বিশেষাধিকাৰ বা কৰ আন কাৰ্য্য এই অধিনিয়মৰ তদনুৰূপ উপৰন্ধাৱলীৰ অধীনত যথাক্ৰমে কৰা জাৰীকৃত, প্ৰদত্ত, প্ৰদান কৰা মঞ্জুৰীকৃত বা কৰা হৈছে বুলি গণ্য কৰা হ'ব আৰু এই অধিনিয়ম বা পৰিনিয়মৰ দ্বাৰা বা অধীনত অন্যথা উপবন্ধিত ব্যতিৰেকে বলবৎ হৈ থাকিব আৰু যিপৰ্য্যন্ত সেইবোৰ এই অধিনিয়ম বা পৰিনিয়মৰ অধীনত প্ৰণীত কোনো আদেশৰ দ্বাৰা প্ৰতিষ্ঠিত কৰা নহয় ; আৰু

(খ) এই অধিনিয়মৰ প্ৰাৰম্ভৰ পূৰ্বে শিক্ষক সকলৰ নিযুক্তি বা পদোন্নতিৰ অনুষ্ঠিতকৰণৰ বাচঁনি বাবে সমিতিৰ সকলো কাৰ্য্যবাহী আৰু এনে বাচঁনি সমিতিৰ চুপাৰিছৰ সম্বন্ধত কাৰ্য্যনিৰ্বাহক পৰিষদৰ সকলো কাৰ্য্যব্যৱস্থা য'ত সেইবোৰৰ আধাৰত নিযুক্তিৰ কোনো আদেশ এই অধিনিয়মৰ প্ৰাৰম্ভৰ পূৰ্বে পাৰিত হোৱা নাছিল, বাচঁনিৰ প্ৰক্ৰিয়াক এই অধিনিয়মৰ দ্বাৰা সালসলনি কৰা সত্বেও, বৈধ বুলি গণ্য কৰা হ'ব কিন্তু এনে লম্বিত বাচঁনিৰ সৈতে জড়িত অতিৰিক্ত কাৰ্য্যবাহী এই অধিনিয়মৰ উপৰন্ধাৱলীৰ অনুসৰণত লোৱা হ'ব আৰু যদিহে কুলাধ্যক্ষৰ অনুমোদনসহ প্ৰতিকুল হোৱা এটা বিনিশ্চয় গ্ৰহণ কৰে, এনে প্ৰাৰম্ভৰ অব্যৱহিত পূৰ্বে সেইবোৰ যি স্তৰত আছিল তাত থাকিব।

*নিৰসন আৰু ব্যাবৃত্তি ২০০৯ ৰ অধ্যাদেশ ৩*

৪৭। (১) কেন্দ্ৰীয় বিশ্ববিদ্যালয় অধ্যাদেশ ২০০৯ ইয়াৰ দ্বাৰা নিৰসিত।

(২) এনে নিৰসণ সত্বেও, উক্ত অধ্যাদেশৰ অধীনত কৰা কোনো কাৰ্য্য বা লোৱা কোনো কাৰ্য্য ব্যৱস্থাক এই অধিনিয়মৰ তদনুৰূপ উপাবন্ধাৱলীৰ অধীনত কৰা বা লোৱা বুলি গণ্য কৰা হ'ব, আৰু-

*২০০৯ ৰ অধ্যাদেশ ৩*

(ক) কেন্দ্ৰীয় বিশ্ববিদ্যালয় অধ্যাদেশ ২০০৯ অধীনত কৰা সকলো নিয়োজন, জাৰীকৃত আদেশ, প্ৰদত্ত ডিগ্ৰী আৰু আন শৈক্ষিক উপাধি, প্ৰদান কৰা উপাধিপত্ৰ আৰু প্ৰমাণপত্ৰ, মঞ্জুৰীকৃত বিশেষাধিকাৰ বা কৰা আন কাৰ্য্য এই অধিনিয়মৰ তদনুৰূপ উপবন্ধাৱলীৰ অধীনত যথাক্ৰমে কৰা, জাৰীকৃত, প্ৰদত্ত প্ৰদান কৰা, মঞ্জুৰীকৃত বা কৰা হৈছে বুলি গণ্য কৰা হ'ব আৰু এই অধিনিয়মৰ বা পৰিনিয়মৰ দ্বাৰা বা অধীনত অন্যথা উপবন্ধিত ব্যতিৰেকে বলবৎ হৈ থাকিব আৰু যি পৰ্য্যন্ত সেইবোৰ এই অধিনিয়ম বা পৰিনিয়মৰ অধীনত প্ৰণীত কোনো আদেশৰ দ্বাৰা প্ৰতিষ্ঠিত কৰা নহয় ; আৰু

(খ) এই অধিনিয়মৰ প্ৰাৰম্ভৰ পূৰ্বে শিক্ষকসকলৰ নিযুক্তি বা পদোন্নতিৰ অনুষ্ঠিতকৰণৰ বাবে বাচঁনি সমিতিৰ সকলো কাৰ্য্যবাহী আৰু এনে বাচঁনি সমিতিৰ চুপাৰিছৰ সম্বন্ধত কাৰ্য্যনিৰ্বাহক পৰিষদৰ সকলো কাৰ্য্য ব্যৱস্থা য'ত সেইবোৰৰ আধাৰত নিযুক্তিৰ কোনো আদেশ এই অধিনিয়মৰ প্ৰাৰম্ভৰ পূৰ্বে পাৰিত হোৱা নাছিল, বাচঁনিৰ প্ৰক্ৰিয়াক এই অধিনিয়মৰ দ্বাৰা সালসলনি কৰা সত্বেও বৈধ বুলি গণ্য কৰা হ'ব কিন্তু এনে লম্বিত বাচঁনিৰ সৈতে জড়িত অতিৰিক্ত কাৰ্য্যাবাহী, এই অধিনিয়মৰ উপবন্ধাৱলীৰ অনুসৰণত লোৱা হ'ব আৰু যদিহে কুলাধ্যক্ষৰ অনুমোদনসহ প্ৰতিকুল হোৱা এটা বিনিশ্চয় গ্ৰহণ কৰে, এনে প্ৰাৰম্ভৰ অব্যৱহিত পূৰ্বে সেইবোৰ যি স্তৰত আছিল তাত থকিব।

## কেন্দ্ৰীয় বিশ্ববিদ্যালয় অধিনিয়ম, ২০০৯

### প্ৰথম অনুসূচী
[ধাৰা ৩ (৪) চাওঁক ]

| ক্ৰমিক নং | ৰাজ্যৰ নাম | বিশ্ববিদ্যালয়ৰ নাম | ৰাজ্যক্ষেত্ৰীয় অধিকাৰিতা |
|---|---|---|---|
| ১। | বিহাৰ | বিহাৰৰ কেন্দ্ৰীয় বিশ্ববিদ্যালয় | সমগ্ৰ বিহাৰ ৰাজ্য |
| ২। | গুজৰাট | গুজৰাটৰ কেন্দ্ৰীয় বিশ্ববিদ্যালয় | সমগ্ৰ গুজৰাট ৰাজ্য |
| ৩। | হাৰিয়ানা | হাৰিয়ানাৰ কেন্দ্ৰীয় বিশ্ববিদ্যালয় | সমগ্ৰ হাৰিয়ানা ৰাজ্য |
| ৪। | হিমাচল প্ৰদেশ | হিমাচল প্ৰদেশৰ কেন্দ্ৰীয় বিশ্ববিদ্যালয় | সমগ্ৰ হিমাচল প্ৰদেশ ৰাজ্য |
| ৫। | জম্মু আৰু কাশ্মীৰ | জম্মু আৰু কাশ্মীৰৰ কেন্দ্ৰীয় বিশ্ববিদ্যালয় | সমগ্ৰ জম্মু আৰু কাশ্মীৰ ৰাজ্য |
| ৬। | ঝাৰখাণ্ড | ঝাৰখাণ্ডৰ কেন্দ্ৰীয় বিশ্ববিদ্যালয় | সমগ্ৰ ঝাৰখাণ্ড ৰাজ্য |
| ৭। | কৰ্ণাটক | কৰ্ণাটকৰ কেন্দ্ৰীয় বিশ্ববিদ্যালয় | সমগ্ৰ কৰ্ণাটক ৰাজ্য |
| ৮। | কেৰেলা | কেৰেলাৰ কেন্দ্ৰীয় বিশ্ববিদ্যালয় | সমগ্ৰ কেৰেলা ৰাজ্য |
| ৯। | উৰিষ্যা | উৰিষ্যাৰ কেন্দ্ৰীয় বিশ্ববিদ্যালয় | সমগ্ৰ উৰিষ্যা ৰাজ্য |
| ১০। | পঞ্জাব | পঞ্জাবৰ কেন্দ্ৰীয় বিশ্ববিদ্যালয় | সমগ্ৰ পঞ্জাব ৰাজ্য |
| ১১। | ৰাজস্থান | ৰাজস্থানৰ কেন্দ্ৰীয় বিশ্ববিদ্যালয় | সমগ্ৰ ৰাজস্থান ৰাজ্য |
| ১২। | তামিলনাডু | তামিলনাডুৰ কেন্দ্ৰীয় বিশ্ববিদ্যালয় | সমগ্ৰ তামিলনাডু ৰাজ্য |

## দ্বিতীয় অনুসূচী
## (ধাৰা ২৭ চাওঁক)

### বিশ্ববিদ্যালয় পৰিনিয়ম

*আচাৰ্য্য* ১। (১) আচাৰ্য্যক, দেশৰ শৈক্ষিক বা জনজীৱনত প্ৰতিষ্ঠিত ব্যক্তিসমূহৰ মাজৰ পৰা কাৰ্য্যনিৰ্বাহক পৰিষদৰ দ্বাৰা অনুমোদিত তিনিজন ব্যক্তিৰ কম নোহোৱা এখন তালিকাৰ পৰা কুলাধ্যক্ষৰ দ্বাৰা নিয়োজিত কৰা হ'ব ঃ

পৰন্তু যদি কুলাধ্যক্ষই এনেদৰে অনুমোদিত ব্যক্তিসমূহৰ কোনোজনক সংমোদন নজনায় তেতিয়া তেওঁ কাৰ্য্যনিৰ্বাহক পৰিষদৰ পৰা নতুন চুপাৰিছ আহ্বান কৰিব পাৰে।

(২) আচাৰ্য্যই পাচঁবছৰৰ এটা অবধিৰ পদ ধাৰণ কৰিব আৰু পুনৰ নিযুক্তিৰ বাবে যোগ্য নহব ঃ

পৰন্তু তেওঁৰ পদাৱধিৰ অৱসান সত্বেও, আচাৰ্য্যই পদ ধাৰণ কৰি থাকিব যি পৰ্য্যন্ত তেওঁৰ উত্তৰাধিকাৰীয়ে তেওঁৰ পদত প্ৰবিষ্ট নহয় ।

*উপাচাৰ্য্য* ২। (১) উপাচাৰ্য্য খণ্ড (২) ৰ অধীনত গঠিত এখন সমিতিৰ দ্বাৰা অনুমোদিত এখন তালিকাৰ পৰা কুলাধ্যক্ষৰ দ্বাৰা নিয়োজিত কৰা হ'ব ঃ

পৰন্তু যদি কুলাধ্যক্ষই তালিকাত অৰ্ন্তভুক্ত ব্যক্তিসমূহৰ কোনোজনক অনুমোদন নজনায় তেতিয়া তেওঁ এখন কাল বৰ্দ্ধিত নতুন তালিকা বিচাৰিব পাৰে।

(২) খণ্ড (১) ত নিৰ্দেশিত সমিতিখন পাচঁজন সদস্যৰে গঠিত হ'ব যাৰ ভিতৰত তিনিজনক কাৰ্য্যনিৰ্বাহক পৰিষদৰ দ্বাৰা আৰু দুজনক কুলাধ্যক্ষৰ দ্বাৰা মনোনীত কৰা হ'ব আৰু কুলাধ্যক্ষৰ মনোনীতসকলৰ এজন সমিতিৰ আহ্বায়ক হ'ব ঃ

পৰন্তু সমিতিৰ কোনো সদস্য, বিশ্ববিদ্যালয় বা বিশ্ববিদ্যালয়ৰ দ্বাৰা পৰিচালিত এখন মহাবিদ্যালয় বা কোনো শিক্ষা প্ৰতিষ্ঠানৰ এজন কৰ্ম্মচাৰী বা বিশ্ববিদ্যালয়ৰ কোনো প্ৰাধিকৰণৰ এজন সদস্য নহব।

(৩) উপাচাৰ্য্য, বিশ্ববিদ্যালয়ৰ এজন পূৰ্ণকালীন বেতনভোগী পদাধিকাৰী হ'ব।

(৪) উপাচাৰ্য্যই তেওঁৰ পদত প্ৰবিষ্ট হোৱাৰ পৰা পাঁচ বছৰৰ এটা অৱধিৰ বাবে বা তেওঁ সত্তৰ বছৰ প্ৰাপ্ত নকৰাকৈ পদ ধাৰণ কৰিব যিটোৱেই আগতীয়া হয় আৰু তেওঁ পুনৰ নিযুক্তিৰ বাবে যোগ্য নহব ঃ

পৰন্তু উক্ত পাচঁ বছৰ কালৰ অৱসান হোৱা সত্বেও, তেওঁ পদত থাকিব যি পৰ্য্যন্ত তেওঁৰ উত্তৰাধিকাৰীয়ে তেওঁৰ পদত নিয়োজিত আৰু প্ৰবিষ্ট নহয় ঃ

উপৰন্তু কুলাধ্যক্ষই, তেওঁৰ অৱধিৰ অৱসানৰ পিচত, তেওঁৰ দ্বাৰা বিনিৰ্দিষ্ট কৰা দৰে এবছৰ এটা মুঠ কালৰ অনধিক এনে কালৰ বাবে পদত থাকিবলৈ কোনো উপাচাৰ্য্যক নিৰ্দ্দেশ দিব পাৰে ।

(৫) খণ্ড (৪) ত কোনো কথা থকা সত্বেও, কুলাধ্যক্ষই, উপাচাৰ্য্যই তেওঁৰ পদত প্ৰবিষ্ট হোৱাৰ পিচত, যিকোনো সময়ত, লিখিত আদেশৰ দ্বাৰা অসমৰ্থতা, অসাধৰণ বা পৰিনিয়ত উপবন্ধাৱলীৰ ভঙ্গকৰণৰ আধাৰত উপাচাৰ্য্যক পদৰ পৰা অপসাৰণ কৰিব পাৰে ঃ

পৰন্তু কুলাধ্যক্ষৰ দ্বাৰা কোনো এনে আদেশ দিয়া নহব যিপৰ্য্যন্ত উপাচাৰ্য্যক, তেওঁৰ বিৰুদ্ধে লবলগীয়া প্ৰস্তাবিত কাৰ্য্য ব্যৱস্থাৰ বিৰুদ্ধে কাৰণ দৰ্শোৱাৰ এটা যুক্তিসঙ্গত সুবিধা দিয়া নহয় ঃ

উপৰন্তু কুলাধ্যক্ষই, এনে আদেশ দিয়াৰ পূৰ্বে আচাৰ্য্যক পৰামৰ্শও কৰিব ঃ

অধিকন্তু কুলাধ্যক্ষই এনে আদেশ কৰাৰ পূৰ্বে যিকোনো সময়তে উপাচাৰ্য্যক তদন্ত হোৱালৈকে নিলম্বন, কৰিব পাৰে।

(৬) উপাচাৰ্য্যৰ পৰিভূতি আৰু সেৱাৰ আন চৰ্ত্তাৱলী নিম্নলিখিত দৰে হ'ব ঃ

(i) উপচাৰ্য্যক, সময়ে সময়ে কেন্দ্ৰীয় চৰকাৰৰ দ্বাৰা নিৰ্ধাৰিত কৰা হাৰত ঘৰ ভাড়া ভাত্তাৰ ব্যতিৰেকে এটা মাহেকীয়া বেতন আৰু ভাত্তা আদায় দিয়া হ'ব আৰু তেওঁ তেওঁৰ সমগ্ৰ পদাৱধিত ভাড়া নিদিয়াকৈ এটা সুসজ্জিত আবাসগৃহ ব্যৱহাৰ কৰিবলৈ হক্‌দাৰ হ'ব আৰু এনে আবাসগৃহৰ তদাৰকৰ সম্বন্ধত উপাচাৰ্য্য ওপৰত কোনো প্ৰভাৱ নাথাকিব।

(ii) উপচাৰ্য্য, সময়ে সময়ে কেন্দ্ৰীয় চৰকাৰৰ দ্বাৰা নিৰ্ধাৰিত কৰা এনে অৱসৰকালীন সা-সুবিধা আৰু ভাত্তা সমূহলৈ হক্‌দাৰ হ'ব ঃ

পৰন্তু য'ত বিশ্ববিদ্যালয়ৰ বা বিশ্ববিদ্যালয়ৰ দ্বাৰা পৰিচালিত এখন মহাবিদ্যালয় বা এখন শিক্ষা প্ৰতিষ্ঠান, বা কোনো আন বিশ্ববিদ্যালয় বা এনে আন বিশ্ববিদ্যালয়ৰ দ্বাৰা পৰিচালিত বা বিশেষাধিকাৰত গৃহীত কোনো মহাবিদ্যালয় বা শিক্ষা প্ৰতিষ্ঠানৰ এজন কৰ্মচাৰী উপাচাৰ্য্যৰূপে নিয়োজিত হয়, তেওঁ কোনো ভবিষ্যনিধিত বৰঙণি দিবলৈ অনুমতি প্ৰাপ্ত হ'ব যাৰ তেওঁ এজন সদস্য হয় আৰু বিশ্ববিদ্যালয়ে, একে হাৰত সেই ভবিষ্যনিধিত এনে ব্যক্তিৰ হিচাপত বৰঙণি দিব য'ত ব্যক্তিজনে উপাচাৰ্য্য ৰূপে তেওঁৰ নিয়োজনৰ অব্যৱহিত পূৰ্বে বৰঙণি দি আছিল ঃ

উপৰন্তু য'ত এনে কৰ্মচাৰী কোনো পেঞ্চন আচঁনিৰ এজন সদস্যহৈ আছিল, বিশ্ববিদ্যালয়ে এনে আচঁনিত আৱশ্যকীয় বৰঙণি প্ৰদান কৰিব।

(iii) উপাচাৰ্য্যই, কাৰ্য্যনিৰ্বাহক পৰিষদৰ দ্বাৰা নিৰ্দ্ধাৰিত কৰা এনে হাৰত ভ্ৰমণ ভাত্তাৰ বাবে হক্‌দাৰ হ'ব।

(iv) উপাচাৰ্য্য জন এটা পঞ্জিকা বৰ্ষত ত্ৰিশ দিনৰ হাৰত সম্পূৰ্ণ বেতনত ছুটিৰ বাবে হকদাৰ হ'ব আৰু দুটা প্ৰত্যেক বৰ্ষত জানুৱাৰী আৰু জুলাইৰ প্ৰথম দিনত প্ৰত্যেক পোন্ধৰ দিনৰ দুটা ছমহীয়া কিস্তিত অগ্ৰিমৰূপে তেওঁৰ হিচাপ জমা ৰখা হ'ব ঃ

পৰন্তু যদি উপাচাৰ্য্যই, এটা আধা বছৰ চলি থকাৰ সময়ত উপাচাৰ্য্যৰ পদৰ কাৰ্য্যভাৰ গ্ৰহণ কৰে বা পৰিত্যাগ কৰে, তেন্তে ছুটি, সেৱাৰ প্ৰত্যেক সম্পূৰ্ণ মাহৰ বাবে আঢ়ৈ দিনৰ এটা হাৰত সমানুপাতিক ভাবে জমা ৰখা হ'ব।

(v) উপখণ্ড (iv) ত নিৰ্দেশিত ছুটিৰ অতিৰিক্ত, উপাচাৰ্য্যজন, সেৱাৰ প্ৰত্যেক সম্পূৰ্ণ বৰ্ষৰ বাবে বিশদিনৰ এটা হাৰত অৰ্ধবেতন ছুটীৰ বাবে হক্‌দাৰ হ'ব আৰু অৰ্ধবেতন ছুটীও, চিকিৎসা প্ৰমাণপত্ৰৰ ওপৰত সম্পূৰ্ণ বেতনত পৰিৱৰ্ত্তিত ছুটীৰূপে উপভোগ কৰিব পাৰে ঃ

পৰন্তু যেতিয়া এনে পৰিৱৰ্তিত ছুটী উপভোগ কৰা হয়, অৰ্ধবেতন ছুটীৰ দুগুন পৰিমাণ, দেয় অৰ্ধবেতন ছুটীৰ বিৰুদ্ধে খৰচ কৰা হ'ব ঃ

(৭) যদিহে উপাচাৰ্য্যৰ পদ, মৃত্যু, পদত্যাগ বা অন্যথা ৰিক্ত হয় বা যদিহে তেওঁ অসুস্থতা বা আন কোনো কাৰণৰ বাবে তেওঁ কৰ্তব্যসমূহৰ সম্পাদন কৰাত অসমৰ্থ হয়, তেতিয়া প্ৰতি-উপাচাৰ্য্যই, উপাচাৰ্য্যৰ কৰ্তব্যসমূহ সম্পাদন কৰিব ঃ

পৰন্তু যদিহে প্ৰতি উপাচাৰ্য্য নাথাকে তেতিয়া জ্যেষ্ঠতম অধ্যাপকে, উপাচাৰ্য্যৰ কৰ্তব্যসমূহ সম্পাদন কৰিব যিপৰ্য্যন্ত এজন নতুন উপাচাৰ্য্যই পদ গ্ৰহণ নকৰে বা যথাস্থিতি বিদ্যামান উপাচাৰ্য্যই তেওঁৰ পদৰ কৰ্তব্যসমূহৰ কাৰ্যাৰম্ভ নকৰে।

*উপাচাৰ্য্যৰ ক্ষমতা আৰু কৰ্তব্য*

৩। (১) উপাচাৰ্য্যজন কাৰ্যনিৰ্বাহক পৰিষদ, শৈক্ষিক পৰিষদ আৰু বিত্ত সমিতিৰ পদেন সভাপতি হ'ব আৰু আচাৰ্য্যৰ অনুপস্থিতিত, ডিগ্ৰী প্ৰদানৰ বাবে অনুষ্ঠিত সমাৱৰ্তনত আৰু সভাৰ বৈঠকত সভাপতিত্ব কৰিব।

(২) উপাচাৰ্য্যজন বিশ্ববিদ্যালয়ৰ কোনো প্ৰাধিকৰণ বা আন নিকায়ৰ কোনো বৈঠকত উপস্থিত থাকিবলৈ আৰু বৈঠক সম্বোধিত কৰিবলৈ হক্‌দাৰ হ'ব, কিন্তু তাত ভোট দিয়াৰ বাবে হক্‌দাৰ নহব যিপৰ্য্যন্ত তেওঁ এনে প্ৰাধিকৰণ বা নিকায়ৰ এজন সদস্য নহয়।

(৩) এই অধিনিয়ম, পৰিনিয়ম, অধ্যাদেশ আৰু বিনিয়মাৱলী সম্যকভাবে পালন কৰা হৈছে, তাক চোৱাটো উপাচাৰ্য্যৰ কৰ্তব্য হ'ব আৰু তেওঁৰ এনে পালন সু-নিশ্চিত কৰাৰ আৱশ্যকীয় সকলো ক্ষমতা থাকিব।

(৪) উপাচাৰ্য্যৰ, বিশ্ববিদ্যালয়ত সঠিক অনুশাসন বজাই ৰাখাৰ বাবে আৱশ্যকীয় সকলো ক্ষমতা থাকিব আৰু তেওঁ এনে ব্যক্তি বা ব্যক্তিসমূহলৈ কোনো এনে ক্ষমতা আৰোপ কৰিব পাৰে যিদৰে তেওঁ উচিত গণ্য কৰে।

(৫) উপাচাৰ্য্যৰ, কাৰ্য্যনিৰ্বাহক পৰিষদ, শৈক্ষিক পৰিষদ, আৰু সমিতিৰ বৈঠকসমূহ আহ্বান কৰিবলৈ বা আহ্বানৰ বাবে কাৰিত কৰা থাকিব ঃ

*প্ৰতি উপাচাৰ্য্য*

৪। (১) প্ৰতি উপাচাৰ্য্যক, উপাচাৰ্য্যৰ চুপাৰিস্ত কাৰ্য্যনিৰ্বাহক পৰিষদৰ দ্বাৰা নিয়োজিত কৰা হ'ব ঃ

পৰন্তু য'ত উপাচাৰ্য্যৰ চুপাৰিছ কাৰ্য্যনিৰ্বাহক পৰিষদৰ দ্বাৰা গৃহীত নহয়, বিষয়টো কুলাধ্যক্ষলৈ প্ৰেৰণ কৰা হ'ব যিয়ে হয় উপাচাৰ্য্যৰ দ্বাৰা চুপাৰিছ কৰা ব্যক্তিক নিযুক্তি দিব পাৰে বা কাৰ্য্যনিৰ্বাহক পৰিষদলৈ আন ব্যক্তিক চুপাৰিছ কৰিবলৈ উপাচাৰ্য্যক কব পাৰে।

উপৰন্তু কাৰ্য্যনিৰ্বাহক পৰিষদে উপাচাৰ্য্যৰ চুপাৰিস্ত, এজন অধ্যাপক ৰূপে তেওঁ নিজা কৰ্তব্যসমূহৰ অতিৰিক্তত প্ৰতি-উপাচাৰ্য্যৰ কৰ্তব্য নিৰ্বহন কৰিবলৈ এজন অধ্যাপকক নিযুক্তি দিব পাৰে।

(২) প্ৰতি-উপাচাৰ্য্যৰ পদাৱধি কাৰ্য্যনিৰ্বাহক পৰিষদৰ দ্বাৰা বিনিশ্চিত কৰা দৰে এনে হ'ব কিন্তু ই কোনো ক্ষেত্ৰতেই পাচঁবছৰৰ অধিক নহব বা যি পৰ্যন্ত উপাচাৰ্য্যৰ পদাৱধিৰ অৱসান নহয়, যিটোৱেই আগতীয়া হয় ঃ

পৰন্তু প্ৰতি-উপাচাৰ্য্য, যাৰ পদাৱধিৰ অৱসান হৈছে পুনৰ নিযুক্তিৰ বাবে যোগ্য হ'ব ঃ

উপৰন্তু কোনো ক্ষেত্ৰত প্ৰতি-উপাচাৰ্য্যই সত্তৰ বছৰ বয়স প্ৰাপ্তিত অৱসৰ লব ঃ

অধিকন্তু প্ৰতি-উপাচাৰ্য্যই, পৰিনিয়ম (২) ৰ খণ্ড (৭) ৰ অধীনত উপাচাৰ্য্যৰ কৰ্তব্য নিৰ্বাহনত কৰি থকাৰ সময়ত, প্ৰতি-উপাচাৰ্য্য ৰূপে তেওঁৰ পদবধিৰ অৱসান হোৱা সত্বেও, পদধাৰণ কৰি থকিব, যিপৰ্য্যন্ত উপাচাৰ্য্যই পদৰ কাৰ্য্যৰাম্ভ নকৰে বা, যথাস্থিতি, এজন নতুন উপাচাৰ্য্যই পদৰ গ্ৰহণ নকৰে।

(৩) প্ৰতি-উপাচাৰ্য্যৰ পৰিভূতি আৰু সেৱাৰ আন নিবন্ধন আৰু চৰ্তাৱলী অধ্যাদেশৰ দ্বাৰা বিহিত কৰা দৰে এনে হ'ব ।

(৪) উপাচাৰ্য্যৰ দ্বাৰা সময়ে সময়ে, এই মৰ্মে বিনিৰ্দিষ্ট কৰা দৰে এনে বিষয়ৰ সম্বন্ধত প্ৰতি-উপাচাৰ্য্যই উপাচাৰ্য্যক সহায়তা কৰিব আৰু উপাচাৰ্য্যৰ দ্বাৰা সম্নুদেশিত আৰোপিত কৰা দৰে এনে ক্ষমতা কাৰ্য্যকৰীও কৰিব আৰু এনে কৰ্তব্য সম্পাদনো কৰিব।

*বিদ্যালয় সমূহৰ ডীন।*

৫। (১) বিদ্যালয়ৰ প্ৰত্যেক ডীনক, তিনিবছৰৰ এটা কালৰ বাবে জেষ্ঠতাৰ ক্ৰমত চক্ৰনুসাৰে বিদ্যালয়ত অধ্যাপকসমূহৰ মাজৰ পৰা উপাচাৰ্য্যৰ দ্বাৰা নিযুক্তি দিয়া হ'ব ঃ

পৰন্তু যদিহে এখন বিদ্যালয়ত কেৱল এজন অধ্যাপক থাকে বা কোনো অধ্যাপক নাথাকে, তেতিয়া ডীনক, জ্যেষ্ঠতাৰ ক্ৰমত চক্ৰনুসাৰে অধ্যাপক, যদি কোনো থাকে, আৰু বিদ্যালয়ৰ সহযোগী অধ্যাপকৰ মাজৰ পৰা তৎ সময়ৰ বাবে নিযুক্তি দিব পাৰে ঃ

উপৰন্তু পয়ষষ্ঠি বছৰ বয়স প্ৰাপ্ত কৰা এজন ডীনে এনেদৰে পদ ধাৰণ নকৰিব।

(২) যেতিয়া ডীনৰ পদৰিক্ত হয় বা যেতিয়া ডীনে অসুস্থতা অনুপস্থিতি বা আন কোনো কাৰণৰ বাবে তেওঁৰ পদৰ কৰ্তব্য সম্পাদন কৰিবলৈ অসমৰ্থ হয়, তাত বিদ্যালয়ৰ জেষ্ঠতম অধ্যাপক বা, যথাস্থিতি সহকাৰী অধ্যাপকৰ দ্বাৰা পদৰ কৰ্তব্য সম্পাদন কৰা হ'ব।

(৩) ডীন, বিদ্যালয়ৰ মুৰব্বী হ'ব আৰু বিদ্যালয়ত শিক্ষন আৰু গৱেষণাৰ মানদণ্ডৰ পৰিচালনা আৰু বজাই ৰখাৰ বাবে দায়ী হ'ব আৰু অধ্যাদেশৰ দ্বাৰা বিহিত কৰা দৰে এনে আন কৃতসমূহ থকিব।

(৪) ডীনৰ, অধ্যয়ন বোৰ্ড বা, যথাস্থিতি, বিদ্যালয়ৰ সমিতিৰ কোনো সভাত উপস্থিত থকাৰ আৰু মতামত দিয়াৰ অধিকাৰ থাকিব, কিন্তু তাত ভোটদানৰ অধিকাৰ নাথাকিব যিপৰ্য্যন্ত তেওঁ তাৰ এজন সদস্য নহয়।

*পঞ্জীয়ক*

৬। (১) পঞ্জীয়কক, এই প্ৰয়োজনাৰ্থে গঠিত এখন বাচঁনি সমিতিৰ চুপাৰিস্ত কাৰ্য্যনিৰ্বাহক পৰিষদৰ দ্বাৰা নিযুক্তি দিয়া হ'ব আৰু বিশ্ববিদ্যালয়ৰ এজন পুৰ্নকালীক বেতনভোগী পদধিকাৰী হ'ব।

(২) তেওঁক পাচঁবছৰৰ এটা অবধিৰ বাবে নিযুক্তি দিয়া হ'ব আৰু পুনৰ নিযুক্তিৰ বাবে যোগ্য হ'ব।

(৩) পঞ্জীয়কৰ পৰিভূতি আৰু সেৱাৰ নিবন্ধন আৰু চৰ্তাৱলী কাৰ্য্যনিৰ্বাহক পৰিষৰ দ্বাৰা সময়ে সময়ে বিহিত কৰা দৰে এনে হ'ব ঃ

পৰন্তু পঞ্জীয়কে বাষষ্টি বছৰ বয়স প্ৰাপ্তিত অৱসৰ লব।

(৪) যেতিয়া পঞ্জীয়কৰ পদ ৰিক্ত হয় বা যেতিয়া পঞ্জীয়কে অসুস্থতা, অনুপস্থিতি বা আন কোনো কাৰণৰ বাবে তেওঁৰ পদৰ কৰ্তব্য সম্পাদন কৰিবলৈ অসমৰ্থ হয়, তাত পদৰ কৰ্তব্য সমূহক, উপাচাৰ্য্যই এই প্ৰয়োজনাৰ বাবে নিযুক্তি দিয়া এনে ব্যক্তিৰ দ্বাৰা সম্পাদন কৰা হ'ব।

(৫) (ক) কাৰ্য্যনিৰ্বাহক পৰিষদৰ আদেশত বিনিৰ্দিষ্ট কৰা দৰে শিক্ষক আৰু আন শৈক্ষিক কৰ্মীক বৰ্হিভূত কৰি, এনে কৰ্মচাৰীৰ বিৰুদ্ধে অনুশাসনমূলক ব্যৱস্থা লবলৈ আৰু অনুসন্ধান নোহোৱালৈকে তেওঁলোকক নিলম্বন কৰিবলৈ তেওঁলোকৰ সকীয়নি দিবলৈ বা তেওঁলোকৰ ওপৰত তিৰস্কাৰৰ দণ্ড আৰোপ কৰিবলৈ বা (বেতন) বৃদ্ধিৰ ৰখাই থোৱাৰ ক্ষমতা থকিব ঃ

পৰন্তু এনে কোনো দণ্ড আৰোপ কৰা নহব যিপৰ্য্যন্ত ব্যক্তিজনক তেওঁৰ সম্বন্ধত লবলগীয়া প্ৰস্তাবিত কাৰ্য্যব্যৱস্থাৰ বিৰুদ্ধে কাৰণ দৰ্শোৱাৰ এটা যুক্তিসঙ্গত সুযোগ দিয়া নহয় ঃ

(খ) উপ-খণ্ড (ক) ত বিনিৰ্দিষ্ট দণ্ডসমূহৰ যিকোনোটোৰ আৰোপণত পঞ্জীয়কৰ কোনো আদেশৰ বিৰুদ্ধে উপাচাৰ্য্যলৈ কোনো আপীল নচলিব।

(গ) কোনো ক্ষেত্ৰত য'ত তদন্তই পঞ্জীয়কৰ ক্ষমতাৰ বাহিৰত কোনো শাস্তি তলব কৰে বুলি প্ৰকাশ তাত পঞ্জীয়কে তদন্তৰ সামৰণিৰ ওপৰত, তেওঁৰ চুপাৰিছৰ সৈতে একেলগে উপাচাৰ্য্যলৈ এটা প্ৰতিবেদন দাখিল কৰিব।

পৰন্তু কোনো দণ্ডৰ আৰোপ কৰণত উপাচাৰ্য্যৰ এটা আদেশৰ বিৰুদ্ধে কাৰ্য্যনিৰ্বাহক পৰিষদলৈ কোনো আপীল নচলিব।

(৬) পঞ্জীয়ক, কাৰ্য্যনিৰ্বাহক পৰিষদ আৰু শৈক্ষিক পৰিষদৰ পদেন সচিব হ'ব কিন্তু সেই প্ৰাধিকৰণৰ কোনোটোৰ এজন সদস্য বুলি গণ্য নহব আৰু তেওঁ সভাৰ পদেন সদস্য সচিব হ'ব।

(৭) নিম্নলিখিত সমূহ পঞ্জীয়কৰ কৰ্তব্য হ'ব-

(ক) কাৰ্য্যনিৰ্বাহক পৰিষদৰ তেওঁৰ ভাৰসাধনত চোপদ কৰা বিশ্ববিদ্যালয়ৰ নথি, সাধাৰণ মোহৰ আৰু এনে আন সম্পত্তিৰ অভিৰক্ষা কৰা ;

(খ) সভা কাৰ্য্যনিৰ্বাহক পৰিষদৰ শৈক্ষিক পৰিষদ আৰু সেই প্ৰাধিকৰণৰ দ্বাৰা নিয়োজিত কোনো সমিতিৰ বৈঠক আহ্বান কৰা সকলো জাননী জাৰী কৰা ;

(গ) সভা, কাৰ্য্যনিৰ্বাহক পৰিষদ, শৈক্ষিক পৰিষদ আৰু সেই প্ৰাধিকৰণৰ দ্বাৰা নিয়োজিত কোনো সমিতিৰ সকলো বৈঠকৰ কাৰ্য্যবিৱৰণী ৰখা ;

(ঘ) সভা, কাৰ্য্যনিৰ্বাহক পৰিষদৰ আৰু শৈক্ষিক পৰিষদৰ শাসকীয় পত্ৰ ব্যৱহাৰৰ পৰিচালন কৰা ;

(ঙ) বিশ্ববিদ্যালয়ৰ প্ৰাধিকৰণৰ বৈঠকৰ কাৰ্য্যসূচীত প্ৰতিলিপি, জাৰি কৰাৰ লগে লগে আৰু এনে সভাসমূহৰ কাৰ্য্যবিৱৰণী কুলাধক্ষ্যলৈ যোগান ধৰা ;

(চ) বিশ্ববিদ্যালয়ৰ দ্বাৰা বা বিৰুদ্ধে বাদবা কাৰ্য্যবাহীত বিশ্ববিদ্যালয়ক প্ৰতিনিধিত্ব কৰা, ন্যায়াবাদীৰ ওপৰত হস্তাক্ষৰ, আৰু প্ৰয়োজনাৰ্থে তেওঁৰ প্ৰতিনিধিৰ ওকালতিৰ সত্যাপন কৰা বা এই প্ৰয়োজনৰ বাবে তেওঁৰ প্ৰতিনিধিক প্ৰতিনিযুক্ত কৰা ;

(ছ) পৰিনিয়ম, অধ্যাদেশ বা বিনিয়মাৱলীত বিনিৰ্দিষ্ট কৰা দৰে বা কাৰ্য্যনিৰ্বাহক পৰিষদ বা উপাচাৰ্য্যৰ দ্বাৰা সময়ে সময়ে অপেক্ষিত কৰা দৰে এনে আন কৰ্তব্য সমূহ সম্পাদন কৰা।

*বিত্ত পদাধিকাৰী*

৭। (১) বিত্ত পদাধিকাৰীক, এই প্ৰয়োজনাৰ্থে গঠিত এখন বাচঁনি সমিতিৰ চুপাৰিছত কাৰ্য্যনিৰ্বাহক পৰিষদৰ দ্বাৰা নিযুক্তি দিয়া হ'ব আৰু তেওঁ বিশ্ববিদ্যালয়ৰ এটা পূৰ্ণকালীক বেতনভোগী পদাধিকাৰী হ'ব।

(২) বিত্ত পদাধিকাৰীক পাচঁবছৰৰ এটা অৱধিৰ বাবে নিযুক্তি দিয়া হ'ব আৰু পুনৰ নিযুক্তিৰ বাবে যোগ্য হ'ব।

(৩) বিত্ত পদাধিকাৰীৰ পৰিভূতি আৰু সেৱাৰ আন নিৰন্ধন আৰু চৰ্তাৱলী কৰ্য্যনিৰ্বাহক পৰিষদৰ দ্বাৰা সময়ে সময়ে বিহিত কৰা দৰে এনে হব ঃ

পৰন্তু বিত্ত পদাধিকাৰীয়ে বাষষ্ঠি বছৰ বয়সৰ প্ৰাপ্তিত অৱসৰ লব।

(৪) যেতিয়া বিত্ত পদাধিকাৰীৰ পদৰিক্ত হয় বা যেতিয়া বিত্ত পদাধিকাৰী অসুস্থতা, অনুপস্থিতি বা কোনো আন কাৰণৰ বাবে তেওঁৰ পদৰ কৰ্তব্য সমূহ সম্পাদন কৰিবলৈ অসমৰ্থ হয়, তেতিয়া পদৰ কৰ্তব্য সমূহ, উপাচাৰ্য্যই এই প্ৰয়োজনাৰ্থে নিযুক্তি দিয়া এনে ব্যক্তিৰ দ্বাৰা সম্পাদন কৰা হ'ব।

(৫) বিত্ত পদাধিকাৰী, বিত্ত সমিতিৰ পদেন সচিব হ'ব, কিন্তু এনে সমিতিৰ এজন সদস্য বুলি গণ্য কৰা নহব।

(৬) বিত্ত পদাধিকাৰীয়ে-

(ক) বিশ্ববিদ্যালয়ৰ নিধিৰ ওপৰত সাধাৰণ পৰ্য্যবেক্ষন প্ৰয়োগ কৰিব আৰু ইয়াৰ বিত্তীয় নীতিৰ বিষয়ত ইয়াক পৰামৰ্শ দিব আৰু

(খ) কাৰ্য্যনিৰ্বাহক পৰিষদৰ দ্বাৰা তেওঁলৈ সমনুদেশিত কৰা বা পৰিনিয়ম বা অধ্যাদেশৰ দ্বাৰা বিহিত কৰা তেওঁলৈ এনে আন বিত্তীয় কৃত্য সমূহ সম্পাদন কৰিব।

(৭) কাৰ্য্যনিৰ্বাহক পৰিষদৰ নিয়ন্ত্ৰণৰ সাপেক্ষে, বিত্ত পদাধিকাৰীয়ে-

(ক) ন্যাস আৰু স্থায়ী নিধি সম্পত্তিক অৰ্ন্তভূক্ত কৰি বিশ্ববিদ্যালয়ৰ সম্পত্তি আৰু বিনিয়োগ ধাৰণ আৰু পৰিচালনা কৰিব ঃ

(খ) এটা বছৰৰ বাবে আবৰ্তক আৰু অনাবৰ্তক খৰচৰ বাবে কাৰ্য্যনিৰ্বাহক পৰিষদৰ দ্বাৰা নিৰ্দ্ধাৰিত পৰিসীমাৰ অধিক হোৱা নাই বুলি আৰু সকলো ধনৰাশি সেইবোৰক মঞ্জুৰ বা আবন্টিত কৰা প্ৰয়োজনৰ বাবে খৰচ কৰা বুলি অভিনিশ্চত কৰিব ঃ

(গ) বিশ্ববিদ্যালয়ৰ বাৰ্ষিক হিচাপ আৰু বাজেট প্ৰস্তুতকৰণৰ বাবে আৰু কাৰ্য্যনিৰ্বাহক পৰিষদলৈ সেইবোৰক উপস্থাপন কৰাৰ বাবে দায়ী হ'ব।

(ঘ) নগদ ধনৰাশি আৰু বেঙ্ক উদ্ধতিৰ স্থিতি আৰু বিনিয়োগৰ স্থিতিৰ ওপৰত নিৰন্তৰ লক্ষ্য ৰাখিব।

(ঙ) ৰাজহ সংগ্ৰহৰ প্ৰগতিৰ ওপৰত লক্ষ্য ৰাখিব আৰু নিয়োজিত সংগ্ৰহ পদ্ধতিৰ ওপৰত পৰামৰ্শ দিব ঃ

(চ) ভৱন, ভূমি,আচবাব আৰু সা-সজুলিৰ পঞ্জী অদ্যাবধি সংৰক্ষিত বুলি আৰু সকলো কাৰ্য্যালয়, বিভাগ, কেন্দ্ৰ আৰু বিশেষজ্ঞ গবেষনাগাৰৰ সা-সজুলী আৰু আন ব্যৱহাৰ্য্য সামগ্ৰী সমূহৰ ষ্টক নিৰীক্ষণ কৰা হৈছে বুলি অভিনিশ্চত কৰিব ঃ

(ছ) অপ্ৰাধিকৃত ব্যয় আৰু আন বিত্তীয় অনিয়ম উপাচাৰ্য্যৰ দৃষ্টিলৈ আনিব আৰু দোষী ব্যক্তিৰ বিৰুদ্ধে অনুশাসন মূলক ব্যৱস্থাৰ পৰামৰ্শতি দিব ঃ আৰু

(জ) তেওঁৰ কৰ্তব্য সমূহৰ সম্পাদনৰ বাবে তেওঁ আৱশ্যকীয় বিবেচনা কৰা বিশ্ববিদ্যালয়ৰ দ্বাৰা পৰিচালিত কোনো কাৰ্য্যালয়, বিভাগ, কেন্দ্ৰ, গবেষণাগাৰ, মহাবিদ্যালয় বা শিক্ষা প্ৰতিষ্ঠানৰ পৰা কোনো তথ্য বা প্ৰবিৱৰণ বিচাৰিব।

(৮) বিশ্ববিদ্যালয়ক দিবলগীয়া কোনো ধনৰাশিৰ বাবে বিত্ত পদাধিকাৰী বা কাৰ্য্যনিৰ্বাহক পৰিষদৰ দ্বাৰা এই মৰ্মে সম্যকৰূপে প্ৰাধিকৃত ব্যক্তি বা ব্যক্তিসমূহৰ দ্বাৰা দিয়া কোনো ৰচিদ এনে ধনৰাশি আদায়ৰ বাবে পৰ্য্যন্ত নিৰ্বহন হ'ব।

*পৰীক্ষাৰ নিয়ন্ত্ৰক*

৮। (১) পৰীক্ষাৰ নিয়ন্ত্ৰকক, এই প্ৰয়োজনাৰ্থে গঠিত এখন বাচঁনি সমিতিৰ চুপাৰিস্ত কাৰ্য্যনিৰ্বাহক পৰিষদৰ দ্বাৰা নিযুক্তি দিয়া হ'ব আৰু তেওঁ বিশ্ববিদ্যালয়ৰ এজন পূৰ্ণকালীক বেতনভোগী পদাধিকাৰী হ'ব।

(২) পৰীক্ষাৰ নিয়ন্ত্ৰকক পাচঁবছৰৰ এটা অৱধিৰ বাবে নিযুক্তি দিয়া হ'ব আৰু পুনৰ নিযুক্তিৰ বাবে যোগ্য হ'ব।

(৩) পৰীক্ষাৰ নিয়ন্ত্ৰকৰ পৰিভুতি আৰু সেৱাৰ আন নিৰন্ধন আৰু চৰ্ত্তাৱলী কাৰ্য্যানিৰ্বাহক পৰিষদে সময়ে সময়ে বিহিত কৰা দৰে এনে হ'ব ঃ

পৰন্তু পৰীক্ষাৰ নিয়ন্ত্ৰকে বাষষ্ঠি বছৰ বয়স প্ৰাপ্তিত অৱসৰ লব।

(৪) যেতিয়া পৰীক্ষাৰ নিয়ন্ত্ৰকৰ পদৰিক্ত হয়, বা যেতিয়া পৰীক্ষাৰ নিয়ন্ত্ৰকে অসুস্থতা, অনুপস্থিতি বা আন কোনা কাৰণৰ বাবে তেওঁৰ পদৰ কৰ্তব্য সমূহ সম্পাদন কৰিবলৈ

অসমৰ্থ হয়, তেতিয়া পদৰ কৰ্তব্য সমূহক, উপাচাৰ্য্যই এই প্ৰয়োজনাৰ্থে নিযুক্তি দিয়া এনে ব্যক্তিৰ দ্বাৰা সম্পাদন কৰা হ'ব।

(৫) পৰীক্ষাৰ নিয়ন্ত্ৰকে, অধ্যাদেশৰ দ্বাৰা বিহিত কৰা ৰীতিত বিশ্ববিদ্যালয়ৰ পৰীক্ষাসমূহৰ বাবে ব্যৱস্থা আৰু অধীক্ষণ কৰিব।

*গ্ৰন্থাগাৰক*

৯। (১) গ্ৰন্থাগাৰকক, এই প্ৰয়োজনাৰ্থে গঠিত বাচঁনি সমিতিৰ চুপাৰিছত কাৰ্য্যনিৰ্বাহক পৰিষদৰ দ্বাৰা নিযুক্তি দিয়া হ'ব আৰু তেওঁ বিশ্ববিদ্যালয়ৰ এজন পূৰ্নকালীক বেতনভোগী পদাধিকাৰী হ'ব।

(২) গ্ৰন্থাগাৰকে, কাৰ্য্যনিৰ্বাহক পৰিষদৰ দ্বাৰা তেওঁলৈ সমনুদেশিত কৰা এনে ক্ষমতা কাৰ্য্যকৰী কৰিব আৰু এনে কৰ্তব্য সম্পাদন কৰিব।

*সভাৰ বৈঠক*

১০। (১) সভাৰ বাৰ্ষিক বৈঠক, কাৰ্য্যনিৰ্বাহক পৰিষদৰ দ্বাৰা নিৰ্ধাৰিত কৰা এটা তাৰিখত অনুস্থিত কৰা হ'ব যিপৰ্য্যন্ত কোনো বছৰৰ সম্বন্ধত সভাৰ দ্বাৰা কিছুমান আন তাৰিখ নিৰ্ধাৰণ কৰা নহয়।

(২) সভাৰ এখন বাৰ্ষিক বৈঠকত পৰৱৰ্তী বৰ্ষৰ প্ৰাপ্তি আৰু ব্যয়ৰ, এটা বিবৃতি, হিচাপ পৰীক্ষা কৰা উদ্ধৃত প্ৰত্ৰ আৰু বিত্তীয় প্ৰাকলনসহ একেলগে, পূৰ্ববৰ্ত্তী বৰ্ষত বিশ্ববিদ্যালয়ৰ কাম-কাজৰ ওপৰত এখন প্ৰতিবেদন উপস্থাপন কৰা হ'ব।

(৩) খণ্ড (২)ত নিৰ্দেশিত প্ৰাপ্তি আৰু ব্যয়, উদ্ধৃত পত্ৰ আৰু বিত্তীয় প্ৰাক্‌কলনৰ বিবৃত্তিৰ এটা প্ৰতিলিপি, বাৰ্ষিক বৈঠকৰ তাৰিখৰ কমেও সাতদিন পূৰ্বে সভাৰ প্ৰত্যেক সদস্যলৈ প্ৰেৰণ কৰা হ'ব।

(৪) সভাৰ বিশষ বৈঠকসমূহ কাৰ্য্যনিৰ্বাহক পৰিষদ বা উপ-চাৰ্য্যৰ দ্বাৰা বা যদি কোনো উপাচাৰ্য্য নাথাকে, তেন্তেপ্ৰতি উপাচাৰ্য্য বা যদি কোনো প্ৰতি-উপাচাৰ্য্য নাথাকে, তেতিয়া পঞ্জীয়কৰ দ্বাৰা আহ্বান কৰিব পাৰে।

(৫) সভাৰ এঘাৰ জন সদস্যই, সভাৰ এখন বৈঠকৰ বাবে এটা থূল গঠন কৰিব।

*কাৰ্য্যনিৰ্বাহক পৰিষদৰ বৈঠকৰ থূল।*

১১। কাৰ্য্যনিৰ্বাহক পৰিষদৰ সাতজন সদস্যই কাৰ্যনিৰ্বাহক পৰিষদৰ এখন বৈঠকৰ বাবে এটা থূল গঠন কৰিব।

*কাৰ্য্যনিৰ্বাহক পৰিষদৰ ক্ষমতা আৰু কৃত।*

১২। (১) কাৰ্যনিৰ্বাহক পৰিষদ, বিশ্ববিদ্যালয়ৰ ৰাজহ আৰু সম্পত্তিৰ পৰিচালনৰ আৰু প্ৰশাসনক আৰু অন্যথা উপবন্ধিত ব্যতিৰেকে বিশ্ববিদ্যালয়ৰ সকলো প্ৰশাসনিক কাৰ্য্যকলাপৰ পৰিচালনাৰ ক্ষমতা থাকিব।

(২) এই অধিনিয়ম, পৰিনিয়ম, আৰু অধ্যাদেশৰ উপন্ধাৱলীৰ সাপেক্ষে কাৰ্য্যনিৰ্বাহক পৰিষদৰ ইয়ালৈ ন্যস্ত আন সকলো ক্ষমতাৰ অতিৰিক্ত, নিম্নলিখিত ক্ষমতা থাকিব, অৰ্থাৎ ঃ-

(i) আচাৰ্য্যক পদত অন্তৰ্ভুক্ত কৰি শিক্ষন আৰু আন শৈক্ষিক পদৰ সৃষ্টি কৰা, আৰু এনে পদৰ সংখ্যা আৰু পৰিভূতি নিৰ্ধাৰণ কৰা আৰু অধ্যাপক, সহযোগী অধ্যাপক, সহকাৰী অধ্যাপক আৰু আন শৈক্ষিক কৰ্মচাৰীবৃন্দৰ সেৱাৰ কৰ্তব্য আৰু চৰ্তাৱলী পৰিভাষিত কৰা ঃ

পৰন্তু শৈক্ষিক পৰিষদৰ চুপাৰিছ্ৰ বিবেচনা ব্যতিৰেকে শিক্ষক আৰু আন শৈক্ষিক কৰ্মীৰ সংখ্যাৰ আৰু অৰ্হতাৰ সম্বন্ধত কাৰ্য্যনিৰ্বাহক পৰিষদৰ দ্বাৰা কোনো কাৰ্য্য ব্যৱস্থা লোৱা নহব।

(ii) এই প্ৰয়োজনাৰ্থে গঠিত বাচনি সমিতিৰ চুপাৰিছত আৱশ্যকীয় হোৱা দৰে, আচাৰ্য্যপদক অৰ্ন্তভূক্ত কৰি এনে অধ্যাপক সহযোগী অধ্যাপক, সহকাৰী অধ্যাপক আৰু আন শৈক্ষিক কৰ্মীক নিযুক্তি দিয়া আৰু তাত থকা অস্থায়ী পদৰিক্তি পূৰণ কৰা ;

(iii) বিভিন্ন বিদ্যালয়, বিভাগ আৰু কেন্দ্ৰসমূহত শিক্ষন বা কৰ্মীৰ যুটীয়া নিযুক্তিৰ দ্বাৰা অৰ্ন্তমূখী গৱেষণা উন্নীত কৰা ;

(iv) প্ৰশাসনিক, মন্ত্ৰালয় আৰু আন আৱশ্যকীয় পদ সৃষ্টি কৰা আৰু তেওঁলোকৰ কৰ্তব্য আৰু তেওঁলোকৰ সেৱাৰ চৰ্ত্তাৱলী পৰিভাষিত কৰা আৰু অধ্যাদেশৰ দ্বাৰা বিহিত কৰা ৰীতিত তাত নিযুক্তি দিয়া ;

(v) আচাৰ্য্য আৰু উপাচাৰ্য্যৰ ব্যতিৰেকে বিশ্ববিদ্যালয়ৰ কোনো পদাধিকাৰীক অনুপস্থিতিৰ ছুটি মঞ্জুৰ কৰা আৰু তেওঁৰ অনুপস্থিতিৰ কালত এনে পদাধিকাৰীৰ কৃত্যসমূহৰ নিৰ্বহনৰ বাবে আৱশ্যকীয় ব্যৱস্থা লোৱা ;

(vi) পৰিনিয়ম আৰু অধ্যাদেশৰ অনুসৰণত কৰ্মচাৰী বৃন্দৰ মাজত অনুশাসন বিনিয়মিত আৰু বলবৎ কৰা ;

(vii) বিশ্ববিদ্যালয়ৰ বিত্ত, হিচাপ, বিনিয়োগ, সম্পত্তি, ব্যৱসায় আৰু আন সকলো প্ৰশাসনিক কাৰ্য্যকলাপৰ পৰিচালনা আৰু বিনিয়মিত কৰা আৰু সেই প্ৰয়োজনৰ বাবে ই উচিত ভবা দৰে এনে এজেন্টক নিযুক্তি দিয়া ;

(viii) বিত্ত সমিতিৰ চুপাৰিছত এবছৰৰ বাবে মুঠ আবৰ্ত আৰু মুঠ অনাবৰ্ত খৰচৰ ওপৰত পৰিসীমা নিৰ্ধাৰণ কৰা ;

(ix) কোনো অপ্ৰযোজ্য আয়ক অৰ্ন্তভূক্ত কৰি, ই উচিত ভবা দৰে, সময়ে সময়ে বিশ্ববিদ্যালয়ৰ এনে ধনৰাশি, এনে ষ্টক, নিধি, অংশ বা প্ৰতিভূতিত বা সময়ে সময়ে এনে বিনিয়োগৰ পৰিবৰ্তনৰ সদৃশ ক্ষমতাসহ ভাৰতত স্থাৱৰ সম্পত্তি ক্ৰয়ত বিনিয়োগ কৰা ;

(x) বিশ্ববিদ্যালয়ৰ হকে কোনো অস্থাৱৰ বা স্থাৱৰ সম্পত্তিৰ অন্তৰণ কৰা বা অন্তৰণ গ্ৰহণ কৰা ;

(xi) বিশ্ববিদ্যালয়ৰ কামকাজ চলাবৰ বাবে আৱশ্যকীয় ভৱন, চৌহদ, আচবাব আৰু যন্ত্ৰপাতি আৰু আন উপায়ৰ উপৰন্ধ কৰা ;

(xii) বিশ্ববিদ্যালয়ৰ হকে চুক্তিত, প্ৰবিষ্ট, পৰিৱৰ্তন, সম্পন্ন আৰু বাতিল কৰা ;

(xiii) কোনো কাৰণত ব্যক্তি বুলি অনুভৱ কৰা বিশ্ববিদ্যালয়ৰ কৰ্মচাৰী আৰু ছাত্ৰসকলৰ মনোৰঞ্জন দিয়া, ন্যায় নিৰ্ণয় কৰা, আৰু যদি উচিত বুলি ভাবে অভিযোগৰ প্ৰতিকাৰ কৰা ;

(xiv) শৈক্ষিক পৰিষদৰ পৰামৰ্শৰ পিচত পৰীক্ষক আৰু পৰীক্ষা নিয়ন্ত্ৰকক নিযুক্তি দিয়া আৰু, যদি আৱশ্যক হয় তেওঁলোকক অপসাৰণ কৰা আৰু তেওঁলোকৰ মাচুল, পৰিভূতি আৰু ভ্ৰমন আৰু আন ভাত্তাসমূহ নিৰ্দ্ধাৰণ কৰা ;

(xv) বিশ্ববিদ্যালয়ৰ বাবে এটা সাধাৰণ মোহৰ বাচঁনি কৰা আৰু এনে মোহৰৰ ব্যৱহাৰৰ উপবন্ধ কৰা ;

(xvi) মহিলা ছাত্ৰীসকলৰ বাসগৃহৰ বাবে আৱশ্যকীয় হোৱা এনে বিশেষ ব্যৱস্থা কৰা ;

(xvii) বৃত্তিভোগী সদস্যপদ, ছাত্ৰ বৃৰ্ত্তি, অধ্যয়নবৃত্তি, মেদেল আৰু পুৰস্কাৰৰ প্ৰবৰ্ত্তন কৰা ঃ

(xviii) অভ্যাগত অধ্যাপক, প্ৰতিষ্টিত অধ্যাপক, পৰামৰ্শকাৰী আৰু বিদ্বান ব্যক্তিৰ নিযুক্তিৰ বাবে উপৱন্ধ কৰা আৰু এনে নিযুক্তিৰ নিৱন্ধন আৰু চৰ্তাৱলী নিদ্ধাৰণ কৰা ;

(xix) জ্ঞান বৃদ্ধিৰ বাবে উদ্যোগ আৰু বেচৰকাৰী এজেঞ্চীৰ সৈতে অংশীদাৰত প্ৰবিষ্ট হোৱা আৰু এনে অংশদাৰীৰ লাভৰ পৰা উত্তৱ হোৱা এটা সমগ্ৰনিধি স্থাপন কৰা ; আৰু

(xx) এই অধিনিয়ম বা পৰিনিয়মৰ দ্বাৰা ইয়ালৈ প্ৰদত্ত বা আৰোপিত কৰা দৰে এনে আন ক্ষমতা কাৰ্য্যকৰী কৰা আৰু এনে আন কৰ্তব্য সম্পাদন কৰা।

*শৈক্ষিক পৰিষদৰ বৈঠকৰ থূল।*

১৩। শৈক্ষিক পৰিষদৰ নজন সদস্যই, শৈক্ষিক পৰিষদৰ এখন বৈঠকৰ বাবে এটা থূল গঠন কৰিব।

*শৈক্ষিক পৰিষদৰ ক্ষমতা আৰু কৃত্য।*

১৪। এই অধিনিয়মৰ পৰিনিয়ম আৰু অধ্যাদেশৰ উপৱন্ধাৱলী সাপেক্ষে, শৈক্ষিক পৰিষদৰ, ইয়াত ন্যস্ত কৰা আন সকলো ক্ষমতাৰ অতিৰিক্ত, নিম্নলিখিত ক্ষমতাসমূহ থাকিব, অৰ্থাৎ ঃ-

(ক) বিশ্ববিদ্যালয়ৰ শৈক্ষিক নীতিসমূহৰ ওপৰত সাধাৰণ পৰ্য্যবেক্ষন কাৰ্য্যকৰী কৰা আৰু শিক্ষন প্ৰক্ৰিয়া, মহাবিদ্যালয় আৰু শিক্ষা প্ৰতিষ্ঠান সমূহৰ মাজত শিক্ষাৰ সমন্বয়, গবেষনাৰ মূল্যায়ন আৰু শৈক্ষিক মানদণ্ডৰ উন্নতিৰ সম্বন্ধত নিৰ্দেশনা দিয়া ;

(খ) আন্তঃ বিদ্যালয়ৰ সমন্বয় সাধন আৰু উন্নতি কৰা আৰু এই প্ৰয়োজনাৰ্থে আৱশ্যকীয় গন্য কৰা দৰে এনে সমিতি বা বোৰ্ড স্থাপন কৰা বা নিযুক্তি দিয়া ;

(গ) সাধাৰণ শৈক্ষিক স্বাৰ্থৰ বিষয় সমূহ ইয়াৰ নিজা প্ৰচেষ্টাত বা এখন বিদ্যালয় বা কাৰ্য্যনিৰ্বাহক পৰিষদৰ দ্বাৰা এটা প্ৰসঙ্গ নিৰ্দেশৰ ওপৰত বিবেচনা কৰা আৰু ইয়াৰ ওপৰত সমুচিত কাৰ্য্য ব্যৱস্থা গ্ৰহণ কৰা ; আৰু

(ঘ) বিশ্ববিদ্যালয়ৰ শৈক্ষিক কামকাজ, অনুশাসন, আবাসগৃহ, নাম ভৰ্ত্তিকৰণ, বৃত্তিভোগী সদস্যপদ আৰু অধ্যবৃত্তি প্ৰদান কৰা, মাচুল, ৰেহাই, সামুহিক জীৱন আৰু উপস্থিতিৰ সম্বন্ধত পৰিনিয়ম আৰু অধ্যাদেশৰ সু-সঙ্গত এনে বিনিয়মাৱলী আৰু নিয়মাৱলী প্ৰণয়ন কৰা ;

*অধ্যয়ন কেন্দ্ৰ আৰু বিভাগ।*

১৫। (১) বিশ্ববিদ্যালয়ৰ, পৰিনিয়মত বিনিৰ্দিষ্ট কৰা দৰে এনে অধ্যয়ন কেন্দ্ৰ থাকিব।

(২) প্ৰত্যেক বিদ্যালয়ৰ এখন বিদ্যালয় বোৰ্ড থাকিব আৰু প্ৰথম বিদ্যালয় বোৰ্ডৰ সদস্যসমূহক তিনিবছৰৰ এটা অৱধিৰ বাবে কাৰ্যনিৰ্বাহক পৰিষদৰ দ্বাৰা মনোনীত কৰা হ'ব।

(৩) এখন বিদ্যালয়ৰ বোৰ্ডৰ গঠন, ক্ষমতা আৰু কৃত্যসমূহ অধ্যাদেশৰ দ্বাৰা বিহিত কৰা হ'ব।

(৪) এখন বিদ্যালয় বোৰ্ডৰ বৈঠকৰ পৰিচালনা আৰু এনে বৈঠকৰ বাবে অপেক্ষিত থুল, অধ্যাদেশৰ দ্বাৰা বিহিত কৰা হ'ব।

(৫) (ক) প্ৰত্যেক বিদ্যালয়, অধ্যাদেশৰ দ্বাৰা ইয়ালৈ সমনুৰ্দেশিত এনে বিভাগ সমূহেৰে গঠিত হ'ব।

পৰন্তু কাৰ্য্যনিৰ্বাহক পৰিষদে, শৈক্ষিক পৰিষদৰ চুপাৰিছত, অধ্যয়ন কেন্দ্ৰ স্থাপন কৰিব পাৰে য'লৈ বিশ্ববিদ্যালয়ৰ এনে শিক্ষকক সমনুদেশিত কৰা হব পাৰে যিদৰে কাৰ্য্যনিৰ্বাহক পৰিষদে আৱশ্যকীয় বুলি বিবেচনা কৰে।

(খ) প্ৰত্যেক বিভাগ নিম্নলিখিত সদস্য সমূহেৰে গঠিত হব ; অৰ্থাৎ ঃ

(i) বিভাগৰ শিক্ষক ;

(ii) বিভাগত গৱেষনা চলোৱা ব্যক্তি ;

(iii) বিদ্যালয়ৰ ডীন ;

(iv) বিভাগৰ জড়িত অবৈতনিক অধ্যাপক যদি কোনো থাকে ; আৰু

(v) অধ্যাদেশৰ উপবন্ধাৱলীৰ অনুসৰণত বিভাগৰ সদস্য হোৱা এনে আন ব্যক্তি।

*অধ্যয়ন বোৰ্ড*

১৬। (১) প্ৰত্যেক বিভাগ, এখন অধ্যয়ন বোৰ্ড হ'ব।

(২) অধ্যয়ন বোৰ্ডৰ গঠন আৰু ইয়াৰ সদস্যৰ পদাবধি অধ্যাদেশৰ দ্বাৰা বিহিত কৰা হ'ব।

(৩) শৈক্ষিক পৰিষদৰ সমগ্ৰ নিয়ন্ত্ৰণ আৰু পৰ্যবেক্ষনৰ সাপেক্ষে বিভিন্ন ডিগ্ৰীৰ গবেষনা আৰু গবেষনা ডিগ্ৰীৰ আন অপেক্ষাৰ বাবে বিষয়ৰ অনুমোদন কৰা আৰু অধ্যাদেশৰ দ্বাৰা বিহিত ৰীতিত সংশ্লিষ্ট বিদ্যালয় বোৰ্ডক চুপাৰিছ কৰাটো, এখন অধ্যয়ন বোৰ্ডৰ কৃত্য হ'ব-

(ক) গবেষনা ডিগ্ৰীৰ বাহিৰে পাঠ্যক্ৰম আৰু পাঠ্যক্ৰমৰ পৰীক্ষকৰ নিযুক্তি ;

(খ) গবেষনাৰ বাবে পৰ্যবেক্ষকৰ নিযুক্তি ; আৰু

(গ) শিক্ষন আৰু গবেষনাৰ মানদণ্ডৰ উন্নতিৰ বাবে ব্যৱস্থা ;

পৰন্তু এখন অধ্যয়ন বোৰ্ডৰ উপৰোক্ত কৃত্যসমূহ এই অধিনিয়মৰ প্ৰাৰম্ভৰ অব্যৱহিত পশ্চাৎ তিনিবছৰৰ কালৰ ভিতৰত বিভাগৰ দ্বাৰা সম্পাদন কৰা হ'ব।

*বিত্ত সমিতি*

১৭। (১) বিত্ত সমিতি নিম্নলিখিত সদস্যসমূহেৰে গঠিত হ'ব ; অৰ্থাৎ ঃ-

(i) উপাচাৰ্য্য ;

(ii) প্ৰতি-উপাচাৰ্য্য ;

(iii) সভাৰ দ্বাৰা মনোনীত এজন ব্যক্তি ;

(iv) কাৰ্য্যনিৰ্বাহক পৰিষদৰ দ্বাৰা মনোনীত কৰা তিনিজন ব্যক্তি যাৰ ভিতৰত কমেও এজন কাৰ্য্যনিৰ্বাহক পৰিষদৰ এজন সদস্য হ'ব ; আৰু

(v) কুলাধ্যক্ষৰ দ্বাৰা মনোনীত তিনিজন ব্যক্তি।

(২) বিত্ত সমিতিৰ পাচঁজন সদস্যই বিত্ত সমিতিৰ এখন বৈঠকৰ বাবে এটা থূল গঠন কৰিব।

(৩) পদেন সদস্যৰ ব্যতিৰেকে, বিত্ত সমিতিৰ সকলো সদস্যই, তিনিবছৰৰ এটা অবধিৰ বাবে পদ ধাৰণ কৰিব।

(৪) বিত্ত সমিতিৰ এজন সদস্যৰ অসন্মতিৰ এটা টোকা অভিলেখিত কৰাৰ অধিকাৰ থাকিব যদিহে তেওঁ বিত্ত পৰিষদৰ কোনো বিনিশ্চয়ৰ সৈতে একমত নহয়।

(৫) বিত্ত সমিতিয়ে হিচাপ পৰীক্ষা কৰিবলৈ আৰু ব্যয়ৰ প্ৰস্তাব পৰীক্ষা কৰিবলৈ প্ৰত্যেক বছৰত কমেও তিনিবাৰ মিলিত হ'ব।

(৬) পদ সৃষ্টিৰ সম্পৰ্কিত সকলো প্ৰস্তাব আৰু আন বিষয় যিবোৰক বাজেটত অন্তৰ্ভূক্ত কৰা হোৱা নাই, কাৰ্য্যনিৰ্বাহক পৰিষদৰ দ্বাৰা সেইবোৰক বিবেচনা কৰাৰ পূৰ্বে বিত্ত সমিতিৰ দ্বাৰা পৰীক্ষা কৰা হ'ব।

(৭) বিত্তীয় পদাধিকাৰীৰ দ্বাৰা প্ৰস্তুত কৰা বিশ্ববিদ্যালয়ৰ বাৰ্ষিক হিচাপ আৰু বিত্তীয় প্ৰাককলন বিবেচনা আৰু মতামতৰ বাবে বিত্ত সমিতত উত্থাপন কৰা হ'ব আৰু তাৰ পিছত অনুমোদনৰ বাবে কাৰ্য্যনিৰ্বাহক পৰিষদলৈ দাখিল কৰা হ'ব।

(৮) বিত্ত সমিতিয়ে, বিশ্ববিদ্যালয়ৰ আয় আৰু সম্পদৰ ওপৰত আধাৰিত (যিয়ে উৎপাদক কাৰ্য্যৰ ক্ষেত্ৰত, আপক্ষক অৰ্ন্তভূক্ত কৰে) বছৰৰ বাবে মুঠ আবৰ্তক ব্যয় আৰু মুঠ অনাবৰ্তক ব্যয়ৰ বাবে সীমাৰ অনুমোদন দিব।

*বাচনি সমিতি*

১৮। (১) বিশ্ববিদ্যালয়ৰ দ্বাৰা পৰিচালিত মহাবিদ্যালয় আৰু শিক্ষা প্ৰতিষ্ঠানৰ অধ্যাপক, সহযোগী অধ্যাপক, সহকাৰী অধ্যাপক, পঞ্জীয়ক বিত্ত পদাধিকাৰী, পৰীক্ষাৰ নিয়ন্ত্ৰক, গ্ৰন্থাগাৰক আৰু অধ্যক্ষৰ পদসমূহত নিযুক্তিৰ বাবে কাৰ্য্যনিৰ্বাহক পৰিষদলৈ চুপাৰিছয় কৰাৰ বাবে এখন বাচঁনি সমিতি থাকিব।

(২) নিম্নলিখিত তালিকাৰ স্তম্ভ ১ ত বিনিৰ্দিষ্ট পদসমূহত নিযুক্তিৰ বাবে থকা বাচঁনি সমিতি খন এজন উপাচাৰ্য্য, কুলাধ্যক্ষৰ এজন মনোননীত ব্যক্তি আৰু উক্ত তালিকাৰ স্তম্ভ ২ ৰ তদনুৰূপ প্ৰবিষ্ঠিত বিনিৰ্দ্দিষ্ট ব্যক্তিসমূহেৰে গঠিত হ'ব ঃ

## তালিকা

| ১ | ২ |
|---|---|
| *অধ্যাপক* | (i) বিদ্যালয়ৰ ডীন। |
| | (ii) বিভাগৰ মুৰব্বী যদি তেওঁ এজন অধ্যাপক হয়। |
| | (iii) সেই বিষয়ত তেওঁলোকৰ বিশেষ জ্ঞান বা ৰাপ থকা যাৰ সৈতে অধ্যাপকজন জড়িত থাকে, শৈক্ষিক পৰিষদৰ দ্বাৰা অনুমোদিত নামসমূহৰ এখন তালিকাৰ পৰা কৰ্য্যনিৰ্বাহক পৰিষদৰ দ্বাৰা মনোনীত বিশ্ববিদ্যালয়ৰ সেৱাত নথকা তিনিজন ব্যক্তি। |
| *সহযোগী অধ্যাপক/ সহকাৰী অধ্যাপক* | (i) বিভাগৰ মুৰব্বী |
| | (ii) উপাচাৰ্য্যৰ দ্বাৰা মনোনীত এজন অধ্যাপক |
| | (iii) সেই বিষয়ত তেওঁলোকৰ বিশেষ জ্ঞান বা ৰাপ থকা যাৰসৈতে সহযোগী অধ্যাপক বা সহকাৰী অধ্যাপক জন জড়িত থাকে শৈক্ষিক পৰিষদৰ দ্বাৰা অনুমোদিত নামসমূহৰ এখন তালিকাৰ পৰা কাৰ্য্যনিৰ্বাহক পৰিষদ দ্বাৰা মনোনীত কৰা, বিশ্ববিদ্যালয়ৰ সেৱাত থকা দুজন ব্যক্তি, |
| *পঞ্জীয়ক/বিত্তপদাধিকাৰী/ পৰীক্ষাৰ নিয়ন্ত্ৰক।* | (i) ইয়াৰ দ্বাৰা মনোনীত কাৰ্যনিৰ্বাহক পৰিষদৰ দুজন সদস্য। |
| | (ii) কাৰ্য্যনিৰ্বাহক পৰিষদৰ দ্বাৰা মনোনীত বিশ্ববিদ্যালয়ৰ সেৱাত নথকা এজন ব্যক্তি। |
| *গ্ৰন্থগাৰক* | (i) বিশ্ববিদ্যালয়ৰ সেৱাত নথকা দুজন ব্যক্তিক যাৰ গ্ৰন্থাগাৰ বিজ্ঞান বা গ্ৰন্থাগাৰ প্ৰশাসনৰ বিষয়ৰ বিশেষ জ্ঞান থাকে, কাৰ্য্যনিৰ্বাহক পৰিষদৰ দ্বাৰা মনোনীত কৰা হব। |
| *বিশ্ববিদ্যালয়ৰ দ্বাৰা পৰিচালিত মহাবিদ্যালয় বা শিক্ষা প্ৰতিষ্ঠানৰ অধ্যক্ষ।* | (ii) কাৰ্য্যনিৰ্বাহক পৰিষদৰ দ্বাৰা মনোনীত বিশ্ববিদ্যালয়ৰ সেৱাত নথকা এজন ব্যক্তি। বিশ্ববিদ্যালয়ৰ সেৱাত নথকা তিনিজন ব্যক্তি তাৰ দুজনক কাৰ্য্যনিৰ্বাহক পৰিষদৰ দ্বাৰা আৰু এজনক শৈক্ষিক পৰিষদৰ দ্বাৰা এটা বিষয়ত তেওঁলোকৰ বিশেষ জ্ঞান বা ৰাপ থকাৰ বাবে মনোনীত কৰা হ'ব, যি বিষয়ত শিক্ষন, মহাবিদ্যালয়ক শিক্ষা প্ৰতিষ্ঠানৰ দ্বাৰা উপৰন্ধিত কৰা হয়। |

*টোকা* ১ — য'ত নিয়োজন আন্ত ঃ অনুশাসনমূলক প্ৰকল্পৰ বাবে কৰা হয়, প্ৰকল্পৰ মুৰব্বীজনক, সংশ্লিষ্ট বিভাগৰ মুৰব্বী বুলি গন্য কৰা হ'ব।

*টোকা* ২ —উপাচাৰ্য্যৰ দ্বাৰা মনোনীত হোৱা অধ্যাপকজন বিশেষজ্ঞতাৰে এজন অধ্যাপক সম্বন্ধীয় ব্যক্তি হ'ব যাৰ বাবে এই বাচঁনি কৰা হৈছে আৰু উপাচাৰ্য্যই অধ্যাপকৰ মনোনয়নৰ পূৰ্বে বিভাগৰ মুৰব্বী আৰু বিদ্যালয়ৰ ডীনৰ পৰামৰ্শ লব।

(৩) উপাচাৰ্য্য বা তেওঁৰ অনুপস্থিতিত প্ৰতি-উপাচাৰ্য্যই বাচঁনি সমিতি আহ্বান কৰিব আৰু বৈঠকত সভাপতিত্ব কৰিব ঃ

পৰন্তু বাচঁনি সমিতিৰ বৈঠক, কুলাধ্যক্ষৰ মনোনীত ব্যক্তি আৰু কাৰ্য্যনিৰ্বাহক পৰিষদৰ দ্বাৰা মনোনীত বিশেষজ্ঞৰ সৈতে পূৰ্ব পৰামৰ্শৰ পিছত আৰু তেওঁলোকৰ সুবিধাৰ সাপেক্ষে, নিৰ্ধাৰণ কৰা হ'ব ঃ

উপৰন্তু বাচঁনি সমিতিৰ কাৰ্য্যবাহী বৈধ্য নহব যিঃ পৰ্যন্ত,-

(ক) যেতিয়া কুলাধ্যক্ষৰ মনোনীত ব্যক্তিৰ সংখ্যা আৰু কাৰ্য্যনিৰ্বাহক পৰিষদৰ দ্বাৰা মনোনীত ব্যক্তিৰ সংখ্যা মুঠত চাৰিজন হয় তেওঁলোকৰ কমেও তিনিজনে বৈঠকত উপস্থিত নাথাকে।

(খ) যেতিয়া কুলাধ্যক্ষৰ মনোনীত ব্যক্তিৰ সংখ্যাৰ আৰু কাৰ্য্যনিৰ্বাহকৰ পৰিষদৰ দ্বাৰা মনোনীত ব্যক্তিৰ সংখ্যা মুঠতে তিনিজন হয়, তেওঁলোকৰ কমেও দুজনে বৈঠকত উপস্থিত নাথাকে।

(৪) বাচঁনি সমিতিৰ দ্বাৰা অনুসৰণ কৰিবলগীয়া প্ৰক্ৰিয়া অধ্যাদেশত প্ৰণীত কৰা হ'ব।

(৫) যদিহে কাৰ্য্যনিৰ্বাহক পৰিষদে, বাচঁনি সমিতিৰ দ্বাৰা কৰা চুপাৰিছ গ্ৰহণ কৰিবলৈ অসমৰ্থ হয় তেতিয়া ই ইয়াৰ কাৰণসমূহ অভিলিখিত কৰিব আৰু বিষয়টো চুড়ান্ত আদেশৰ বাবে কুলাধ্যক্ষলৈ দাখিল কৰিব।

(৬) অস্থায়ী পদসমূহৰ নিযুক্তি, তলত উল্লেখ কৰা ৰীতিত দিয়া হব ঃ

(i) যদিহে অস্থায়ী পদৰিক্তি, এটা শৈক্ষিক বৰ্ষৰ কালতকৈ দীৰ্ঘ অবধিৰ বাবে হয়, তেন্তে ইয়াক পূৰ্বগামী খণ্ডসমূহৰ উল্লেখ কৰা প্ৰক্ৰিয়াৰ অনু-সৰনত বাচঁনি সমিতিৰ পৰামৰ্শত পূৰণ কৰা হ'ব ঃ

পৰন্তু কাম কাজৰ স্বাৰ্থত পদৰিক্তি পূৰণ কৰাটো আৱশ্যকীয় বুলি যদিহে উপাচাৰ্য্য সন্তুষ্ট হয় তেতিয়া ছয় মাহৰ অনধিক এটা অবধিৰ বাবে উপখণ্ড (ii) ত নিৰ্দেশিত এখন স্থানীয় বাচঁনি সমিতিৰ পৰামৰ্শত সম্পুৰ্নৰূপে অস্থায়ী আধাৰত নিযুক্তি দিয়া হ'ব।

(ii) যদিহে অস্থায়ী পদৰিক্তি এবছৰতকৈ এটা কম কালৰ বাবে হয়, তেন্তে এনে পদৰিক্তিৰ নিযুক্তি, সংশ্লিষ্ট বিদ্যালয়ৰ ডীন, বিভাগৰ মুৰব্বী আৰু উপাচাৰ্য্যৰ এজন মনোনীত ব্যক্তিৰে গঠিত এখন স্থানীয় বাচঁনি সমিতিৰ চুপাৰিছত দিয়া হ'ব ঃ

পৰন্তু যদিহে একেজন ব্যক্তিয়ে ডীন আৰু বিভাগৰ মুৰব্বীৰ ধাৰণ কৰে, তেতিয়া বাচঁনি সমিতিত উপাচাৰ্য্যৰ দুজন মনোনীত ব্যক্তিক ৰাখিব পাৰে ঃ

উপৰন্তু মৃত্যু বা কোনো আন কাৰণত শৈক্ষিক পদৰ হঠাতে হোৱা আকস্মিক

পদ ৰিক্তিৰ ক্ষেত্ৰত, ডীনে, সংশ্লিষ্ট বিভাগৰ মুৰব্বীৰ সৈতে পৰামৰ্শ কৰি এমাহৰ বাবে এটা অস্থায়ী নিযুক্তি দিব পাৰে আৰু এনে নিযুক্তিৰ বিষয়ে উপাচাৰ্য্য আৰু পঞ্জীয়কলৈ প্ৰতিবেদন দিয়ে।

(iii) অস্থায়ীভাৱে নিযুক্ত কোনো শিক্ষক, যদি তেওঁ পৰিনিয়মৰ অধীনত নিযুক্তিৰ বাবে এখন নিয়মীত বাচঁনি সমিতিৰ দ্বাৰা অনুমোদিত নহয়, এনে অস্থায়ী নিয়োজনৰ সেৱাত নাথাকিব, যি পৰ্য্যন্ত তেওঁ এটা অস্থায়ী যথাস্থিতি স্থায়ী নিযুক্তিৰ বাবে এখন স্থানীয় বাচঁনি সমিতি বা এখন নিয়মিত বাচঁনি সমিতিৰ দ্বাৰা পৰৱৰ্ত্তী ৰূপত তেওঁক বাচঁনি কৰা নহয়।

*নিয়োজনৰ বিশেষ প্ৰক্ৰম।*

১৯। (১) পৰিনিয়ম ১৮ ত কোনো কথা থকা সত্বেও, কাৰ্য্যনিৰ্বাহক পৰিষদে, ই উচিত গণ্য কৰা দৰে এনে নিৰন্ধন আৰু চৰ্তাৱলীৰ ওপৰত বিশ্ববিদ্যালয়ত অধ্যাপক বা সহযোগী অধ্যাপকৰ এটা পদ বা সমপৰ্য্যায়ৰ আন শৈক্ষিক পদ গ্ৰহণ কৰিবলৈ উচ্চ শৈক্ষিক উপাধি আৰু বৃত্তিক যোগ্যতা থকা এজন ব্যক্তিক আহ্বান কৰিব পাৰে আৰু এনেদৰে কৰিবলৈ সন্মত হোৱা ব্যক্তিক সেই পদত নিযুক্ত কৰিব পাৰে ঃ

পৰন্তু কাৰ্য্যনিৰ্বাহক পৰিষদে, এনে ব্যক্তিসমূহৰ নিযুক্তিৰ এটা বিনিৰ্দিষ্ট কালৰ বাবে সংখ্যাধিক্য পদো সৃষ্টি কৰিব পাৰে ঃ

উপৰন্তু এনেদৰে সৃষ্টি কৰা সংখ্যাধিক্য পদৰ সংখ্যা বিশ্ববিদ্যালয়ত মুঠ পদসমূহৰ পাচ শতাংশৰ অধিক নহব।

(২) কাৰ্য্যনিৰ্বাহক পৰিষদে, অধ্যাদেশত প্ৰণীত ৰীতিৰ অনুসৰণত এটা যুটীয়া প্ৰকল্প গ্ৰহণৰ বাবে কোনো আন বিশ্ববিদ্যালয় বা সংগঠনত কৰ্মৰত এজন শিক্ষক বা কোনো আন শৈক্ষিক কৰ্মীক নিযুক্তি দিব পাৰে।

*নিৰ্ধাৰীত অৱধিৰ বাবে নিযুক্তি।*

২০। কাৰ্য্যনিৰ্বাহক পৰিষদে ই উচিত গণ্য কৰা দৰে এনে নিৰন্ধন আৰু চৰ্তাৱলীৰ ওপৰত এটা নিৰ্ধাৰিত অৱধিৰ বাবে পৰিনিয়ম ১৮ত প্ৰণীত প্ৰক্ৰিয়াৰ অনুসৰণত বাচঁনি কৰা এজন ব্যক্তিক নিযুক্তি দিব পাৰে।

*সমিতিসমূহ*

২১। (১) বিশ্ববিদ্যালয়ৰ এটা প্ৰাধিকৰণে ই উচিত গণ্য কৰা দৰে বহু সংখ্যক স্থায়ী বা বিশেষ সমিতি নিযুক্তি দিব পাৰে, আৰু এনে সমিতিৰ ব্যক্তিসমূহক নিযুক্তি দিব পাৰে যি এনে প্ৰাধিকৰণৰ সদস্য নহয়।

(২) খণ্ড (১) ৰ অধীনত নিযুক্ত এখন সমিতিয়ে ইয়াক নিযুক্তি দিয়া প্ৰাধিকাৰণৰ দ্বাৰা পৰৱৰ্ত্তী দৃঢ়কৰণৰ সাপেক্ষে ইয়ালৈ আৰোপিত কোনো বিষয়ৰ সংব্যৱহাৰ কৰিব পাৰে।

*শিক্ষক, ইত্যাদিৰ সেৱাৰ নিৰন্ধন আৰু চৰ্ত্তাৱলী আৰু আচৰণ বিধি।*

২২। (১) বিশ্ববিদ্যালয়ৰ সকলো শিক্ষক আৰু আন শৈক্ষিক কৰ্মী প্ৰতিকুল হোৱা কোনোচুক্তিৰ অভাৱত, পৰিনিয়ম, অধ্যাদেশ আৰু বিনিয়মাৱলীত বিনিৰ্দিষ্ট কৰা দৰে সেৱাৰ নিৰন্ধন আৰু চৰ্তাৱলী আৰু আচৰণ ৰিধিৰ দ্বাৰা শাসিত হ'ব।

(২) শৈক্ষিক কৰ্মী সদস্যসমূহৰ পৰিভূতি অধ্যাদেশৰ দ্বাৰা বিহিত কৰা দৰে এনে হ'ব।

(৩) বিশ্ববিদ্যালয়ৰ প্ৰত্যেক শিক্ষক শৈক্ষিক কৰ্মীৰ সদস্যক এনে লিখিত সংবিদাত নিযুক্তি দিয়া হ'ব, যাৰ প্ৰ-পত্ৰ অধ্যাদেশৰ দ্বাৰা বিহিত কৰা হ'ব।

(৪) খণ্ড (৩) ত নিৰ্দেশিত প্ৰত্যেক সংবিদাৰ এটা প্ৰতিলিপি পঞ্জীয়কৰ ওচৰত জমা ৰখা হ'ব।

*আন কৰ্মচাৰীৰ সেৱাৰ নিৱন্ধন আৰু চৰ্ত্তাৱলী আৰু আচৰণ বিধি।*

২৩। (১) শিক্ষক আৰু আন শৈক্ষিক কৰ্মীৰ ব্যতিৰেকে বিশ্ববিদ্যালয়ৰ সকলো কৰ্মচাৰী, প্ৰতিকুল হোৱা কোনো সংবিদাৰ অভাবত পৰিনিয়ম, অধ্যাদেশ আৰু বিনিয়মাৱলীত বিনিৰ্দিষ্ট কৰা দৰে সেৱাৰ নিবন্ধন আৰু চৰ্ত্তাৱলী আৰু আচৰণ বিধিৰ দ্বাৰা শাসিত হ'ব।

(২) শিক্ষক আৰু আন শৈক্ষিক কৰ্মী ব্যতিৰেকে কৰ্মচাৰীৰ নিযুক্তিৰ ৰীতি আৰু পৰিভূতি অধ্যাদেশৰ দ্বাৰা বিহিত কৰা দৰে এনে হ'ব।

*জ্যেষ্ঠতাৰ তালিকা*

২৪। (১) পৰিনিয়মৰ অনুসৰণত যেতিয়া কোনো ব্যক্তিয়ে জ্যেষ্ঠতাৰ ভিত্তিত চক্ৰানুসাৰে কোনো পদ ধাৰণ কৰিবলগীয়া হয় বা বিশ্ববিদ্যালয়ৰ এটা প্ৰধিকাৰণৰ এজন সদস্য হবলগীয়া হয়, তেতিয়া এনে জ্যেষ্ঠতা, তেওঁৰ পদমৰ্যদাত এনে ব্যক্তিৰ নিৰন্তৰ সেৱা নিৰন্তৰ সেৱাকালৰ অনুসাৰে আৰু কাৰ্য্যনিৰ্বাহক পৰিষদে, সময়ে সময়ে বিহিত কৰা দৰে এনে আন নীতিৰ অনুসৰণত, নিৰ্ধাৰিত কৰা হ'ব।

(২) এই পৰিনিয়মৰ উপৰন্ধাৱলী প্ৰযোজ্য হোৱা ব্যক্তি সমূহৰ প্ৰত্যেক শ্ৰেণীৰ সম্বন্ধত খণ্ড (১) ৰ উপবন্ধাৱলীৰ অনুসৰণত এখন সম্পূৰ্ণ আৰু অদ্যৱধি জ্যেষ্ঠতাৰ তালিকা প্ৰস্তুত আৰু সংৰক্ষণ কৰাটো পঞ্জীয়কৰ কৰ্তব্য হ'ব।

(৩) যদিহে দুই বা ততোধিক ব্যক্তিৰ এটা বিশেষ পদমৰ্য্যাদাত সমান নিৰন্তৰ সেৱাকাল থাকে বা কোনো ব্যক্তি বা ব্যক্তিসমূহৰ জ্যেষ্ঠতাৰ সম্বন্ধত অন্যথা কোনো সন্দেহ থাকে; তেতিয়া পঞ্জীয়কে, তেওঁৰ স্বপ্ৰেৰণাৰে আৰু কোনো এনে ব্যক্তিৰ অনুৰোধত, কাৰ্য্যনিৰ্বাহক পৰিষদলৈ বিষয়টো দাখিল কৰিব ইয়াৰ ওপৰত যাৰ বিনিশ্চয় চূড়ান্ত হ'ব।

*বিশ্ববিদ্যালয়ৰ কৰ্মচাৰীসকলৰ অপসাৰণ।*

২৫। (১) যেতিয়া বিশ্ববিদ্যালয়ৰ এজন শিক্ষক, শৈক্ষিক কৰ্মীৰ এজন বা আন কৰ্মচাৰীৰ বিৰুদ্ধে অসদাচৰণৰ এটা অভিযোগ অনা হয়, উপাচাৰ্য্যই শিক্ষক বা শৈক্ষিক কৰ্মীৰ এজন সদস্য আৰু আন কৰ্মচাৰীৰ ক্ষেত্ৰত (ইয়াত ইয়াৰ পিছত নিয়োগকাৰী প্ৰাধিকাৰীৰূপে নিৰ্দেশিত) নিযুক্তি দিবলৈ সক্ষম হোৱা প্ৰাধিকাৰীক, লিখিত এটা আদেশৰ দ্বাৰা এনে শিক্ষক, শৈক্ষিক কৰ্মীৰ সদস্য বা যথাস্থিতি, আন কৰ্মচাৰীক নিলম্বন কৰিব আৰু লগে লগে কাৰ্য্যনিৰ্বাহক পৰিষদক আদেশটো কৰাৰ পৰিস্থিতিৰ বিষয়ে অৱগত কৰিব ঃ

পৰন্তু কাৰ্য্যনিৰ্বাহক পৰিষদে, গোচৰৰ পৰিস্থিতিয়ে শিক্ষক বা শৈক্ষিক কৰ্মীৰ এজন সদস্যৰ নিলম্বনক সমৰ্থন নকৰে বুলি যদিহে তেওঁ মত পোষণ কৰে, তেতিয়া এনে আদেশ প্ৰত্যাহাৰ কৰিব পাৰে।

(২) কৰ্মচাৰীৰ নিযুক্তিৰ সংবিদাৰ নিবন্ধনত বা সেৱাৰ কোনো আন নিৱন্ধন আৰু চৰ্ত্তাৱলীত কোনো কথা থকা সত্বেও, শিক্ষক আৰু আন শৈক্ষিক কৰ্মীৰ সম্বন্ধত কাৰ্য্যনিৰ্বাহক পৰিষদ আৰু আন কৰ্মচাৰীৰ সম্বন্ধত নিয়োগকাৰী প্ৰাধিকাৰীৰ অসদাচাৰৰ কাৰণত এজন শিক্ষক বা শৈক্ষিক কৰ্মীৰ এজন সদস্য বা যথাস্থিতি আন কৰ্মচাৰীক অপসাৰণ কৰাৰ ক্ষমতা থকিব।

(৩) উপৰোক্তৰ ব্যতিৰেকে, কাৰ্য্যনিৰ্বাহক পৰিষদ বা যথাস্থিতি নিয়োগকাৰী প্ৰাধিকাৰী এটা

উচিত কাৰণৰ ব্যতিৰেকে আৰু তিনিমাহৰ জাননী দিয়াৰ পিচত বা ইয়াৰ সলনি তিনিমাহৰ বেতনৰ আদায়ত কোনো শিক্ষক, শৈক্ষিক কৰ্মীৰ সদস্য বা আন কৰ্মচাৰীক অপসাৰণ কৰিবলৈ হক্‌দাৰ নহব।

(৪) কোনো শিক্ষক, শৈক্ষিক কৰ্মীৰ সদস্য বা আন কৰ্মচাৰীক খণ্ড (২) বা খণ্ড (৩) ৰ অধীনত অপসাৰিত কৰা নহব, যি পৰ্য্যন্ত তেওঁক তেওঁৰ সম্বন্ধত লবলগীয়া প্ৰস্তাৱিত কাৰ্য্য ব্যৱস্থাৰ বিৰুদ্ধে কাৰণ দৰ্শোৱাৰ এটা যুক্তিসঙ্গত সুযোগ দিয়া নহয়।

(৫) এজন শিক্ষক, শৈক্ষিক কৰ্মীৰ সদস্য বা আন কৰ্মচাৰীৰ অপসাৰণ, অপসাৰণৰ আদেশৰ তাৰিখৰ পৰা প্ৰভাবী হ'ব ঃ

পৰন্তু যেতিয়া শিক্ষক, শৈক্ষিক কৰ্মীৰ এজন সদস্য বা আন কৰ্মচাৰী তেওঁৰ অপসাৰণৰ সময়ত নিলম্বনত থাকে , এনে অপসাৰণ তেওঁৰ নিলম্বনৰ তাৰিখৰ পৰা প্ৰভাবী হ'ব।

(৬) এই পৰিনিয়মৰ পূৰ্বগামী উপবন্ধাৱলীত কোনো কথা থকা সত্বেও, এজন শিক্ষক, শৈক্ষিক কৰ্মীৰ এজন সদস্য বা আন কৰ্মচাৰীয়ে......

(ক) যদিহে তেওঁ এজন স্থায়ী কৰ্মচাৰী হয়, কাৰ্য্যনিৰ্বাহক পৰিষদ বা যথাস্থিতি নিয়োগকাৰী পদাধিকাৰীলৈ লিখিতভাৱে কেৱল তিনিমাহৰ জাননী দিয়াৰ পিচত বা ইয়াৰ সলনি তিনিমাহৰ বেতন আদায় দি পদত্যাগ কৰিব পাৰে;

(খ) যদিহে তেওঁ এজন স্থায়ী কৰ্মচাৰী নহয়, কাৰ্য্যনিৰ্বাহক পৰিষদ বা যথাস্থিতি, নিয়োগকাৰী প্ৰাধিকাৰীলৈ লিখিতভাৱে কেৱল এমাহৰ জাননী দিয়াৰ পিচত বা ইয়াৰ সলনি এমাহৰ বেতন আদায় দি পদত্যাগ কৰিব পাৰে ঃ

পৰন্তু এনে পদত্যাগ, কাৰ্য্যনিৰ্বাহক পৰিষদ বা যথাস্থিতি নিয়োগকাৰী পদাধিকাৰীৰ দ্বাৰা কেৱল পদত্যাগ গৃহীত হোৱা তাৰিখত প্ৰভাবী হ'ব।

*সন্মানিক উপাধি*

২৬। (১) কাৰ্য্যনিৰ্বাহক পৰিষদে, শৈক্ষিক পৰিষদৰ চুপাৰিছত, আৰু উপস্থিত থকা আৰু ভোট দিয়াৰ সদস্যসমূহৰ দুই তৃতীয়াংশৰ কম নোহোৱা এটা সংখ্যাগৰিষ্ঠাৰ দ্বাৰা, পাৰিত এটা প্ৰস্তাবৰ দ্বাৰা সন্মানিক উপাধি প্ৰদান কৰাৰ বাবে কুলাধ্যক্ষলৈ প্ৰস্তাব দিব পাৰে ঃ

পৰন্তু জৰুৰীকালীন ক্ষেত্ৰত, কাৰ্য্যনিৰ্বাহক পৰিষদে, ইয়াৰ স্বপ্ৰেৰণাৰে এনে প্ৰস্তাৱ দিব পাৰে।

(২) কাৰ্য্যনিৰ্বাহক পৰিষদে, উপস্থিত থকা আৰু ভোট দিয়া সদস্যসমূহৰ দুই তৃতীয়াংশৰ কম নোহোৱা এটা সংখ্যা গৰিষ্ঠৰ দ্বাৰা পাৰিত এটা প্ৰস্তাবৰ দ্বাৰা বিশ্ববিদ্যালয়ৰ দ্বাৰা প্ৰদান কৰা কোনো সন্মানিক উপাধি কুলাধক্ষ্যৰ পূৰ্ব সংমোদন সহ প্ৰত্যাহাৰ কৰিব পাৰে।

*উপাধি ইত্যাদি প্ৰত্যাহাৰ।*

২৭। কাৰ্য্যনিৰ্বাহক পৰিষদে, উপস্থিত থকা আৰু ভোট দিয়া সদস্যসমূহৰ দুই তৃতীয়াংশৰ কম নোহোৱা এটা সংখ্যাগৰিষ্ঠাৰ দ্বাৰা পাৰিত এটা প্ৰস্তাৱৰ দ্বাৰা সজ আৰু পৰ্য্যান্ত কাৰণৰ বাবে বিশ্ববিদ্যালয়ৰ দ্বাৰা কেনো ব্যক্তিক প্ৰদান কৰাএটা উপাধি বা শৈক্ষিক উপাধি বা মঞ্জুৰীকৃত কোনো প্ৰমাণ পত্ৰ বা উপাধি পত্ৰ প্ৰত্যাহাৰ কৰিব পাৰে ঃ

পৰন্তু কোনো এনে প্ৰস্তাৱ পাৰিত কৰা নহয় যি পৰ্য্যন্ত কিয় এনে এটা প্ৰস্তাব পাৰিত কৰা নহব, এই বিষয়ে জাননীত বিনিৰ্দিষ্ট কৰা দৰে এনে সময়ৰ ভিতৰত সেই ব্যক্তিক কাৰণ দৰ্শোৱাৰ বাবে লিখিতভাবে এখন জাননী দিয়া নহয় আৰু যি পৰ্য্যন্ত তেওঁ আপত্তি সমূহ যদি কিবা থাকে আৰু সেইবোৰৰ সমৰ্থনত তেওঁ উপস্থাপন কৰিব পৰা কোনো সাক্ষ্য, কাৰ্য্যনিৰ্বাহক পৰিষদৰ দ্বাৰা বিবেচিত কৰা নহয়।

*বিশ্ববিদ্যালয়ৰ ছাত্ৰসকলৰ মাজত অনুশাসন ৰক্ষা কৰা।*

২৮। (১) বিশ্ববিদ্যালয়ৰ ছাত্ৰসকলৰ সম্পৰ্কত অনুশাসন আৰু অনুশাসনমূলক ব্যৱস্থা ৰক্ষা কৰাৰ সম্পৰ্কত সকলো ক্ষমতা উপচাৰ্য্যত ন্যস্ত হ'ব।

(২) খণ্ড (১) ত নিৰ্দেশিত ক্ষমতাসমূহৰ কাৰ্য্যকৰীকৰণত উপাচাৰ্য্যক সহায় কৰিবলৈ বিশ্ববিদ্যালয়ৰ এজন কুলানুশাসক থাকিব যাক, অধ্যাদেশৰ দ্বাৰা বিহিত ৰীতিত অধ্যাপক আৰু সহযোগী অধ্যাপকৰ মাজৰ পৰা কাৰ্য্যনিৰ্বাহক পৰিষদৰ দ্বাৰা নিযুক্তি দিয়া হ'ব।

(৩) উপাচাৰ্য্যই, তেওঁ উচিত গণ্য কৰা দৰে, খণ্ড (১) ত নিৰ্দেশিত ক্ষমতাসমূহৰ সকলো বা যিকোনোটোক এই মৰ্মে তেওঁ বিনিৰ্দিষ্ট কৰা দৰে কুলানুশাসক আৰু এনে আন্ পদাধিকাৰীলৈ আৰোপিত কৰিব পাৰে।

(৪) অনুশাসন ৰক্ষা কৰাৰ বাবে, তেওঁৰ সমুচিত বুলি বোধ হোৱা অনুশাসন ৰক্ষাৰ সম্পৰ্কত আৰু এনে কাৰ্য্য ব্যৱস্থা লোৱাত তেওঁৰ ক্ষমতাৰ ব্যপকতাৰ ওপৰত প্ৰতিকুল প্ৰভাব নেপেলোৱাকৈ উপাচাৰ্য্যই, এনে ক্ষমতাৰ প্ৰয়োগত, আদেশৰ দ্বাৰা, কোনো ছাত্ৰক বা ছাত্ৰসমূহক এটা বিনিৰ্দিষ্ট কালৰ বাবে বহিস্কাৰ বা সাময়িক বহিস্কাৰ কৰিবলৈ বা কোনো বৰ্ণিত কালৰ বাবে বিশ্ববিদ্যালয়ৰ এখন মহাবিদ্যালয়, শিক্ষা প্ৰতিষ্ঠান বা বিভাগ বা এখন বিদ্যালয়ত কোনো পাঠ্যক্ৰম বা পাঠ্যক্ৰমসমূহত নামভৰ্ত্তি নকৰিবলৈ বা আদেশত বিনিৰ্দিষ্ট কৰা এটা ধনৰাশিৰ বাবে জৰিমনাসহ দণ্ডিত কৰিবলৈ বা এবছৰ বা ততোধিক বছৰৰ বাবে বিশ্ববিদ্যালয়, মহাবিদ্যালয়, শিক্ষা প্ৰতিষ্ঠান বা বিভাগ বা এখন বিদ্যালয়ৰ দ্বাৰা পৰিচালিত পৰীক্ষা বা পৰীক্ষাসমূহলোৱাৰ পৰা বাৰণ কৰিবলৈ বা য'ত তেওঁ বা তেওঁলোকে দিয়া পৰীক্ষা বা পৰীক্ষাসমূহত ছাত্ৰ বা ছাত্ৰী সকলৰ সম্বন্ধীয় ফলাফল নিদিয়াকৈ ৰাখিবলৈ বা বাতিল কৰিবলৈ নিৰ্দেশ দিব পাৰে।

(৫) মহাবিদ্যালয়ৰ অধ্যক্ষ, শিক্ষা প্ৰতিষ্ঠান অধ্যয়ন কেন্দ্ৰৰ ডীন আৰু বিশ্ববিদ্যালয়ৰ শৈক্ষিক বিভাগৰ মুৰব্বীৰ, এনে মহাবিদ্যালয়, শিক্ষা প্ৰতিষ্ঠান, বিদ্যালয় আৰু শৈক্ষিক বিভাগৰ সঠিক পৰিচালনাৰ বাবে আৱশ্যকীয় বিবেচনা কৰা দৰে তেওঁলোকৰ নিজা নিজা মহাবিদ্যালয়, শিক্ষা প্ৰতিষ্ঠান, বিদ্যালয় আৰু শৈক্ষিক বিভাগৰ ছাত্ৰ সকলৰ ওপৰত এনে সকলো অনুশাসনিক ক্ষমতা প্ৰয়োগ কৰাৰ প্ৰাধিকাৰ থাকিব।

(৬) খণ্ড (৫) ত বিনিৰ্দিষ্ট উপাচাৰ্য্য, আৰু অধ্যক্ষ আৰু আন ব্যক্তিৰ ক্ষমতাৰ প্ৰতিকুল নোহোৱাকৈ, বিশ্ববিদ্যালয়ৰ দ্বাৰা অনুশাসনৰ বিস্তৃত নিয়মাৱলী আৰু সঠিক পৰিচালনা কৰা হ'ব আৰু মহাবিদ্যালয়ৰ অধ্যক্ষ, শিক্ষা প্ৰতিষ্ঠান, অধ্যয়ন কেন্দ্ৰৰ ডীন আৰু বিশ্ববিদ্যালয়ৰ শৈক্ষিক বিভাগৰ মুৰব্বীয়েও, এনে অনুপুৰক নিয়মাৱলী প্ৰণয়ন্ কৰিব পাৰে যিদৰে তেওঁলোকে তাৰ বৰ্ণিত প্ৰয়োজনৰ বাবে আৱশ্যকীয় বুলি গণ্য কৰে।

(৭) নামভৰ্ত্তিৰ সময়ত, প্ৰত্যেক ছাত্ৰক বিশ্ববিদ্যালয়ৰ উপাচাৰ্য্য আৰু আন প্ৰাধিকাৰীৰ

অনুশাসনমূলক অধিকাৰিতালৈ তেওঁ নিজকেই সমৰ্পিত কৰা বুলি সেই প্ৰভাৱলৈ এখন ঘোষণা পত্ৰত স্বাক্ষৰ কৰিবলৈ অপেক্ষিত কৰা হ'ব।

*সমাৱৰ্ত্তন*

২৯। ডিগ্ৰী প্ৰদানৰ বাবে বা আন প্ৰয়োজনৰ বাবে বিশ্ববিদ্যালয়ৰ সমাবৰ্ত্তন, অধ্যাদেশৰ দ্বাৰা বিহিত কৰা এনে ৰীতিত অনুষ্ঠিত কৰা হ'ব।

*বৈঠকৰ কাৰ্য্যবাহী চেয়াৰমেন।*

৩০। য'ত বিশ্ববিদ্যালয়ৰ কোনো প্ৰাধিকাৰী বা এনে প্ৰাধিকাৰীৰ কোনো সমিতিৰ এখন বৈঠকত সভাপতিত্ব কৰিবলৈ এজন সভাপতি বা চেয়াৰমেনৰ বাবে কোনো উপবন্ধ কৰা নহয় বা যেতিয়া এনেদৰে উপবন্ধিত কৰা সভাপতি বা চেয়াৰমেন অনুপস্থিত থাকে, তেতিয়া উপস্থিত সদস্যসমূহে এনে বৈঠকত সভাপতিত্ব কৰিবলৈ তেওঁলোকৰ মাজৰ পৰা এজনক নিৰ্বাচিত কৰিব।

*পদত্যাগ*

৩১। সভাৰ এজন পদেন সদস্যৰ, ব্যতিৰেকে কোনো সদস্য, কাৰ্য্যনিৰ্বাহক পৰিষদ, শৈক্ষিকপৰিষদ বা বিশ্ববিদ্যালয়ৰ কোনো আন প্ৰাধিকাৰী বা এনে প্ৰাধিকাৰীৰ কোনো সমিতিয়ে পঞ্জীয়কলৈ সম্বোধিত কৰি পত্ৰৰ দ্বাৰা পদত্যাগ কৰিব পাৰে আৰু এনে পদত্যাগ, পঞ্জীয়কৰ দ্বাৰা এনে পত্ৰ গৃহীত হোৱাৰ লগে লগে প্ৰভাৱী হ'ব।

অনৰ্হতা

৩২। (১) প্ৰাধিকৰণ সমূহৰ যিকোনোটোৰ এজন সদস্যৰূপে বাচঁনি কৰাৰ বাবে আৰু সদস্য হবলৈ বা বিশ্ববিদ্যালয়ৰ এজন পদাধিকাৰীৰূপে নিয়োজিত হবলৈ আৰু পদাধিকাৰী হবলৈ এজন ব্যক্তি অনৰ্হ হব যদিহে...............

(i) তেওঁ বিকৃত মষ্টিস্কৰ হয় ; বা

(ii) তেওঁ কোনো অনুন্মুক্ত দেউলীয়া হয় ; বা

(iii) তেওঁ নৈতিক ভ্ৰষ্টতাৰ সৈতে জড়িত কোনো অপৰাধত এখন ন্যায়ালয়ৰ দ্বাৰা দোষী সাব্যস্ত হৈছে আৰু সেই সম্বন্ধত ছয়মাহৰ অধিক কালৰ বাবে কাৰাবাসেৰে দণ্ডিত হৈছে।

(২) এজন ব্যক্তি খণ্ড (১) ত উল্লিখিত অনৰ্হতা সমূহৰ যিকোনোটোৰ সাপেক্ষে থাকে বা আছিল নে নাই সেই বিষয়ে যদিহে কোনো প্ৰশ্নৰ উদ্ভৱ হয় তেতিয়া প্ৰশ্নটো কুলাধ্যক্ষলৈ প্ৰেৰণ কৰা হ'ব আৰু তেওঁৰ বিনিশ্চয় চুড়ান্ত হ'ব আৰু কোনো বাদ বা আন কাৰ্য্যবাহী এনে বিনিশ্চয়ৰ বিৰুদ্ধে কোনো চিভিল ন্যায়ালয়ত নচলিব।

*সদস্য পদ আৰু পদৰ বাবে আবাস গৃহৰ চৰ্ত্ত।*

৩৩। পৰিনিয়মত কোনো কথা থকা সত্বেও, ভাৰতত সাধাৰণতে বাস নকৰা এজন ব্যক্তি, বিশ্ববিদ্যালয়ৰ এজন পদাধিকাৰী বা বিশ্ববিদ্যালয়ৰ কোনো প্ৰাধিকৰণৰ এজন সদস্য হবলৈ যোগ্য নহ'ব।

*আন নিকায়ৰ সদস্য পদৰ বলত প্ৰাধিকাৰীৰ সদস্য পদ।*

৩৪। পৰিনিয়মত কোনো কথা থকা সত্বেও এটা বিশেষ প্ৰাধিকৰণক বা নিকায়ৰ এজন সদস্যৰূপে বা এটা বিশেষ নিয়োজনৰ ধাৰক ৰূপে তেওঁৰ সামৰ্থত বিশ্ববিদ্যালয়ত কোনো কোনো পদ ধাৰণ কৰা বা বিশ্ববিদ্যালয়ৰ কোনো প্ৰাধিকৰণ বা নিকায়ৰ এজন সদস্য হোৱা এজন ব্যক্তিয়ে, তেওঁ সেই বিশেষ প্ৰাধিকাৰ বা নিকায়ৰ এজন সদস্য ৰূপে বা যথাস্থিতি সেই বিশেষ নিয়োজনৰ ধাৰক ৰূপে চলাই থকালৈকে কেৱল এনে পদ বা সদস্য পদ ধাৰণ কৰিব।

*পূৰ্ব ছাত্ৰ সংগঠন*

৩৫। (১) বিশ্ববিদ্যালয়ৰ বাবে এখন পূৰ্ব ছাত্ৰ সংগঠন থাকিব।

(২) পূৰ্ব ছাত্ৰ সংগঠনৰ সদস্য পদৰ বাবে বৰঙণি অধ্যাদেশৰ দ্বাৰা বিহিত কৰা হ'ব।

(৩) পূৰ্ব ছাত্ৰ সংগঠনৰ কোনো সদস্য নিৰ্বাচনৰ বাবে ভোট বা প্ৰাৰ্থী হোৱাৰ বাবে হক্‌দাৰ নহব যি পৰ্য্যন্ত তেওঁ নিৰ্বাচনৰ তাৰিখৰ পূৰ্বে কমেও এবছৰৰ বাবে সংগঠনৰ এজন সদস্য নহয় আৰু কমেও পাঁচবছৰ স্থায়ীত্বত বিশ্ববিদ্যালয়ৰ এটা উপাধি ধাৰণ নকৰে ঃ

পৰন্তু এবছৰৰ সদস্য পদৰ সম্পূৰ্ণকৰণৰ সম্পৰ্কিত চৰ্ত্ত, প্ৰথম নিৰ্বাচনৰ ক্ষেত্ৰত প্ৰয়োগ নহ'ব।

*ছাত্ৰ পৰিষদ*

৩৬। (১) প্ৰত্যেক শৈক্ষিক বৰ্ষত বিশ্ববিদ্যালয়ত নিম্নলিখিত সমূহেৰে গঠিত এখন ছাত্ৰ পৰিষদ থাকিব....

(i) ছাত্ৰ কল্যাণৰ ডীন যিয়ে ছাত্ৰ পৰিষদৰ চেয়াৰমেন হ'ব ;

(ii) অধ্যয়ন, খেল আৰু পাঠ বৰ্হিভূত কাৰ্য্যকলাপত যোগ্যতাৰ আধাৰত শৈক্ষিক পৰিষদৰ দ্বাৰা মনোনীত বিশজন ছাত্ৰ ; আৰু

(iii) তেওঁলোকৰ প্ৰতিনিধিৰ ৰূপে ছাত্ৰ সকলৰ দ্বাৰা নিৰ্বাচিত বিশজন ছাত্ৰ ঃ

পৰন্তু বিশ্ববিদ্যালয়ৰ কোনো ছাত্ৰৰ, ছাত্ৰ পৰিষদলৈ বিশ্ববিদ্যালয় সম্পৰ্কিত কোনো বিষয় উত্থাপন কৰাৰ অধিকাৰ থাকিব, যদিহে এনেদৰে চেয়াৰমেনৰ দ্বাৰা এনেদৰে অনুমতি প্ৰাপ্ত হয়, আৰু তেওঁৰ, কোনো বৈঠকত আলোচনাৰ অংশ গ্ৰহন কৰাৰ অধিকাৰ থাকিব যেতিয়া বিষয়টো বিবেচনাৰ দ্বাৰা লোৱা হয়।

(২) সাধাৰণত বিশ্ববিদ্যালয়ৰ কাম কাজৰ সম্বন্ধত, অধ্যয়ন ছাত্ৰ কল্যাণ কাৰ্য্যসূচী আৰু আন গুৰুত্বপূৰ্ণ বিষয়সমূহৰ সম্বন্ধত বিশ্ববিদ্যালযৰ সমুচিত প্ৰাধিকৰণক পৰামৰ্শ দিয়াটো ছাত্ৰ পৰিষদৰ কৰ্তব্য হ'ব আৰু এনে পৰামৰ্শ, মতামতৰ ঐক্যমতৰ আধাৰত দিয়া হ'ব।

(৩) ছাত্ৰ পৰিষদ, প্ৰত্যেক শৈক্ষিক বছৰত কমেও দুবাৰ মিলিত হ'ব আৰু পৰিষদৰ প্ৰথম বৈঠক শৈক্ষিক বৰ্ষৰ আৰম্ভণিত অনুষ্ঠিত হ'ব।

*অধ্যাদেশসমূহ কেনেকৈ প্ৰণয়ন কৰা হ'ব।*

৩৭। (১) ধাৰা ২৮ ৰ উপধাৰা (২) ৰ অধীনত প্ৰণীত প্ৰথম অধ্যাদেশ নিম্নলিখিত উপ- খণ্ডসমূহত বিনিৰ্দ্দিষ্ট কৰা ৰীতিত কাৰ্য্যনিৰ্বাহক পৰিষদৰ দ্বাৰা যিকোনো সময়তে সংশোধন, নিৰসন বা যুক্ত হব পাৰে।

(২) এই অধিনিয়মৰ ধাৰা ২৮ ৰ উপধাৰা (১) ত গণনা কৰা বিষয় সমূহৰ সম্বন্ধত কোনো অধ্যাদেশ কাৰ্য্যনিৰ্বাহক পৰিষদৰ দ্বাৰা প্ৰণয়ন কৰা নহব যি পৰ্য্যন্ত এনে অধ্যাদেশৰ এখন খচৰা শৈক্ষিক পৰিষদৰ দ্বাৰা প্ৰস্তাৱিত কৰা নহয়।

(৩) কাৰ্য্যনিৰ্বাহক পৰিষদৰ, খণ্ড (২) ৰ অধীনত শৈক্ষিক পৰিষদৰ দ্বাৰা প্ৰস্তাৱিত কোনো অধ্যাদেশৰ কোনো খচৰা সংশোধন কৰিবলৈ ক্ষমতা নাথাকিব, কিন্তু প্ৰস্তাৱ প্ৰত্যাখ্যান কৰিব পাৰে বা কাৰ্য্যনিৰ্বাহক পৰিষদে পৰামৰ্শ দিয়া দৰে কোনো সংশোধনসহ একেলগে সম্পূৰ্ণ বা আংশিক ভাবে পুনৰ বিবেচনাৰ বাবে শৈক্ষিক পৰিষদলৈ খচৰা ঘূৰাই পঠিয়াব পাৰে।

(৪) য'ত কাৰ্য্যনিৰ্বাহক পৰিষদে, শৈক্ষিক পৰিষদৰ দ্বাৰা প্ৰস্তাৱিত এখন অধ্যাদেশৰ খচৰা প্ৰত্যাখ্যান কৰে বা ঘূৰাই দিয়ে তাত শৈক্ষিক পৰিষদে প্ৰশ্নটো নতুনকৈ বিবেচনা কৰিব পাৰে আৰু যদিহে মুল খচৰা, উপস্থিত থকা আৰু ভোট দিয়াৰ সদস্য সমূহৰ দুই তৃতীয়াংশৰ অধিক এটা সংখ্যা গৰিষ্ঠতা আৰু শৈক্ষিক পৰিষদৰ সদস্য সমূহৰ মুঠ

সংখ্যক সদস্যৰ আধাতকৈ অধিকৰ দ্বাৰা পুনৰ প্ৰতিজ্ঞান কৰা হয়, তেতিয়া খচৰাটো কাৰ্য্যনিৰ্বাহক পৰিষদলৈ ঘূৰাই পঠিয়াব পাৰে যাক ই, গ্ৰহণ কৰিব বা কুলাধ্যক্ষলৈ প্ৰেৰণ কৰিব বিনিশ্চয় চুড়ান্ত হ'ব।

(৫) কাৰ্য্যনিৰ্বাহক পৰিষদৰ দ্বাৰা প্ৰণীত প্ৰত্যেক অধ্যাদেশ অব্যৱহিত ভাবে প্ৰভাৱী হ'ব।

(৬) কাৰ্যনিৰ্বাহক পৰিষদৰ দ্বাৰা প্ৰণীত প্ৰত্যেক অধ্যাদেশ ইয়াৰ গ্ৰহণৰ তাৰিখৰ পৰা দুসপ্তাহৰ ভিতৰত কুলাধ্যক্ষলৈ দাখিল কৰা হ'ব।

(৭) কুলাধ্যক্ষৰ, কোনো অধ্যাদেশৰ প্ৰৱৰ্তন স্থগিত ৰাখিবলৈ বিশ্ববিদ্যালয়ক নিৰ্দেশ দিয়াৰ ক্ষমতা থাকিব।

(৮) কুলাধ্যক্ষই, খণ্ড (৭) ত নিৰ্দেশিত অধ্যাদেশৰ ওপৰত তেওঁৰ আপত্তিৰ বিষয়ে কাৰ্য্যনিৰ্বাহক পৰিষদক অৱগত কৰিব, আৰু বিশ্ববিদ্যালয়ৰ মতামত প্ৰাপ্তকৰাৰ পিছত অধ্যাদেশ স্থগিতকৰণৰ আদেশ প্ৰত্যাহাৰ বা অধ্যাদেশ অগ্ৰাহ্য কৰিব পাৰে আৰু তেওঁৰ বিনিশ্চয় চুড়ান্ত হ'ব।

*বিনিয়মাৱলী*

৩৮। (১) বিশ্ববিদ্যালয়ৰ প্ৰাধিকাৰ সমূহে নিম্নলিখিত বিষয়সমূহৰ বাবে এই অধিনিয়ম, পৰিনিয়ম আৰু অধ্যাদেয়ৰ সুসঙ্গত বিনিয়মাৱলী প্ৰণয়ন কৰিব পাৰে অৰ্থাৎ;

(i) তেওঁলোকৰ বৈঠক সমূহত পালন কৰিবলগীয়া প্ৰক্ৰিয়াৰ প্ৰণয়ন কৰা

আৰু এটা থূল গঠন কৰিবলৈ অপেক্ষিত হোৱা সদস্য সমূহৰ সংখ্যা ঃ

(ii) সকলো বিষয় বিনিয়মাৱলীৰ দ্বাৰা বিহিত কৰা এই অধিনিয়ম, পৰিনিয়ম বা অধ্যাদেশৰ দ্বাৰা অপেক্ষিত ; সকলো বিষয়ৰ উপবন্ধ কৰা আৰু

(iii) তেওঁলোকৰ দ্বাৰা নিয়োজিত একমাত্ৰ এনে প্ৰধিকৰণ বা সমিতিৰ সম্বন্ধিত আন সকলো বিষয়ৰ বাবে উপবন্ধ কৰা আৰু এই অধিনিয়ম, পৰিনিয়ম বা অধ্যাদেশৰ দ্বাৰা উপবন্ধিত নোহোৱা।

(২) বিশ্ববিদ্যালয়ৰ প্ৰত্যেক প্ৰাধিকৰণে বৈঠকৰ তাৰিখ আৰু বৈঠক সমূহত বিবেচনা কৰিবলগীয়া কাম-কাজৰ বিষয়ে এনে প্ৰাধিকৰণৰ সদস্য সমূহলৈ জাননী দিয়াৰ আৰু বৈঠকৰ কাৰ্য্যবাহীৰ এটা অভিলেখ ৰখাৰ উপবন্ধ কৰি বিনিয়মাৱলী প্ৰণয়ন কৰিব।

(৩) কাৰ্য্যনিৰ্বাহক পৰিষদে বিনিৰ্দিষ্ট কৰা দৰে এনে ৰীতিত পৰিনিয়মৰ অধীনত প্ৰণীত কোনো বিনিয়মাৱলীৰ সংশোধন বা এনে কোনো বিনিয়মাৱলী ৰদ কৰিব পাৰে।

*ক্ষমতাৰ আৰোপন*

৩৯। এই অধিনিয়ম আৰু পৰিনিয়মৰ উপবন্ধাৱলীৰ সাপেক্ষে বিশ্ববিদ্যালয়ৰ কোনো পদাধিকাৰী বা প্ৰাধিকৰণে তেওঁৰ বা ইয়াৰ নিজ নিজ নিয়ন্ত্ৰণৰ অধীনত কোনো আন পদাধিকাৰী বা প্ৰধিকৰণ বা ব্যক্তিলৈ তেওঁ বা ইয়াৰ ক্ষমতা আৰোপিত কৰিব পাৰে আৰু এই চৰ্ত্তৰ সাপেক্ষে এনেদৰে আৰোপিত ক্ষমতাৰ প্ৰয়োগৰ বাবে সম্পূৰ্ণ দায়িত্ব এনে ক্ষমতা আৰোপ কৰা পদাধিকাৰী বা প্ৰাধিকাৰণত ন্যস্ত হৈ থাকিব।

----------XXX----------

# The Central Universities Act, 2009

## কেন্দ্ৰীয় বিশ্ববিদ্যালয় অধিনিয়ম, ২০০৯

## Glossary of terms

### পৰিভাষা

| References | English term | Assamese equivelent |
| --- | --- | --- |
| 2. (e) | Pro-vice-chancellar | প্ৰতি-উপাচাৰ্য্য |
| 2. (k) | Corporate life | সামুহিক জীৱন |
| 2. (o) | School of studies | অধ্যয়ন কেন্দ্ৰ |
| 6.(iii) | Extramural studies | বৰ্হিবৰ্ত্তী অধ্যয়ন |
| 6. (xv) | Refresher courses | উন্নয়ন পাঠ্যক্ৰম |
| 6. (xvi) | Visiting professor | অভ্যাগত অধ্যাপক |
| 6. (xvi) | Emeritus professor | প্ৰতিষ্ঠিত অধ্যাপক |
| 6. (2) (iii) | Portable pension | লঘু পেঞ্চন |
| 6. (2) (iv) | Semester | ষান্মাসিক |
| 6. (2) (vii) | Accreditation | প্ৰত্যায়ন |
| 33. (2) | Umpire | নিৰ্ণায়ক |
| Seh. 2.(5) (v) | Commuted leave | পৰিৱৰ্তিত ছুটি |
| Seh.6.(5) | concure | তিৰস্কাৰ |
| Seh.12 (2) (iii) | Inter-facial recherch | অৰ্ন্তমূখী গবেষনা |
| Seh 12(2) (xix) | Corpus of fund | সমগ্ৰ নিধি |
| Seh 19 (i) | Professional attainment | বৃত্তিক যোগ্যতা |
| Seh 19 (i) | Supernumerary | সংখ্যাধিক্য |
| Seh 28 (2) | Proctor | কুলানাশাসক |

ৰাষ্ট্ৰপতিয়ে কেন্দ্ৰীয় বিশ্ববিদ্যালয় অধিনিয়ম, ২০০৯ (২০০৯ৰ অধিনিয়ম সংখ্যা ২৫)ৰ ওপৰোক্ত অসমীয়া অনুবাদ, প্ৰাধিকৃত পাঠ, (কেন্দ্ৰীয় বিধি) অধিনিয়ম, ১৯৭৩ৰ ধাৰা ২ৰ খণ্ড (ক)ৰ অধীনত ৰাজপত্ৰত প্ৰকাশিত কৰাৰ কাৰণে প্ৰাধিকৃত কৰি দিছে (১৯৭৩ৰ অধিনিয়ম সংখ্যা ৫০)।

নতুন দিল্লী
তাৰিখঃ

সচিব, ভাৰত চৰকাৰ

The above translation in Assamese of The Central Universities Act, 2009 (Act No. 25 of 2009) has been authorised by the President to be published in the Official Gazette under clause (a) of section 2 of the Authoritative Texts (Central Laws) Act, 1973 (Act No. 50 of 1973).

**G. NARAYANA RAJU,**
Secretary to the Govt. of India

New Delhi
Date :

ভাৰত চৰকাৰৰ হকে অসম চৰকাৰ (বিধান বিভাগ)ৰ দ্বাৰা প্ৰকাশিত আৰু অসম চৰকাৰী ছপাশালত মুদ্ৰিত, গুৱাহাটী-২১, ১৩-০৬-১৯